● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি যদি নিজেই নিজৰ জীৱনৰ পথ নিৰ্ণয় কৰি নলয় তেন্তে আপুনি আনৰ পৰিকল্পনাত বন্দী হোৱাৰ সম্ভাৱনা থাকে। তেতিয়া ফলাফল কি হ'ব পাৰে নিশ্চয় ধাৰণা কৰিব পাৰে।

জিম ৰন
*আমেৰিকান উদ্যোক্তা*



৭ আমেৰিকাত ভেণ্টিলেটৰৰ নাটনি
১৫ কেৰিবিয়ান দলৰ তিনি ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত
৪ মুছলমানৰ প্ৰতি বিদ্বেষ, অত্যাচাৰে ইছলামিক সন্ত্ৰাস জন্ম দিব

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৬৭তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২৬ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৩ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 13 December 2021 মূল্য ঃ ৯.০০ টকা

■ লাওখোৱা-বুঢ়াচাপৰি অভয়াৰণ্যৰ ২৯টাকৈ বিলত চোৰাং মাছমৰীয়াৰ দৌৰাত্ম্য ■ দিন-দুপৰতে অস্ত্ৰধাৰী দুৰ্বৃত্তৰ দল ■ বিলুপ্ত হৈছে থলুৱা প্ৰজাতিৰ মাছ ঃ হ্ৰাস পৰিভ্ৰমী পক্ষীৰ আগমন

# বন বিষয়াক ৬০ লাখ দি বিলত লুণ্ঠন

বিশেষ সংবাদদাতা

**নগাঁও, ১২ ডিচেম্বৰ ঃ** বন বিভাগৰ অনুমতি অবিহনে বনাঞ্চলৰ ভিতৰত সাধাৰণ মানুহৰ প্ৰৱেশ নিষিদ্ধ যদিও নগাঁও বন্যপ্ৰাণী সংমণ্ডল আৰু কাজিৰঙা ব্যাঘ্ৰ প্ৰকল্পৰ অধীনস্থ লাওখোৱা অভয়াৰণ্য আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ভিতৰৰ বিল-জলাশয়সমূহত চোৰাং মাছমৰীয়াৰ দৌৰাত্ম্য অব্যাহত আছে। বন আইন অনুসৰি বনাঞ্চলৰ ভিতৰৰ বিল-জলাশয়সমূহত মাছ মৰাটো নিষিদ্ধ যদিও নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ লাওখোৱা অভয়াৰণ্য আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ভিতৰৰ প্ৰায় ডেৰ কুৰি বিলত একাংশ চোৰাং মাছমৰীয়াই বন বিভাগৰ জ্ঞাতসাৰেই অবাধে মাছ মাৰি আহিছে। ১৫-২০জনীয়া চোৰাং মাছমৰীয়াৰ দলে অভয়াৰণ্য দুখনৰ ভিতৰৰ লাওখোৱাসুঁতি, পাভকাটি, ৰৌমাৰী, সুতাকুড়ি, উদমাৰী, লাঠিমাৰী, পলাশতলী, সোণাইকুছি, আৰিমাৰী, মোৱামাৰী, দন্দোৱা, চাপাকুড়ি, চৈধমাইল, খলিহামাৰী, হিজলতলী, খৰনলী, বগনলা, ছাটামাৰী, শিয়ালমাৰী, চেনীমাৰী, কাছধৰা প্ৰমুখ্যে ২৯খন বিলত মাছ মাৰি লাখ লাখ টকাৰ ব্যৱসায় কৰি আহিছে। সূত্ৰত প্ৰকাশ যে চোৰাং মাছমৰীয়াৰ দলে দিনতে অভয়াৰণ্যৰ ভিতৰত অস্ত্ৰ-শস্ত্ৰসহ প্ৰৱেশ কৰি দলবদ্ধভাৱে বিলসমূহত মাছ মাৰে। প্ৰতিখন বিলত এনে চোৰাং মাছমৰীয়া *১০ পৃষ্ঠাত চাওক*

## আৰু এটা আন্দোলনৰ উকমুকনি

■ প্ৰাঞ্জলসেন ডেকা

২০১৯ৰ ১১ ডিচেম্বৰত সংসদত বহুচৰ্চিত নাগৰিকত্ব সংশোধনী বিধেয়ক গৃহীত হোৱাৰ দুবছৰ পূৰ্তিৰ সমান্তৰালভাৱে ৰাজ্যত এই আইনৰ বিৰুদ্ধে পুনৰ এটি আন্দোলন আৰম্ভ হোৱাৰ উকমুকনি পৰিলক্ষিত হৈছে। চুবুৰীয়া দেশ ক্ৰমে বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানত ধৰ্মীয় আতিশয্যৰ বলি হৈ ভাৰতত আশ্ৰয় ল'ব বিচৰা সেই দেশসমূহৰ সংখ্যালঘু অমুছলমান ধৰ্মাৱলম্বী লোকক এই দেশৰ নাগৰিকত্ব প্ৰদানৰ উদ্দেশ্যে নাগৰিকত্ব *১০ পৃষ্ঠাত চাওক*



■ নাগৰিকত্ব আইন বিৰোধী আন্দোলনৰ পঞ্চ ছহিদলৈ শ্ৰদ্ধাঞ্জলি

■ ভাষণ দিয়াৰ চলেৰে কেৱল অভিযোগৰ স্পষ্টীকৰণ দিলে সমুজ্জ্বলে

## আন্দোলন স্তিমিত হৈছিল, শেষ হৈ যোৱা নাই এতিয়া আকৌ আৰম্ভ হ'ব

স্টাফ ৰিপৰ্টাৰ


**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থা, শিল্পী সমাজ আৰু স্থানীয় হাতীগাঁওবাসীৰ উদ্যোগত আজি সংশোধিত নাগৰিকত্ব আইন (কা) বিৰোধী আন্দোলনৰ সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীৰ গুলিত মৃত্যুবৰণ কৰা পঞ্চ ছহিদলৈ হাতীগাঁও হাইস্কুল প্ৰাংগণত আয়োজিত অনুষ্ঠানত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আছুৰ কেন্দ্ৰীয় নেতৃত্ব, কে'বাজনো অধিবক্তা, বিশিষ্ট শিল্পী আৰু নিবন্ধকাৰ উপস্থিত থকা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আছুৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই 'কা' আন্দোলনৰ প্ৰতি বিভিন্ন পক্ষৰ সমালোচনাৰ স্পষ্টীকৰণ দিয়াৰ *দুই পৃষ্ঠাত চাওক*

■ এনচিআৰবি প্ৰতিবেদনত উদ্বেগজনক তথ্য ■ ২০২০ বৰ্ষত ৰাজ্যত পস্ক' আইনৰ অধীনত ১০৭৮টা ঘটনা ■ ১৬৫৮টা ধৰ্ষণৰ ঘটনা ■ অভিযুক্তৰ সৰহ সংখ্যকেই পৰিচিত-আত্মীয়

## ২০২০ বৰ্ষত ৰাজ্যৰ ১৫শ শিশু নিৰুদ্দেশ

স্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ। এখন সুস্থ-সৱল সমাজ গঢ় দিয়াৰ লক্ষ্যৰে প্ৰতিখন দেশেই শিশুসকলক শাৰীৰিক-মানসিকভাৱে সবল ৰূপত গঢ়ি তুলিবলৈ পদক্ষেপ হাতত লৈছে। এনে লক্ষ্যৰে ভাৰততো ১৪ বছৰলৈ প্ৰতিজন শিশুক শিক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে। এনেবোৰ পদক্ষেপৰ মাজতে দেশত শিশু অপৰাধৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহা ঘটনাই গভীৰ আশংকাৰ সৃষ্টি কৰাৰ লগতে এক ভয়াৱহ ইংগিত প্ৰদান কৰিছে। শেহতীয়াকৈ নেছনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ' (এনচিআৰবি)ৰে প্ৰকাশ কৰা প্ৰতিবেদনতো এই উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে বিগত বৰ্ষত দেশত ৫৯,২৬২টা শিশু *১০ পৃষ্ঠাত চাওক*



ঘটনাত ব্যৱহৃত ৰাইফল-মেগজিন-কাৰ্টিজ জব্দ

## শিশু নিহতৰ ঘটনাত গ্ৰেপ্তাৰ দুই বন সুৰক্ষা কৰ্মীক আৰক্ষীৰ জিম্মালৈ



অগ্ৰদূত বাৰ্তা

**বকো, ১২ ডিচেম্বৰ ঃ** বন্যহস্তী খেদিবলৈ যোৱা বনকৰ্মীৰ গুলিত এটি দুবছৰীয়া কন্যা শিশুৰ মৃত্যুৰ লগতে মাতৃ গুলিবিদ্ধ হোৱা ঘটনাত গ্ৰেপ্তাৰ কৰা দুই বনকৰ্মীক এদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে আদালতে। ইফালে, ডি এফ অ' *১০ পৃষ্ঠাত চাওক*

## ফটকা নহয়, যোৰহাটৰ বিবাহ মণ্ডপত ফুটিল গুলি

জনপ্ৰিয় গায়িকাৰ ভ্ৰাতৃৰ দৌৰাত্ম্য

স্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১২ ডিচেম্বৰ ঃ** কইনা নিবলৈ আহি বৰযাত্ৰীৰ দলে বিবাহ মণ্ডপত অধিক আনন্দ-উল্লাস কৰাক কেন্দ্ৰ কৰি সূত্ৰপাত হোৱা কাজিয়াৰ পৰিণতিত যোৱা নিশা নগৰৰ জেইল ৰোডত সংঘটিত হয় এক অপ্ৰীতিকৰ ঘটনা। কাজিয়াৰ মাজতে কইনাপক্ষৰ এজনে পিষ্টল উলিয়াই শূন্যলৈ তিনি জাঁই গুলিবৰ্ষণ কৰাত এক ভীতিবিহ্বল পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, *১০ পৃষ্ঠাত চাওক*

■ বিটকইনে বৈধতা পোৱা বুলি ভুৱা টুইট

## হেকাৰৰ কবলত প্ৰধানমন্ত্ৰী মোদীৰ টুইটাৰ একাউণ্ট

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ ডিচেম্বৰ ঃ** হেকাৰৰ কবলত পৰিল স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ টুইটাৰ একাউণ্ট। শনিবাৰে মাজনিশা কোনো দুষ্কৃতিকাৰীয়ে প্ৰধানমন্ত্ৰীৰ টুইটাৰ একাউণ্ট হেক কৰি লিখা এক মন্তব্যই তাৎক্ষণিকভাৱে টুইটাৰৰ মঞ্চত তোলপাৰ লগায়। অৱশ্যে প্ৰধানমন্ত্ৰীৰ টুইটাৰ একাউণ্ট হেক হোৱাৰ *১০ পৃষ্ঠাত চাওক*



## তিনিদিনীয়া ভ্ৰমণসূচীৰে পুনৰ দিল্লীলৈ মুখ্যমন্ত্ৰী ড°শৰ্মা

অংশ ল'ব কাশী বিশ্বনাথ ধাম মুকলি অনুষ্ঠানত

স্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** তিনিদিনীয়া কাৰ্যসূচীৰে আজি সন্ধিয়া পুনৰ দিল্লীলৈ উৰা মাৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কাইলৈ প্ৰধানমন্ত্ৰী *দুই পৃষ্ঠাত চাওক*

■ পইণ্ট ২২ পিষ্টলসহ ৪৮ জাঁই সক্ৰিয় গুলি উদ্ধাৰ ডকমকাত

## আৰক্ষীৰে সংঘৰ্ষত অপহৰণকাৰীৰ মৃত্যু, জীৱন্তে উদ্ধাৰ অপহৃতক

অগ্ৰদূত বাৰ্তা

**বকলীয়াঘাট/হাওৰাঘাট, ১২ ডিচেম্বৰ ঃ** কাৰ্বি আংলঙৰ ডকমকাত আজি আৰক্ষী-অপহৰণকাৰীৰ গুলীয়াগুলিত এজন অপহৰণকাৰী থিতাতে নিহত হয়। তদুপৰি আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা পিষ্টলসহ ৪৮ জাঁই সক্ৰিয় গুলি উদ্ধাৰ কৰাৰ লগতে সুস্থ শৰীৰে অপহৃতক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কাৰ্বি আংলং জিলাৰ ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত লকছ' টকবী গাঁৱৰ পৰা যোৱা ১০ ডিচেম্বৰৰ পুৱতি নিশা এজন *১০ পৃষ্ঠাত চাওক*



## তিনিচুকীয়াত পুৱতি নিশা জব্দ গৰুভৰ্তি কণ্টেইনাৰ, চালকৰ পলায়ন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰে গৰুৰ চোৰাং সৰবৰাহ বন্ধৰ বাবে গো-সংৰক্ষণ আইন প্ৰণয়ন কৰিলেও আৰক্ষী-প্ৰশাসনক অংগুষ্ঠ প্ৰদৰ্শন কৰি গো-মাফিয়াই অব্যাহত ৰাখিছে গৰুৰ চোৰাং সৰবৰাহ। আজি পুৱতি নিশা বাণিজ্যিক চহৰ তিনিচুকীয়াৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত টহলদাৰী আৰক্ষীৰ দলে তিনিচুকীয়াৰ পৰা ডিব্ৰুগড় *দুই পৃষ্ঠাত চাওক*

■ মোৰ কাৰণে ল'ৰাৰ কাম আৰু ছোৱালীৰ কামৰ মাজত কোনো পাৰ্থক্য নাছিল ঃ মেৰী কম

## লক্ষ্য স্থিৰ হ'লেহে সফলতা অৰ্জন কৰিব পাৰি

■ ৰাতুল গোহাঁই

**ডিব্ৰুগড় ১২ ডিচেম্বৰ ঃ** লক্ষ্য, একাগ্ৰতা, নিষ্ঠা যদি অটুট থাকে, তেন্তে কঠোৰ সাধনাৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাত একোৱেই বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে। বক্সিঙত ছবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰা মেৰী কমে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫২ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয়। নাহৰৰ দেশলৈ মেৰী কমৰ আগমনক কেন্দ্ৰ কৰি আজি বিশ্ববিদ্যালয় চৌহদত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট ক্ৰীড়াবিদ, পদ্মবিভূষণ, ছবাৰৰ বিশ্ব চেম্পিয়ন, *১০ পৃষ্ঠাত চাওক*



*ছোৱালী হোৱা বাবে নিজকে দুৰ্বল বুলি হীনমন্যতাত ভুগিব নালাগে ঃ ডিব্ৰুগড়ত ক'লে আন্তৰ্জাতিক খ্যাতিসম্পন্ন বক্সাৰ মেৰী কমে।*

■ প্ৰশান্ত মহাসাগৰৰ চাৰিশ কিলোমিটাৰ দূৰত্বৰ পৰা কোবাল গতিত আহিল কালধুমুহা

## ৩০টা বিধ্বংসী টৰ্ণেডি'ত তছনছ ছখন ৰাজ্য



শতাধিকৰ মৃত্যু ■ গৃহ সামগ্ৰী উৰি গ'ল ডেৰশ মাইল দূৰলৈ

■ নিউজ ব্যুৰ'

**নিউ য়ৰ্ক, ১২ ডিচেম্বৰ ঃ** ইটোৰ পাছত সিটোকৈ জাক পাতি অহা টৰ্ণেডি'ৰ তাণ্ডৱত লণ্ডভণ্ড হ'ল আমেৰিকাৰ এক বৃহৎ অংশ। কোবাল গতিৰে অহা এই কালধুমুহাই শুকুৰবাৰে নিশা দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰি আমেৰিকাৰ ছখন ৰাজ্যৰ অধিকাংশ অঞ্চল ধ্বংসস্তূপত পৰিণত কৰাৰ লগতে *১০ পৃষ্ঠাত চাওক*



## কাজিৰঙাৰ দাঁতি কাষৰীয়া ডলামৰাত দুটা বন্যহস্তীক বিষ দি হত্যা

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১২ ডিচেম্বৰ ঃ** ৰাজ্যত হস্তী-মানৱৰ সংঘাতৰ ঘটনাই সঘনাই সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি অহাৰ মাজতে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণে দুটাকৈ বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ হয়। খাদ্যত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১২° |
| দিল্লী | ২১° | ০৯° |
| কলকাতা | ২৬° | ১৬° |
| মুম্বাই | ৩৩° | ২৪° |
| চেন্নাই | ৩১° | ২৬° |
| বাংগালুৰু | ২৬° | ১৮° |
| শ্বিলং | ১৬° | ০৬° |

*১২ ডিচেম্বৰ, ২০২১*






# দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৩ ডিচেম্বৰ, ২০২১ সোমবাৰ পৃষ্ঠা তিনি


## সমাজত অন্যান্য পিছপৰা শ্ৰেণী থাকিব লগা হোৱাটো দুৰ্ভাগ্যজনক

**ৰাজ্যিক বিজেপিৰ অ' বি চি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন**

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ১২ ডিচেম্বৰ ঃ** স্বাধীনতাৰ সাতটা দশকৰ পাছতো সমাজত অন্যান্য পিছপৰা শ্ৰেণী থাকিব লগা হোৱাটো ৰাষ্ট্ৰৰ বাবে অত্যন্ত দুৰ্ভাগ্যজনক। এই লোকসকলৰ আৰ্থ সামাজিক উন্নতি অবিহনে ভাৰতবৰ্ষ কেতিয়াও বিশ্বগুৰু হ'ব নোৱাৰে। কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় *ছয় পৃষ্ঠাত চাওক*



সোঁতৰ বিপৰীতে

**নাৰ্ছৰ কাণ্ডজ্ঞানহীনতাত পুনৰ চিকিৎসাধীন হ'ল অসুস্থ প্ৰসূতি ■ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী পৰিয়ালৰ**

## প্ৰসূতিৰ চিলাই কটাক কেন্দ্ৰ কৰি গোৱালপাৰা চিকিৎসালয়ত উত্তেজনা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ ডিচেম্বৰ ঃ** এগৰাকী কৰ্তব্যৰত নাৰ্ছৰ কাণ্ডজ্ঞানহীনতাৰ বাবে আজি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসালয়ৰ পৰা মুকলি কৰাৰ পূৰ্বে এগৰাকী প্ৰসূতিৰ অস্ত্ৰোপচাৰ কৰা স্থানৰ চিলাই কটাক কেন্দ্ৰ কৰিয়ে এই অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। আনকি প্ৰসূতিগৰাকী অসুস্থ হৈ পৰাৰ বাবে ততাতৈয়াকৈ তেওঁক পুনৰ চিকিৎসাধীন কৰিবলগীয়া হয়। অভিযোগ অনুসৰি, মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত কাৰিপাৰা গাঁৱৰ নিবাসী ভৰেন চন্দ্ৰ নাথৰ পত্নী ধৰিত্ৰী নাথক সন্তান প্ৰসৱৰ বাবে যোৱা ন ডিচেম্বৰৰ পৰা সাত বজাত অসামৰিক চিকিৎসালয়খনত ভৰ্তি কৰোৱা হয়। চিকিৎসকৰ পৰামৰ্শ অনুসৰি চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ তিনি ঘণ্টাৰ পাছতে প্ৰসূতিগৰাকীৰ চিজাৰিয়ান কৰা হয় আৰু তেওঁ এটি পুত্ৰ সন্তান জন্ম দিয়ে। চিকিৎসালয়ৰ নিয়ম অনুসৰি আজি পুৱা চিকিৎসকে পৰীক্ষা কৰাৰ পাছতে প্ৰসূতিগৰাকীক চিকিৎসালয়ৰ পৰা বিদায় লোৱাৰ অনুমতি দিয়ে। ইপিনে, চিকিৎসালয়ৰ পৰা বিদায় লোৱাৰ প্ৰাক্‌ক্ষণত এগৰাকী কৰ্তব্যৰত নাৰ্ছে প্ৰসূতিগৰাকীৰ পেটৰ চিলাইসমূহ কাটি দিয়ে। ফলত লগে লগে প্ৰসূতিগৰাকী অসুস্থ হৈ পৰাত স্বামীয়ে শংকিত হৈ ততালিকে চিকিৎসকক খবৰ দিয়ে। দায়িত্বৰত চিকিৎসকে *ছয় পৃষ্ঠাত চাওক*

## বিশ্বনাথৰ ৰেচম বিভাগৰ মুগা খেতিৰ ফাৰ্মত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১২ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ ৰেলগেটৰ সমীপত লুমিনেৰী জুনিয়ৰ কলেজৰ সমীপত সংঘটিত হৈছে অগ্নিকাণ্ডৰ ঘটনা। দুস্কৃতিকাৰীয়ে মুগা খেতিৰ ফাৰ্মত এই অগ্নিকাণ্ড সংঘটিত কৰা বুলি সন্দেহ কৰিছে স্থানীয় লোকে। আজি দিনৰ ১২ মান বজাত বিশ্বনাথৰ ৰেলগেটৰ সমীপৰ এই মুগা খেতিৰ ফাৰ্মত স্থানীয় লোকে ধোঁৱা ওলাই থকা প্ৰত্যক্ষ কৰে। তাৰ পাছতে স্থানীয় ৰাইজে মুগা খেতিত দাও দাওকৈ জুই জ্বলি থকা প্ৰত্যক্ষ কৰে। লগে লগে স্থানীয় লোকে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। অগ্নিনিৰ্বাপক বাহিনীৰ লোক কিছু সময়ৰ পাছতে আহি এই অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয় যদিও বহু পৰিমাণৰ মুগা খেতি জ্বলি ছাই হৈ যায়। এই মুগা খেতি অসম চৰকাৰৰ ৰেচম বিভাগৰ আছিল। মুগা খেতিত কিছু ধান খেৰ জমা হৈ আছিল আৰু এই ধান খেৰৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে বুলি সন্দেহ কৰিছে ৰাইজে। স্থানীয় লোকৰ অভিযোগ *ছয় পৃষ্ঠাত চাওক*

**■ টোলগেটত নিশা হ'লেই ৰূপ সলনি হয় কৰ্মচাৰীৰ ■ টোল সংগ্ৰহৰ নামত অযথা সংঘাতত লিপ্ত হয়**

# ৰহা টোলগেটত আৰক্ষীৰ পোছাক পিন্ধি টোল সংগ্ৰহ

বিশেষ সংবাদদাতা

**নগাঁও, ১২ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে নগাঁও জিলাৰ ৰহাৰ সৰাগাঁও, হোজাই জিলাৰ ডবকাৰ মিকিৰআটি আৰু কামৰূপ জিলাৰ নাজিৰাখাটত তিনিখন টোলগেট স্থাপন কৰি ৰাইজক মাধমাৰ শোধোৱাৰ অভিযোগ উঠিছে। টোলগেটত অত্যধিক কৰ সংগ্ৰহৰো অভিযোগ আছে। অসম্পূৰ্ণ আৰু বিধ্বস্ত ৰাষ্ট্ৰীয় ঘাইপথেৰেই ৰাইজে নগাঁৱৰ পৰা গুৱাহাটীলৈ বিপদ সংকুল যাত্ৰা পথত দুখন টোলগেটত আৰু হোজাই জিলাৰ পৰা গুৱাহাটীলৈ যাওতে তিনিখন টোলগেটত বৃহৎ পৰিমাণৰ টোল আদায় দিব লাগে। ইয়াৰ মাজতে এই টোলগেটসমূহত নিয়োজিত একাংশ কৰ্মচাৰীৰ



উদ্ভগুলিৰ বাবেও বহু সময়ত ৰাইজে জীয়াতু ভুগিব লগা হয়। বিশেষকৈ নিশা হ'লেই টোলগেটৰ একাংশ কৰ্মচাৰীৰ আচৰণ সলনি হয়। চৰকাৰী সকলো নীতি-নিৰ্দেশনা ভৰিৰে মোহাৰি এনে একাংশ কৰ্মচাৰীয়ে নিশাৰ ভাগত যানবাহনৰ পৰা বলপূৰ্বক অত্যধিক কৰ বিচৰা আৰু আদায় দিবলৈ অসন্মত হ'লে গাড়ীৰ গৰাকী, চালকৰ স'তে সংঘাতত লিপ্ত হয়। আনকি ভয়-ভাবুকি প্ৰদান, মাৰপিট কৰা অনেক ঘটনা টোলগেটসমূহত সংঘটিত হয়। জিলা তিনিখনৰ টোলগেটৰ কৰ্মচাৰীৰ বিৰুদ্ধে অনেক অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে নগাঁও জিলাৰ ৰহাৰ সৰাগাঁৱৰ টোলগেটত এজন কৰ্মচাৰীয়ে *ছয় পৃষ্ঠাত চাওক*

## ওদালগুৰিৰ স্বপনগাঁৱত ৰাজপথত দাওদাওকৈ জ্বলিল বাহন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১২ ডিচেম্বৰ ঃ** আজি আবেলি ওদালগুৰিৰ স্বপনগাঁৱত সংঘটিত হয় এক অঘটন। ৰাজপথৰ মাজতে দাওদাওকৈ জ্বলি উঠে এখন মাৰুতি ৮০০ বাহন। আবেলি ৫-৪৫ বজাত ওদালগুৰি জিলাৰ কাহিবাৰী ভৈৰৱকুণ্ড পথৰ স্বপনগাঁৱত কাহিবাৰী অভিমুখী এ এছ-১৩ জি- ৩২৬৫ নম্বৰৰ বাহনখন হঠাৎ জ্বলি উঠে। পাছত উক্ত ঘটনা সন্দৰ্ভত ওদালগুৰি অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰে। অগ্নিকাণ্ডৰ *ছয় পৃষ্ঠাত চাওক*



*পীতবৰ্ণ সৰিয়হ ফুলেৰে মনোমোহা দৃশ্যৰ সৃষ্টি কৰিছে আঘোণৰ পথাৰ, চামগুৰিত দেওবাৰে।*

## 'কা' আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি বৰহোলা আছুৰ

বিশেষ সংবাদদাতা

**নগাবাট, ১২ ডিচেম্বৰ ঃ** 'কা' আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি আৰু আহতসকলৰ আশু আৰোগ্য কামনাৰে বৰহোলা চাৰিআলিৰ মাজমজিয়াত আজি বন্তি প্ৰজ্বলন কৰে বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাই। বন্তি প্ৰজ্বলন কৰি বৰহোলা আছুৰ সভাপতি ভাস্কৰ জ্যোতি নেওগ, সম্পাদক প্ৰদীপ বৰুৱাই কয় যে 'কা' আন্দোলনৰ ছহিদৰ ত্যাগ অথলে যাবলৈ দিয়া নহ'ব। খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা 'কা' বিজেপি চৰকাৰে বাতিল কৰিবই লাগিব। বিদেশীক ৰক্ষণা-বেক্ষণ দিয়া, সাম্প্ৰদায়িক, অসাংবিধানিক 'কা' বাতিল হ'বই লাগিব। অসমৰ খিলঞ্জীয়া মানুহে 'কা' নামানে, নামানে। *ছয় পৃষ্ঠাত চাওক*

## তেজপুৰত সুৰাবিৰোধী অভিযানৰ নতৃত্ব দিয়া স্বৰ্ণপ্ৰভা শইকীয়াক স্মৰণ



অগ্ৰদূত বাৰ্তা,

**তেজপুৰ, ১২ ডিচেম্বৰ ঃ** তেজপুৰৰ বাঁহবাৰীৰ ভিতৰুৱা অঞ্চলৰ নাৰীসকলৰ উন্নয়ন তথা অঞ্চলটোত সুৰা বিৰোধী অভিযানৰ গুৰিধৰোতা প্ৰয়াত স্বৰ্ণ প্ৰভা শইকীয়াৰ এখন সোঁৱৰণী গ্ৰন্থ আজি তেজপুৰৰ অসমীয়া ক্লাবৰ বালিৰাম লহকৰ সভাকক্ষত উন্মোচন কৰা হয়। উল্লেখ্য যে তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ উদ্যোগত প্ৰকাশিত গ্ৰন্থখনৰ লগতে সংস্থাটোৰ দ্বাৰা প্ৰকাশিত কাব্যালোচনী প্ৰয়াসৰ অষ্টাদশৰ দ্বিতীয় সংখ্যাটোও উন্মোচন কৰা হয়। পুৱা ১০-৩০ বজাত অনুষ্ঠিত এই উন্মোচনী অনুষ্ঠানত স্বৰ্ণ প্ৰভা শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰে সভাৰ আৰম্ভণি কৰে তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ সভাপতি তথা কবি ৰাজু বৰুৱাৰ লগতে নাট্যকাৰ তথা প্ৰয়াত শইকীয়াৰ বৰজোঁৱাই তৰুণ শইকীয়াৰ লগতে প্ৰয়াত শইকীয়াৰ পুত্ৰ সাংবাদিক মনোজ কুমাৰ শইকীয়াই। সভাখন ৰাজু বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ সম্পাদক মানস প্ৰতীম শৰ্মাই আঁতধৰা সভাখনত কাব্যালোচনী প্ৰয়াস উন্মোচন কৰি কবি খনীন নাথে কয় যে কবিতাই প্ৰেৰণা যোগায়। *ছয় পৃষ্ঠাত চাওক*

## পলাশবাৰীত বন্যহস্তীৰ আক্ৰমণত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা


**পলাশবাৰী, ১২ ডিচেম্বৰ ঃ** বন্যহস্তী খেদিবলৈ যোৱা বনৰক্ষীৰ গুলিত বকোত শিশু নিহত হোৱাৰ ঘটনাৰ উত্তেজনা অব্যাহত থকাৰ সময়তে পলাশবাৰীত হাতীৰ আক্ৰমণত আজি এজন লোকে প্ৰাণ হেৰুৱালে। আজি পুৱা পলাশবাৰী তিনিআলিৰ উত্তৰপাৰাত এই ঘটনা সংঘটিত হয়। নিহত লোকজন হৈছে মাজকুছি গাঁৱৰ ভাৰত দাস (৩৪)। স্থানীয় লোকে জনোৱা মতে, দাসে আজি পুৱা মিস্ত্ৰিৰ কাম কৰাৰ বাবে ঘৰৰ পৰা উক্ত পথেৰে আহিছিল। সেই সময়তে খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বন্যহস্তীৰ জাক এটাই তেওঁক অতৰ্কিতে আক্ৰমণ কৰে। ফলত লোকজন থিতাতে নিহত হয়। স্থানীয় লোকে *ছয় পৃষ্ঠাত চাওক*

**প্ৰাগ্‌ঐতিহাসিক যুগৰ জীৱাশ্মৰে সজাইছে ড° অচিন্ত্য দাসে**

## তেজপুৰৰ এক শিৱমন্দিৰক যাদুঘৰৰ ৰূপ দিলে স্থানীয় ভূ-বিজ্ঞানীয়ে

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১২ ডিচেম্বৰ ঃ** তেজপুৰৰ এটা শিৱ মন্দিৰত সংস্থাপন হৈছে প্ৰাগ্‌ঐতিহাসিক যুগৰ ডাইন'ছ'ৰৰ অস্থি। আমেৰিকাৰ নেছাৰেল হিষ্ট'ৰী যাদুঘৰৰ পৰা সংগ্ৰহ কৰি অনা প্ৰাগ্‌ঐতিহাসিক যুগৰ গছৰ জীৱাস্মও সংৰক্ষিত হৈছে এই মন্দিৰত। ইয়াৰ সমান্তৰালকৈ ৬৫নিযুত বছৰৰ পূৰ্বৰ লগতে ৫৫০নিযুত বছৰ পুৰণি কিছু সামগ্ৰীও বিশ্বৰ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰি আনি ইয়াত সংৰক্ষণ কৰি এই মন্দিৰক এক বিশেষ ৰূপত আকৰ্ষণীয় কৰি তুলিছে এজন ভূ-বিজ্ঞানীয়ে। তেজপুৰৰ নিকটৱৰ্তী নপাম তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ সমীপতে থকা এটা





শিৱ মন্দিৰক এইদৰে এক বিশেষ ৰূপ প্ৰদান কৰিছে জ্যেষ্ঠ ভূ-বিজ্ঞানী ড° অচিন্ত্য কুমাৰ দাসে। মালয়েছিয়াৰ কেডিলিয়ন নামৰ এক আন্তৰ্জাতিক কোম্পানীৰ সঞ্চালক তথা জ্যেষ্ঠ ভূ-বিজ্ঞানী ড° দাসে স্থানীয় লোকৰ সহযোগত ২০২১ৰ ফেব্ৰুৱাৰীত নপামৰ এই শিৱ মন্দিৰটো নতুন ৰূপত সজাই তোলে। কোনাৰ্কৰ সূৰ্য মন্দিৰৰ আৰ্হিত এই মন্দিৰটোৰ লগত নিৰ্মাণ কৰা আছে চকা। উল্লেখ্য যে ১৯৫৪ত স্থাপিত হৈছিল নপামৰ এই শ্ৰীশ্ৰী শিৱ মন্দিৰটো। কৰ্মসূত্ৰে বিভিন্ন দেশলৈ সঘনাই অহা-যোৱা কৰা বিজ্ঞানী ড° দাসে আমেৰিকাৰ ব'ষ্টনস্থিত বিখ্যাত নেছাৰেল হিষ্ট'ৰী মিউজিয়ামৰ পৰা সংগ্ৰহ কৰি অনা ৬৫-১৯০ নিযুত বৰ্ষৰ পূৰ্বৰ মোছেজইক যুগৰ অতিকায় ডাইন'ছ'ৰৰ অস্থিৰ এক অংশৰ *ছয় পৃষ্ঠাত চাওক*

**এখন গাঁৱৰ পূৰ্ণতা বহন কৰি থাকে নামঘৰে ঃ দেৱগোস্বামী**

## ঐতিহাসিক জাগী বৰচকী নামঘৰৰ শতবৰ্ষ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১২ ডিচেম্বৰ ঃ** 'এখন গাঁৱক শৃংখলাৰে ধৰি ৰাখে নামঘৰে। যি গৃহত বহি আমি নিজৰ লগতে সমাজৰ মংগল কামনা কৰো সেয়াই নামঘৰ। এখন গাঁৱৰ পূৰ্ণতা বহন কৰি থাকে নামঘৰে। এক কথাত গাঁৱৰ পৰামাত্মা বুলিব পাৰি এই নামঘৰক।' এই বক্তব্য দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীৰ। মৰিগাঁও জিলাৰ ঐতিহাসিক জাগী বৰচকী নামঘৰৰ শতবৰ্ষ উদ্‌যাপনৰ মুকলি সভা *ছয় পৃষ্ঠাত চাওক*

**টিহুৰ ষাঠিকুছিত জয়হৰি পিতাৰ থান অধিকৰ্তা শৰৎ বৰ্মনক 'ভকতি প্ৰদীপ ৰত্ন' উপাধি প্ৰদান**

## আধ্যাত্মিক অনুষ্ঠানৰ মাজেৰে একোটা অঞ্চলক পৰ্যটনস্থলীৰূপে গঢ়িব পাৰি ঃ ভট্টাচাৰ্য



অগ্ৰদূত বাৰ্তা

**টিহু, ১২ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ টিহুৰ ষাঠিকুছিত অৱস্থিত 'শ্ৰীশ্ৰীজয়হৰি পিতাৰ থান'ৰ থান অধিকৰ্তা শৰৎ বৰ্মনক দীৰ্ঘদিন ধৰি থানখনত এক আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰি সেৱা আগবঢ়াই থকা বাবে আজি শান্তি সাধনা আশ্ৰম গুৱাহাটী, টিহু আঞ্চলিক উন্নয়ন সমিতি, টিহু সাহিত্য সভা, সচেতন নাগৰিক মঞ্চ অসম, সদৌ অসম দেৱ দামোদৰ সংঘ আদি ১০ টা অনুষ্ঠান-সংগঠনৰ উদ্যোগত 'ভকতি প্ৰদীপ ৰত্ন' উপাধি প্ৰদানৰ লগতে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে থান পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে প্ৰাক্তন ছাত্ৰ নেতা, অৱসৰী শিক্ষক-সমাজকৰ্মী *ছয় পৃষ্ঠাত চাওক*

## শালবাৰীত ইউপিপিএলৰ জিলা ভিত্তিক কৰ্মীসভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১২ ডিচেম্বৰ ঃ** ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ উদ্যোগত শালবাৰীৰ ৰামচাৰটাৰী ভিচিডিচি কাৰ্যালয় প্ৰাংগণত আজি অনুষ্ঠিত হয় জিলা ভিত্তিক কৰ্মীসভা। ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মীসভাত দলীয় সাংগঠনিক দিশ শক্তিশালীকৰণত অতিথিৰূপে বক্তৃতা প্ৰদান কৰে ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক স্বপন কুমাৰ দাস আৰু দলটোৰ মহিলা কোষৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদিকা বিউটি বসুমতাৰীয়ে। ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ উপ-সভাপতি সুৰেশ সৰকাৰে *ছয় পৃষ্ঠাত চাওক*

**■ শুকাই গৈছে কলহী নদী ■ কুলচীৰ দোমুখাত অসম অনুসূচিত জাতি উন্নয়ন নিগমৰ অধ্যক্ষ**

## দক্ষিণ-পূব এছিয়াৰ ভিতৰতে অদ্বিতীয় ৰিভাৰ ডলফিনৰ প্ৰতি ভাবুকি

**ছয়গাঁও, ১২ ডিচেম্বৰ ঃ** দক্ষিণ-পূব এছিয়াৰ ভিতৰতে অদ্বিতীয় ৰিভাৰ ডলফিনৰ বাবে বিখ্যাত কুকুৰমাৰাৰ কলহী নদী শুকাই যোৱাৰ খবৰ জানিব পাৰি আজি অসম অনুসূচিত জাতি উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত কুমাৰ দাস কুকুৰমাৰা গাঁৱত উপস্থিত হয়। মাছ মাৰি কলহী নদীৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকা অঞ্চলটোৰ প্ৰায় ১০ সহস্ৰাধিক ৰাইজৰ অৱস্থা বিপদাপন্ন বুলি জানিব পাৰি কুলচীৰ দোমুখাত কুকুৰমাৰা আৰু তিনি নম্বৰ আমত'লা গাঁৱৰ অনুসূচিত জাতিৰ এটা বৃহৎ সঁজাতী দলে অধ্যক্ষ দাসক সংগ দিয়ে। উল্লেখ্য যে কলহী নদী শুকাই যোৱাৰ ফলত এই অঞ্চলৰ মাছ-কাছ, গৰু-ছাগলী তথা কৃষিজীৱী লোকৰ প্ৰতিও সংকট নামি অহাত হাহাকাৰ সৃষ্টি হৈছে। বিশেষকৈ কলহী নদীত পানী শুকাই যোৱাত দক্ষিণ-পূব এছিয়াৰ ভিতৰতে অদ্বিতীয় ৰিভাৰ ডলফিনৰ প্ৰতি ভয়াৱহ বিপদ নামি অহাৰ খবৰ জানিব পাৰি দাসে শীঘ্ৰে অসমৰ বন মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ লগত বিষয়টো আলোচনা কৰি সমাধানৰ আশ্বাস দিয়ে। নদীখন চাই দুখ প্ৰকাশ কৰি দাসে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত আলোচনা কৰি অনুসূচিত জাতিৰ এই মানুহখিনিৰ উপকাৰৰ বাবে যিকোনো ত্যাগ কৰি হ'লেও চেষ্টা অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। *ছয় পৃষ্ঠাত চাওক*

## কাকপথাৰ ডিৰাক গেটত পথ দুৰ্ঘটনাত নিহত দুই

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১২ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ ডিৰাক গেটত যোৱা নিশা এজন মদ্যপায়ী চালকৰ বাবেই সংঘটিত এক পথ দুৰ্ঘটনাত দুজনকৈ লোকৰ মৃত্যু হয়। ডিৰাক গেটত ৰখাই থোৱা এ এছ-২৩ বি চি-৭৩৭১ নম্বৰৰ ডাম্পাৰখনত এ এছ-২৩ চি চি-৩৯৬৩ নম্বৰৰ বলেৰ' পিকআপখনে তীব্ৰ বেগত খুন্দা মৰাৰ লগতে এজন চাইকেল আৰোহীকো *ছয় পৃষ্ঠাত চাওক*

**১১খনকৈ গ্ৰন্থ উন্মোচন**

## নগাঁৱত অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশনত নতুন পেঞ্চন নীতিৰ বিৰুদ্ধে সৰৱ

বিশেষ সংবাদদাতা

**নগাঁও, ১২ ডিচেম্বৰ ঃ** কালিৰে পৰা নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ৬৬সংখ্যক অধিৱেশনৰ আজি দ্বিতীয় দিনা পতাকা উত্তোলনৰে মূল কাৰ্যসূচী আৰম্ভ হয়। পুৱা পতাকা উত্তোলন কৰে সংস্থাৰ সভাপতি বিশ্বজিৎ ভূঞাই। তদুপৰি ২০খন মহাবিদ্যালয়ৰ অধ্যক্ষই ২০ খন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে সংস্থাৰ সাধাৰণ সম্পাদক হিমাংশু মৰলে। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ প্ৰতি- মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সংস্থাৰ নগাঁও মৰিগাঁও সংমণ্ডলৰ সভাপতি দলিল উদ্দিনে। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত সংস্থাৰ সভাপতি বিশ্বজিৎ ভূঞাৰ সভাপতিত্বত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সংস্থাৰ সাধাৰণ সম্পাদক হিমাংশু মৰলে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কে'বাজনো মহাবিদ্যালয়ৰ শিক্ষকে ৰচনা *ছয় পৃষ্ঠাত চাওক*

## শালবাৰীত কোচ ৰাজবংশী 'ডি' ভোটাৰৰ জাননী



**■ জাননীৰ বিৰুদ্ধে নিমুৱাত সৰৱ প্ৰতিবাদ ৰাইজৰ ■ সপ্তাহজোৱা অসম বন্ধৰ হুংকাৰ কোচ ৰাজবংশী জাতীয় পৰিষদৰ**

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১২ ডিচেম্বৰ ঃ** অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ কোচ ৰাজবংশীসকলক চৰকাৰে 'ডি' ভোটাৰ সজাই জাননী জাৰি কৰাৰ বিৰুদ্ধে আৰু 'ডি' ভোটাৰ কৰ্তনৰ লগতে কোচ ৰাজবংশীসকলক জনজাতিকৰণ কৰি কমতাপুৰ নামেৰে পৃথক ৰাজ্য গঠন কৰি দিয়াৰ দাবীৰে আজি বাগ্‌সাৰ শালবাৰীৰ নিমুৱাত কোচ ৰাজবংশী জাতীয় পৰিষদৰ নেতৃত্বত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। কোচ ৰাজবংশী ৰাইজে বিভিন্ন শ্ল'গান দিয়ে। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি কোচ ৰাজবংশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে কয়, 'সৰভোগ বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা বাগ্‌সাৰ নিমুৱা, কালপানী অঞ্চলৰ বহুকেইগৰাকী লোকক চৰকাৰে বিদেশী সজাই *ছয় পৃষ্ঠাত চাওক*




দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ২৬ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৩ ডিচেম্বৰ ২০২১



# গণতন্ত্ৰ শীৰ্ষ সন্মিলন

**সমগ্ৰ** বিশ্বতেই গণতন্ত্ৰক সবল কৰাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ উদ্যোগত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত হৈছিল এই বিশ্ব শীৰ্ষ সন্মিলন। বিশ্বৰ বিভিন্ন প্ৰান্তত যেতিয়া স্বৈৰাচাৰী তথা একনায়কত্ববাদী শাসনে গা কৰি উঠিছে সেই সময়ত গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে লোৱা পদক্ষেপ আদৰণীয়।

বাইডেনে কৈছে যে গণতন্ত্ৰ হঠাৎ দুৰ্ঘটনাৰ বাবে নাহে, গণতন্ত্ৰ জনসাধাৰণৰ এক শক্তিশালী প্ৰচেষ্টাৰ জৰিয়তেহে স্থাপন কৰিব পাৰি। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কৈছে যে বিশ্বৰ বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণৰ গণতান্ত্ৰিক উন্নয়ন সাধন হৈছে। গতিকে প্ৰত্যেকৰে পৰা শিক্ষা লোৱা উচিত। তেওঁ আৰু কৈছে যে গণতন্ত্ৰত সকলোকে অন্তৰ্ভুক্ত কৰা, স্বচ্ছতা, মানৱীয় মূল্যবোধ, জনসাধাৰণৰ অসন্তোষ আঁতৰ কৰাৰ বাবে সঁহাৰিমূলক ব্যৱস্থা তথা ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে গণতন্ত্ৰৰ সবলীকৰণৰ বাবে অহৰহ প্ৰচেষ্টা চলোৱা উচিত। ভাৰতৰ গণতন্ত্ৰৰ ইতিহাস দুহেজাৰ বছৰীয়া পুৰণি বুলি উল্লেখ কৰি তেওঁ কয় যে এই দেশত বৈদিক আৰু বৌদ্ধ কালৰে পৰা গণতন্ত্ৰই ৰূপ প্ৰকাশ কৰি আহিছে।

এই সন্মিলনতেই গুৰুত্বপূৰ্ণভাৱে প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে ক্ৰাইপ্টোকাৰেন্সি আৰু ছ'চিয়েল মিডিয়া আদিৰ দৰে প্ৰযুক্তিসমূহৰ বাবে গোলকীয় নিয়ন্ত্ৰণ বিধি সকলো ৰাষ্ট্ৰই মিলি প্ৰস্তুত কৰা উচিত।

এই শীৰ্ষ সন্মিলনত গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেনে গণতান্ত্ৰিক পুনৰ নবীকৰণ আঁচনি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত ৪২৪.৪ নিযুত মাৰ্কিন ডলাৰ মুক্ত সাংবাদিকতাক উৎসাহ দিয়া, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজিবলৈ, গণতান্ত্ৰিক সংস্কাৰ শক্তিশালী কৰিবলৈ, প্ৰযুক্তি বিদ্যাক গণতন্ত্ৰত শক্তিশালীকৰণৰ বাবে ব্যৱহাৰ কৰিবলৈ আৰু মুক্ত আৰু নিকা নিৰ্বাচনক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে ব্যয় কৰা হ'ব বুলি মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে শীৰ্ষ সন্মিলনত ঘোষণা কৰিছে। মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বত গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে অনুষ্ঠিত কৰা এই শীৰ্ষ সন্মিলনৰ সময়তেই চীনে দাবী কৰিছে যে বিশ্বৰ বৃহত্তম গণতন্ত্ৰ হ'ল চীনদেশ। ভাৰতেও ইমানদিনে ভাৰতবৰ্ষক বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ বুলি কৈ আছে। বিশ্বৰ আৰু কেতবোৰ দেশে নিজকে গণতান্ত্ৰিক দেশ বুলি দাবী কৰি আহিছে; কিন্তু দেশ এখনে গণতান্ত্ৰিক বুলি দাবী কৰিলেই সেই দেশবোৰ গণতান্ত্ৰিক হৈ নাযায়। একদলীয় শাসনত চলা চীনক গণতান্ত্ৰিক দেশ বুলি কোৱাটো হাস্যকৰ। অলপতে চীনে গণতন্ত্ৰৰ ওপৰত এক শ্বেতপত্ৰ প্ৰকাশ কৰি নিজকে বিশ্বৰ বৃহত্তম গণতন্ত্ৰ বুলি দাবী কৰিছে। চীনে বাইডেনে অনুষ্ঠিত কৰা বিশ্ব গণতান্ত্ৰিক শীৰ্ষ সন্মিলনক সমালোচনা কৰি কৈছে যে আমেৰিকাৰ দৰে উদাৰ গণতান্ত্ৰিক দেশখনে গণতন্ত্ৰক মানৱৰ উমৈহতীয়া মূল্যবোধৰ সলনি এক ভৌগোলিক কৌশলগত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। চীনৰ ষ্টেট কাউন্সিল অথবা কেবিনেটে 'ডেম'ক্ৰেচী ডেট ৱৰ্কছ' প্ৰকাশ কৰা শ্বেতপত্ৰত কৈছে যে চীনে পশ্চিমীয়া দেশৰ গণতন্ত্ৰৰ আৰ্হিক অনুসৰণ নকৰে।

সি যি কি নহওক, ভাৰতবৰ্ষতো গণতন্ত্ৰ বৰ্তি থকা সত্ত্বেও সময়ে সময়ে মতপ্ৰকাশৰ অধিকাৰ, স্বচ্ছতা, মানৱাধিকাৰ আদি আক্ৰমণৰ সন্মুখীন হৈছে। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শাসকীয় শক্তিৰ আহিলাত পৰিণত কৰা হ'বলৈ ধৰিছে। বিশ্বৰ গণতন্ত্ৰ বুলি দাবী কৰা বহু দেশ যেনে ফিলিপাইন্স, তুৰ্কিস্তান, ব্ৰাজিল আদিত গণতন্ত্ৰক শক্তিশালী কৰাৰ সলনি দুৰ্বল কৰাৰ প্ৰচেষ্টাহে চলা দেখা যায়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে হাতত লোৱা এই উদ্যোগ গুৰুত্বপূৰ্ণ বুলি ক'ব লাগিব।

## খোলা মঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজ-পাৰ হেৰাই যাব নেকি?



**বাৰেবৰণীয়া** সংস্কৃতি আৰু বৈচিত্ৰ্যৰে অসমীয়া জাতি বৰ্তি আছে। নিজৰ কৃষ্টি-সংস্কৃতি, সাজপাৰ, ভাষাৰ ভেটি সুদৃঢ় নহ'লে কোনো জাতিয়ে উন্নত সমৃদ্ধি জাতি বুলি গৌৰৱ কৰিব নোৱাৰে। আদিম অৱস্থাত মানুহে লজ্জা নিবাৰণ কৰাৰ বাবে গছৰ বাকলি, পাত নতুবা বনৰীয়া জীৱ-জন্তুৰ ছালেৰে বিভিন্ন ধৰণে তৈয়াৰী পোছাক পৰিধান কৰিছিল। মানুহৰ ভাব প্ৰকাশৰ বাবে যেতিয়া ফুটি উঠিল ভাষা, তেতিয়াই ইজনে সিজনৰ লগত মনৰ ভাব বিনিময় কৰিব পৰা হ'ল। যি সময়ৰ পৰা মানুহে খাদ্য, বাসস্থানৰ বাবে চিন্তা কৰিবলৈ ধৰিলে সেই সময়ৰ পৰা মানুহৰ মনত লজ্জাবোধ, শালীনতাবোধ আদি বিবিধ অনুভূতিৰ জন্ম হ'ল। বিভিন্ন পৰিক্ৰমাৰ মাজেৰে ক্ৰমাগতভাৱে আজিৰ এই ৰূপ পাবলৈ আমি সক্ষম হৈছো।

প্ৰকৃততে মানুহে মানুহৰ প্ৰতি দেখুৱা সন্মানেই হ'ল সভ্যতা। জীৱনক জীৱনৰ ছন্দত চলিবলৈ দিয়াটোতেই জীৱনৰ আনন্দ। বহুত বিৱৰ্তন ঘটি আদিম মানৱৰ পৰা আজিৰ মানৱ সমাজ গঢ় লৈ সভ্যতাৰ উচ্চ শিখৰত থিয় দিছেহি। অসমীয়াৰ বুকুৰ আপোন জাতীয় চানেকি গামোচাখন আৰু সুকীয়া সাজপাৰে অসমীয়াৰ স্বাভিমান সমৃদ্ধ কৰাত অৰিহণা যোগাইছে। অসমীয়াৰ সাজপাৰ অতি মাৰ্জিত। ইয়াত গাম্ভীৰ্যতা ফুটি উঠে। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল--'অসমীয়া শিপিনীয়ে তাঁতৰ পাটত সপোন ৰচিব জানে।' অসমীয়া শিপিনীৰ হাতত যাদু আছে। অসমীয়া মহিলাই ছাঁতে শুকুৱা মুঠিতে লুকুওৱা বস্ত্ৰ তৈয়াৰ কৰাত পাকৈত। পাট, মুগা আৰু এৰী বস্ত্ৰ বিশ্বৰ দৰবাৰত আজি সমাদৃত হৈছে। তেনে ক্ষেত্ৰত বহুতেই থলুৱা সাজপাৰ পৰিধান কৰিবলৈ টান পায়।

**ৰেমিছা বেগম,** *লেখিকা*

সৰহ সংখ্যক শিক্ষিতা মহিলাই আধুনিকতা দেখুৱাবলৈ নিজৰ থলুৱা সাজপাৰ পৰিধান কৰিব-লৈ কুণ্ঠাবোধ কৰে। সংস্কৃতিৰ ক্ষেত্ৰতো দেখা যায় নিৰ্লজ্জ ভাব প্ৰদৰ্শন। সভ্যতাৰ ক্ষেত্ৰতো বৰ্বৰতাকে সৰহ সংখ্যকে আকোঁৱালি লয়। এচামে আধুনিকতা দেখুৱাবলৈ গৈ অৰ্ধনগ্ন হৈ কিছুমান অঘোষিত প্ৰতিযোগিতাত নামি পৰিছে। আধুনিকতাৰ নামত সিহঁতে উৎসৱ-পাৰ্বন আনকি বিহু মঞ্চতো অৰ্ধনগ্ন সাজ পোছাক পিন্ধি সমাজখনক বিপথে পৰিচালিত কৰা নাইনে? নামঘৰ, বিয়া, বিহু নতুবা যিকোনো সভা-সমিতিত জাতীয় পোছাক পৰিধান কৰিলে তাৰ গাম্ভীৰ্যটো বহু পৰিমাণে বাঢ়ি যায়।

সাম্প্ৰতিক সময়ত কেঁচা সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে আমাৰ শিপিনীসকলক হতাশ কৰিছে। শিপিনীয়ে অধিক মূল্যৰ বিনিময়ত কেঁচা সামগ্ৰী কিনি পৰিশ্ৰম অনুপাতে বস্ত্ৰৰ মূল্য নাপায়। ইফালে মেচিনত তৈয়াৰী ৰংচঙীয়া মেখেলা চাদৰ, চালানী গামোচাৰে বজাৰ ভৰি পৰে। গ্ৰাহকেও কম দামত সেইবোৰ কিনি পৰিধান কৰে। এই ক্ষেত্ৰতো কল্যাণকামী চৰকাৰে শিপিনীসকলক সকাহ দিয়াৰ নামত সুপৰিকল্পিত আঁচনি তৈয়াৰ কৰাটো সময়ৰ দাবী। আমি স্কুলত পঢ়ি থাকোতে ইউনিফৰ্মৰ নামত বোৱা মেখেলা চাদৰহে পৰিধান কৰিছিলো। আমাৰ শিক্ষয়িত্ৰীসকলেও মেখেলা চাদৰ পিন্ধিছিল। এতিয়া তাৰ ঠাই বিশেষভাৱে দখল কৰিলে চুৰিদাৰহে। ক'ৰবাত ক'ৰবাত ইউনিফৰ্মৰ নামত লংপেণ্ট-ছাৰ্ট। শেষত ক'ব বিচাৰো বাছ-বিচাৰ নকৰাকৈ সকলো ধৰণৰ পশিচমীয়া সংস্কৃতি-সাজপাৰ আকোঁৱালি ল'লে নিজৰ ভৰিত কুঠাৰ মৰাৰ দৰে হ'ব। ভাষটোৱে জাতিটোক জীয়াই ৰাখে। অসমীয়া ভাষা, সাজপাৰ, সংস্কৃতিৰ এটা নিজস্ব পৰিচয় আছে। সেই পৰিচয়ক জীয়াই ৰখাটো আমাৰ নৈতিক দায়িত্ব। আমি আমাৰ সাজপাৰ আন্তৰিকতাৰে পৰিধান কৰিলেহে আমাৰ সন্তান-সন্ততি তথা নৱ প্ৰজন্মই তাৰ প্ৰতি আকৰ্ষিত হ'ব আৰু থলুৱা সাজপাৰৰ মৰ্যাদা অক্ষুণ্ণ থাকিব।

# মুছলমানৰ প্ৰতি বিদ্বেষ, অত্যাচাৰে ইছলামিক সন্ত্ৰাস জন্ম দিব

## হিন্দুধৰ্ম দৃঢ় ৰক্ষণশীল প্ৰকৃতিৰ ধৰ্ম নহয়

**আমেৰিকাৰ** প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে কৈছিল, "ভাৰতবৰ্ষ এখন দেশ য'ত 200 নিযুত মুছলমান লোক থকা সত্ত্বেও এজনো অল-কায়দাৰ সভ্য নাই।" (India is a country which does not have a single al-Qaida member in a population of 200 million Muslims.) ভাৰতবৰ্ষ-বৈচিত্ৰ্যৰ বাসভূমি। ভাৰতবৰ্ষ বহুধৰ্মী। ভাৰতবৰ্ষ মিশ্ৰ আৰু বহুত্ববাদী। ভাৰতবৰ্ষ এটা প্ৰাচীন সভ্যতাৰো বাসভূমি। হেজাৰ হেজাৰ বছৰ ধৰি ভাৰতবৰ্ষৰ প্ৰাকৃতিক সম্পদ আৰু তুলনামূলকভাৱে সমৃদ্ধ অৰ্থনৈতিক অগ্ৰগতিয়ে বিদেশী আক্ৰমণকাৰীসকলক আকৃষ্ট কৰিছিল; কিন্তু এই বিদেশী আক্ৰমণৰ ক্ষেত্ৰতো ভাৰতবৰ্ষৰ ইতিহাস অনেকভাৱে স্বকীয়। যিসকলে এই দেশ আক্ৰমণ কৰিছিল সেইসকলৰ অনেকেই এই দেশখনকে নিজস্ব বাসভূমি কৰি লৈছে। বাহিৰৰ পৰা অহা এই আক্ৰমণকাৰীসকলৰ বৈশিষ্ট্য আৰু সংস্কৃতি ভাৰতীয় সভাত্যৰ লগত মিশ্ৰিত হৈ আত্মস্থ হৈ এক সুসংহত মিশ্ৰ সংস্কৃতিৰ জন্ম দিছে। বিশ্বকবি ৰবীন্দ্ৰ- নাথ ঠাকুৰৰ ভাষাত "শকহুণ দল পাঠান, মোগল —এক দেহে হলো লীন"। ভাৰতবৰ্ষ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ এটা উৎকৃষ্ট নিদৰ্শন; কিন্তু এই ঐক্য কোনো আৰোপিত অভিন্নতাৰ ভিত্তিত গঢ়ি উঠা নাই। জাতি-ভাষা-ধৰ্ম-বৰ্ণ-বিকাশ এই সকলো ক্ষেত্ৰতেই যে নিৰ্দিষ্ট পাৰ্থক্যবোৰ আছে সেইবোৰক স্বীকৃতি দিয়াৰ ভিত্তিতেই তৃণমূল পৰ্যায়ৰ পৰা জনসাধাৰণৰ স্বাভাৱিক ভাতৃত্বৰ মাজেৰেই এই ঐক্যৰ উপাদানসমূহ পুষ্ট হৈছে। সেয়ে ভাৰতবৰ্ষৰ মৰ্মস্থলত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ এই সুৰটো নিহিত হৈ আছে। স্বাধীনতা সংগ্ৰামৰ মাজত বহু জাতিতত্ত্বৰ এই ধাৰণাটো স্বীকৃত হৈছিল। সেয়েহে আমাৰ সংবিধানৰ সম্প্ৰসাৰিত অংগ হিচাপে '50ৰ দশকত ৰাজ্য পুনৰ্গঠন পৰিষদতো এই নীতিকেই গ্ৰহণ কৰা হৈছিল। ভাষাভিত্তিক ৰাজ্য গঠন - অকল ভাষাই নহয় - বহু জাতিতত্ত্বৰেই স্বীকৃতিৰ এই প্ৰক্ৰিয়া। সংবিধানত ঔপনিৱেশিক আন্তঃগাঁথনিটোক পৰিৱৰ্তন কৰি ভাষাভিত্তিক ৰাজ্য গঠনৰ ধাৰণাটো প্ৰতিষ্ঠিত কৰিছে। এই প্ৰক্ৰিয়াটো আচলতে স্বাধীনতা আন্দোলনৰ গৰ্ভত থকা 'বৈচিত্ৰ্যৰ মাজত ঐক্য'ৰ ধাৰণাটোৰ পৰাহে আহিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আৰ-এছ-এছে কেতিয়াও ভাষাভিত্তিক ৰাজ্য গঠনৰ ধাৰণাক সমৰ্থন কৰা নাই। ঐতিহাসিক দলিলবোৰৰ পৰা এইটো স্পষ্ট হয় যে তেওঁলোকে সকলো সময়তে বিচাৰিছে ভাৰতবৰ্ষৰ ৰাজ্যভিত্তিক আন্তঃগাঁথনিটো কেৱল মাত্ৰ প্ৰশাসনিক দৃষ্টিকোণৰ পৰা স্থাপিত হওক। কাৰণ তেওঁলোকে বহুজাতিক



ভাৰতীয় জাতিসত্তাত বিশ্বাস নকৰে তথা ইয়াৰ তীব্ৰ বিৰোধী। তেওঁলোকৰ বিশ্লেষণ হৈছে— ভাৰতবৰ্ষৰ জাতীয়তাবাদ হিন্দুধৰ্মৰ-ধৰ্মীয় বৈশিষ্ট্য অনুযায়ী গঢ়ি উঠক। অন্যথা ধৰ্মভিত্তিক এই জাতীয়তাবাদৰ ধাৰণাটো প্ৰতিষ্ঠিত কৰা নাযাব। সাংস্কৃতিক জাতীয়তাবাদৰ ধাৰণাটো তেওঁলোকৰ দৃষ্টিত হিন্দুধৰ্মৰ লগত সমাৰ্থক। ইয়াৰ জৰিয়তে যে অকল ভাৰতীয় সমাজৰ মিশ্ৰ আৰু বহুত্ববাদী চৰিত্ৰটোকো যে অস্বীকাৰ কৰা হৈছে, সেইটোৱেই নহয়, আনকি হিন্দুধৰ্মৰো যি বৈচিত্ৰ্যপূৰ্ণ বৈশিষ্ট্য আছে তাকো অস্বীকাৰ কৰা হৈছে। হিন্দুধৰ্ম দৃঢ় ৰক্ষণশীল প্ৰকৃতিৰ ধৰ্ম নহয়। কোনো মৌল ধাৰণাৰ ভিত্তিত হিন্দু ধৰ্মীয় বৈশিষ্ট্যতাক বৰ্ণনা কৰা নাযায়। একাধিক ধৰ্মীয় আৰু দাৰ্শনিক প্ৰৱণতাৰ সমাহাৰ হিন্দুধৰ্ম। সমাজ দৰ্শন আৰু ধৰ্ম তত্ত্বৰ গৱেষণাৰ পৰাই এইটো স্পষ্ট; কিন্তু আৰ এছ এছে হিন্দুধৰ্মৰ মাজত এই বহুত্ববাদিতাৰ বাস্তৱতাক স্বীকাৰ নকৰে। সেইবাবেই অসমত ভাষিক অসমীয়া জাতি জীয়াই থাকিব নে নাথাকে, তাক লৈ উদ্বেগ নাই আৰ এছ এছৰ তথা হিন্দুত্ববাদী ৰাজনৈতিক দল বিজেপিৰ। তেওঁলোকৰ মুখ্য লক্ষ্য হিন্দু জাতীয়তাবাদহে, অসমক সম্পূৰ্ণ হিন্দু ৰাজ্যত পৰিণত কৰিবলৈ অসমীয়া লোকৰ সংখ্যাগৰিষ্ঠতাৰ বিপৰীতে বাংলাভাষী লোক গৰিষ্ঠ অসম হ'লে হওক। সেই উদ্দেশ্যৰ লক্ষ্যৰে 'কা' আইন প্ৰৱৰ্তন কৰিছে। বাংলাভাষা, ৰাজ্যভাষা হ'লেও হওক। ভাষিক অসমীয়া জাতিক লৈ উদ্বেগ নাই তেওঁলোকৰ। ভাষিক অসমীয়া জাতি মৰিলে মৰক, কিন্তু হিন্দু জাতি জীয়াই থাকিব লাগিব। সেই বাবে অসমীয়া ভাষী আৰ এছ এছ বা অনেক বিজেপি নেতাবোৰৰ বিভিন্ন বিবৃতি, বক্তব্য, টিভিত সাক্ষ্য আদি দেখিলে অসমীয়া জাতীয় চেতনাসম্পন্ন লোকসকলৰ মূৰ-গা আচন্দ্ৰাই কৰাৰে কথা।

জৰ্জ বুশ্বে প্ৰায় পোন্ধৰ বছৰ আগতে ভাৰতৰ মুছলমান সম্বন্ধে দিয়া অভিমতৰ সময়ৰ পৰিৱেশ আজিও উপলব্ধ আছে নে নাই সেইটো এক ডাঙৰ প্ৰশ্ন। মানুহৰ কোনো এটা গোষ্ঠী বা সমষ্টিৰ ওপৰত অনবৰত আঘাত, অন্যায়, অবিচাৰ, বৈষম্য তথা বিভিন্ন ৰকমৰ অত্যাচাৰ চলালে সেই মানুহখিনি নিশ্চয় বিদ্ৰোহী হৈ পৰিব। এই সন্দৰ্ভত মোদী অৰ্থনীতিৰে উগ্ৰ সমৰ্থক বিখ্যাত অৰ্থনীতিবিদ স্বামীনাথন এছ অংক্লেচৰীয়া আয়াৰৰ 2017ৰ ন জুলাইত দ্য টাইমছ অৱ ইণ্ডিয়া কাকতত "Those who sow Hindu terror will reap Muslim terror"। (যিসকলে হিন্দু সন্ত্ৰাসবাদ ৰোপণ কৰে তেওঁলোকে মুছলিম সন্ত্ৰাসবাদ জন্ম দিব।) শিৰোনামাৰ এটা নিবন্ধ প্ৰকাশ পাইছিল। আয়াৰৰ নিবন্ধটোৰ শিৰোনামাৰ চিধা অৰ্থ হ'ল হিন্দু সন্ত্ৰাসবাদে মুছলিম সন্ত্ৰাসবাদৰ জন্ম দিব। জৰ্জ বুশ্বে পোন্ধৰ বছৰ আগতে ভাৰতৰ 20 কোটি মুছলমানৰ ভিতৰত আইছিছ, অল কায়দাৰ এজনো সভ্য দেখা নাছিল। ভাৰতৰ মুছলমান, হিন্দু, শিখ, খ্ৰীষ্টান, বৌদ্ধ আদি সকলো ধৰ্মৰ মানুহে সৌহাৰ্দ্যপূৰ্ণভাৱে বসবাস কৰিছিল। হিন্দু, মুছলমান উভয় ধৰ্মীয় লোকৰ মাজত মৌলবাদী আদৰ্শৰ লোক তথা সাম্প্ৰদায়িক শক্তি সক্ৰিয় থাকিলেও সামগ্ৰিকভাৱে বিভিন্ন ধৰ্মীয় লোকৰ মাজত সন্দেহ, উত্তেজনা, অবিশ্বাস, সংঘৰ্ষ আদি সৃষ্টি কৰিব পৰা নাছিল। আনকি 1992ত সংঘটিত হোৱা বাবৰি মছজিদ ধ্বংসৰ ঘটনা আৰু 2002ৰ গুজৰাটৰ সংঘৰ্ষয়ো গোষ্ঠী হিচাপে সমস্ত মুছলমানক বা সমস্ত হিন্দুক মেৰুকৰণৰ দিশত ঠেলি দিব পৰা নাছিল; কিন্তু যোৱা সাত বছৰে অৰ্থাৎ বিজেপিয়ে কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ গাদী দখল কৰা দিনৰে পৰা জৰ্জ বুশ্বে চাৰ্টিফিকেট দিয়া ভাতৰত পৰিস্থিতিৰ পৰিৱৰ্তন ঘটিল।

স্বামীনাথন আয়াৰে তেওঁৰ উক্ত



**দৃষ্টিপাত**

**অনন্ত কলিতা**

নিবন্ধটোত গো-ৰক্ষকসকলকো সন্ত্ৰাসবাদী বুলি আখ্যায়িত কৰিছে। তেওঁৰ নিবন্ধটোত এইদৰে কৈছে, "Prime Minister Modi and his party men was eloquent about the need to takle and end

**একাধিক ধৰ্মীয় আৰু দাৰ্শনিক প্ৰৱণতাৰ সমাহাৰ হিন্দুধৰ্ম। সমাজ দৰ্শন আৰু ধৰ্ম তত্ত্বৰ গৱেষণাৰ পৰাই এইটো স্পষ্ট; কিন্তু আৰ এছ এছে হিন্দুধৰ্মৰ মাজত এই বহুত্ববাদিতাৰ বাস্তৱতাক স্বীকাৰ নকৰে। সেইবাবেই অসমত ভাষিক অসমীয়া জাতি জীয়াই থাকিব নে নাথাকে, তাক লৈ উদ্বেগ নাই আৰ এছ এছৰ তথা হিন্দুত্ববাদী ৰাজনৈতিক দল বিজেপিৰ।**

terrorism. But what exactly is terrorism? The dictionary definition is 'the unlawful use of violence and intimidatin, especially against civilians, in the pursuit of political aims'.Going by this definiton, the lunch mobs that beat up and kill people suspected of carrying beef are terrorists. So too are Muslim lynch mobs killing policeman in Kashmir. All thse lynch mobs are unlawful, use violance against civilians, and religio-political goals. They fit definition 'terrorists' like a glove."

দেশত যোৱা সাত বছৰ ধৰি গো-ৰক্ষকসকলে কোবাই, খুন্দিয়াই, আফালিয়াই, মৰিয়াই, পিটন দি অনেক লোকক হত্যা কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সম্পূৰ্ণ নিমাত আছিল। বিজেপি শাসিত বিভিন্ন ৰাজ্য চৰকাৰবোৰে কোনো প্ৰতিক্ৰিয়া নকৰে। মাজে-সময়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখতে গো-ৰক্ষকসকলৰ কাম-কাজত উদ্বেগ প্ৰকাশ কৰে আৰু গো-ৰক্ষকসকলৰ কাম-কাজত বাধা প্ৰদান কৰিবলৈ কয়; কিন্তু যোৱা সাত বছৰ ধৰি গো-ৰক্ষকসকলে মুছলমান আৰু দলিতসকলৰ ওপৰত যিধৰণৰ অত্যাচাৰ আৰু হত্যাযজ্ঞ চলাইছে কোনো ধৰণৰ প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰা নাই। দেশৰ উচ্চতম ন্যায়ালয়েও বিভিন্ন ৰায়ত মন্তব্য কৰিছে যে কেন্দ্ৰ আৰু বিভিন্ন ৰাজ্যৰ বিজেপি চৰকাৰে পৰোক্ষ বা প্ৰত্যক্ষভাৱে এই হিংস্ৰবাহিনীক নিৰাপত্তা দি আছে। সংসদতো বিৰোধী দলৰ সদস্যসকলে অভিযোগ কৰিছিল যে গো-ৰক্ষাৰ অজুহাতত দেশজুৰি মানুহ হত্যাৰ ক্ৰমবৰ্ধমান ঘটনাৰ মদতদাতা হিচাপে প্ৰত্যক্ষভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জড়িত আছে।

স্বামীনাথন আয়াৰেও কৈছিল যে গো-ৰক্ষাৰ নামত মানুহ হত্যাৰ ধাৰণা শূন্যৰ পৰা অহা নাই। এইটো সৃষ্টি হৈছে যোৱা সময়ছোৱাত বিজেপি চৰকাৰে সৃষ্টি কৰা সামাজিক-ৰাজনৈতিক পৰিৱেশৰ পৰা। দেশত যদিও উল্লেখযোগ্য ধৰণৰ সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই সাম্প্ৰদায়িকতাবাদ আৰু উগ্ৰ জাতীয়তাবাদৰ কালান্তক মিলনে আৰম্ভ কৰিছে সাম্প্ৰদায়িক হিংস্ৰতা। আয়াৰে আৰু কৈছে, "The murder of 15 year old Junaid Khan, for the crime of simply being a Muslim, has been condemned-after a typical long pause that will not discourage mobs-by Modi." উল্লেখযোগ্য যে স্বামীনাথন এছ অংক্লেশ্বৰ আয়াৰ মোদী অৰ্থনীতিৰ উগ্ৰ সমৰ্থক। বিখ্যাত অৰ্থনৈতিক বাতৰিকাকত দ্য ইক'নমিক টাইমছৰ দুই দশকৰ প্ৰাক্তন সম্পাদক প্ৰখ্যাত অৰ্থনীতিবিদ আয়াৰে ড০ মনমোহন সিং চৰকাৰৰ ওপৰত অসন্তুষ্ট হৈছিল অৰ্থনৈতিক সংস্কাৰ মন্থৰ কৰাৰ বাবে। অৰ্থনৈতিক ক্ষেত্ৰত আয়াৰে মোদী চৰকাৰক সমৰ্থন কৰে আক্ৰমণাত্মকভাৱে অৰ্থনৈতিক সংস্কাৰ কৰি যোৱা বাবে। আয়াৰে দ্য টাইমছ অৱ ইণ্ডিয়া কাকতত নিয়মিত নিবন্ধ লিখি থাকে। অতিশীঘ্ৰে সকলো ৰাজহুৱা খণ্ডৰ বেংক, বীমা তথা সকলো ৰাজহুৱা খণ্ডৰ উদ্যোগ ব্যক্তিগতকৰণৰ বাবে দাবী কৰে তেওঁ। মোদী অৰ্থনীতিৰ উগ্ৰ সমৰ্থক বিখ্যাত অৰ্থনীতিবিদজনে মোদী চৰকাৰে কেনেকৈ হিন্দু সাম্প্ৰদায়িকতাবাদ তথা হিন্দু সাম্প্ৰদায়িকতাৰ নামত সন্ত্ৰাসবাদৰ সৃষ্টি কৰিছে, সেইটো কঠোৰ ভাষাৰে সমালোচনা কৰিছে আৰু মোদী চৰকাৰৰ এই মানৱতা বিৰোধী কাৰ্যক উদঙাই দিছে। আয়াৰে আৰু লিখিছে যে হিন্দুত্ববাদীৰ সন্ত্ৰাসবাদে মুছলমানৰ সন্ত্ৰাসবাদীৰ সৃষ্টি কৰিব। মুছলমানসকলকো সন্ত্ৰাসবাদী সংগঠনত যোগ দিবলৈ বাধ্য কৰিব। আয়াৰে উক্ত নিবন্ধটোত লিখিছিল, "My fear is that unless checked quickly, Hundu terror will be met with Muslim terror and the country will go up in flames. If the state cannot protect Muslims, there is a high risk that they will devise their own armed squads for protection. Hindu-Muslim terror can escalate with the state a helpless spectator."

সামগ্ৰিকভাৱে দেশত এক বুজনসংখ্যক হিন্দু ধৰ্মীয় লোকৰ মনত মুছলমান বিৰোধী বা মুছলমান লোকৰ প্ৰতি বিদ্বেষৰ মনোভাৱ সৃষ্টি হোৱাৰ মূলতে যোৱা সাত বছৰে মোদী চৰকাৰে সৃষ্টি কৰা সামাজিক-ৰাজনৈতিক পৰিৱেশ। যোৱা সাত বছৰে এই চৰকাৰখনে হিন্দুত্বৰ নামত দেশৰ বহুত্ববাদী সমাজখন মেৰুকৰণ কৰিলে।

*ফোন : 9435041203*

# সংঘবদ্ধ অপৰাধতকৈ সংঘবদ্ধ সংশোধনহে লাগে

## আধ্যাত্মিকতাবোধৰ জ্ঞান থাকিলে ঘৰ-পৰিয়ালবোৰত হত্যাকাৰী, ধৰ্ষণকাৰী ওলাব নোৱাৰে

**আজি** কিছুদিনৰ পৰা সকলোৱে মন কৰা কথাটো হৈছে আমাৰ সমাজত বেয়া কামৰ বাবে মানুহৰ সহযোগিতা। মানুহ সংঘবদ্ধ হ'ব লাগে। এখন সমাজৰ বাবে ই অতি প্ৰয়োজনীয়; কিন্তু অপৰাধ সংঘটিত কৰিবলৈ এক হোৱাতকৈ অপৰাধ দূৰ কৰিবলৈহে এক হোৱা দৰকাৰ। তাকে নকৰি আমি অপৰাধ কৰি গৈছো এক হৈ। এটা অপৰাধে এখন সমাজৰ সুনাম নষ্ট কৰে। সমাজখনত থকা মানুহবোৰ ঘৃণীত হয়, অপমানিত হয়। গতিকে সমাজ এখন সুপৰিচালনাৰ বাবে এক সু-সংগঠিত সংঘবদ্ধ লোকৰ বৰ প্ৰয়োজন। প্ৰথম প্ৰয়োজন শিক্ষা, এই শিক্ষা বিদ্যালয়-মহাবিদ্যালয় চাৰিবেৰৰ মাজত পুথিৰ পৰা আহৰণ কৰা শিক্ষাতকৈ কিছু বহল অৰ্থৰ শিক্ষা। এই শিক্ষা ঘৰ, পিতৃ, মাতৃ আৰু সমাজৰ পৰা পোৱা যায়। ঘৰখনতে শিকিব লাগিব, প্ৰাণীৰ প্ৰতি প্ৰেম, জ্যেষ্ঠজনৰ প্ৰতি সন্মান নিজৰ প্ৰতি মৰম আৰু আত্মসন্মান, আন্তৰিক অনুভৱ আত্মীয়ৰ প্ৰতি সমাজৰ প্ৰতি, দেশৰ প্ৰতি। তাৰ লগতে থাকিব লাগিব নিজৰ ভুল সংশোধন জ্ঞান বা প্ৰতিকাৰৰ জ্ঞান, চিত্ত বৃত্তি পৱিত্ৰ হ'ব লাগিব। সৎ-কৰ্মৰ প্ৰতি থাকিব লাগিব ইচ্ছা, যদি এইকেইটা গুণ নাথাকে তেনে আমাক বিপথে পৰিচালিত কৰা লোকে আহি আমাক দুৰ্জনৰূপে গঢ়িবলৈ সুবিধা পাব। আৰু আমাক আমাৰ সমাজখনৰ বাবেই শত্ৰুৰূপে গঢ়ি তুলিব।

উদাহৰণ স্বৰূপে ক'ব পাৰি কাৰ্বি আংলঙৰ অভি-নীল-হত্যাকাণ্ডৰ কথা আৰু সৌ সিদিনা যোৰহাটত অনিমেষ ভূঞাৰ হত্যাৰ কথা। মানুহক মৰিয়াই মাৰিবলৈ সংগঠিত হোৱাৰ দৰে যদি, বচাবলৈও ৫০ জন সংগঠিত হ'লহেঁতেন তেন্তে এই হত্যাকাণ্ডবোৰ সংঘটিত নহ'লহেঁতেন।

এনে ধৰণৰ অপকৰ্মৰ বাবে সংঘবদ্ধ শক্তি যদি জাতিৰ উন্নতিৰ স্বাৰ্থত ব্যৱহৃত হ'লহেঁতেন, তেতিয়া আমাৰ সমগ্ৰ জাতীয় জীৱনৰ উন্নতি হ'লহেঁতেন। আমাৰ দুৰ্বলতাবোৰ দূৰ হ'লহেঁতেন, আমাৰ দুৰ্বলতাৰ সুযোগ লৈয়ে আমাৰ মাজত সোমাই পৰিছে দুষ্কৃতিকাৰী, বিভেদকামী ষড়যন্ত্ৰকাৰী শক্তি। তাৰ এক জ্বলন্ত উদাহৰণ হ'ল কাৰ্বি আংলঙৰ অভি-নীল হত্যাকাণ্ড। কাৰ্বি সমাজৰ এখন বিৰূপ বিকৃত ছবি সমগ্ৰ বিশ্বত বিয়পাই দিলে তেনে এক ষড়যন্ত্ৰকাৰী শক্তিয়ে, যি শক্তিয়ে বহুদিনৰ পৰা কাৰ্বি সমাজখনক আমাৰ পৰা পৃথক কৰাৰ চেষ্টা কৰি আছিল আৰু বহু পৰিমাণে সফলো হৈছিল। এই কথাবোৰ শুনিলে হয়তো কাৰোবাৰ বিশ্বাস নহ'ব পাৰে, কিন্তু সেই সমাজখনত গৈ থাকি বুজিবলৈ চেষ্টা কৰিলে গম পোৱা যায়। কাৰ্বি সমাজখনৰ তিৰোতাসকলৰ যথেষ্ট মান-সন্মান আছে। নিজৰ বাই-ভনীক সুৰক্ষিত ৰখাটো সেই সমাজৰ এক অন্যতম ধৰ্ম, তেনে স্থলত কোনো বাহিৰৰ পুৰুষ সোমাই কাৰ্বি সমাজৰ মহিলাক অপমান কৰিব নোৱাৰে। তেনে এক দুৰ্বলতাৰ সুযোগ লৈ কাৰ্বি সমাজক উচটনি দিয়া হ'ল দুজন যুৱকক হত্যা কৰিবলৈ। হয়তো



**অৱলোকন**

**ৰাজলক্ষ্মী শৰ্মা গোস্বামী**

মাৰপিট কৰা লোকসকলৰ উদ্দেশ্য একেবাৰে মাৰি শেষ কৰা নহ'বও পাৰে। কিন্তু, এজন এজনকৈ ৫০-৬০জনৰ মাৰত মানুহ মৰি গৈছে এটা জীৱন শেষ কৰি দিয়া কাৰ্য কোনোকালেই সমৰ্থনযোগ্য নহয়, তথাপি এনেবিলাক ঘটনা ঘটি আছে, সংঘবদ্ধ হৈ এনে কাম কৰা লোকসকলে কেতিয়াবা নিজৰ সমাজখনৰ উন্নতিৰ হকে কিবা কাম কৰিছেনে?

যোৰহাটত এজন পিতৃৰ বয়সৰ লোকক



বচাবলৈ যোৱা ল'ৰাকেইজনৰ কথা উদণ্ড লোকসকলে নুশুনিলে, কিন্তু 'বৰতাক মাৰিলে' বুলি কোনোবা অবিবেচক এজনৰ কথা শুনি নিৰীহ তিনিজন ল'ৰাক মাৰিলে। এনেকৈ সংগঠিত হোৱা, মাৰপিট কৰিবলৈ আগবাঢ়ি অহা লোকসকলকৰ নিজৰ বিবেক-বিবেচনা আছেনে নাই নাজানো, বা তেওঁলোকে নিজৰ শক্তি সামৰ্থ্য কেতিয়াবা সমাজৰ কাৰণে ব্যৱহাৰ কৰিছেনে ?

যুৱ শক্তিয়ে যদি সমাজৰ উচ্ছৃংশলতা সৃষ্টি কৰিব পাৰে। সুশৃংখলা বজাই ৰখাৰ বাবে শক্তি সামৰ্থ্য প্ৰয়োগ নকৰে কিয়? যুৱ শক্তি হিংসা, হত্যাৰ বাবে প্ৰয়োগ নকৰি নিজক মানুহৰূপে গঢ়িবলৈ উপযোগী কৰিলেহেঁতেন। দেশৰ মহাত্মাসকল, ঋষি-মুনিসকলে নিজৰ দেশৰ বাবে স্বধৰ্মৰ বাবে কৰা ত্যাগৰ কথা যদি শুনিলেহেঁতেন, শিকিলেহেঁতেন। ঘৰৰ পৰিৱেশে যদি নিজৰ সন্তানক সৎ পথে নিব পৰা নাই তেনে সমাজৰ সহায় লওক। পিতৃ-মাতৃ হৈ সমাজলৈ এটা জীৱ আনিলেই নহয় সমাজক এক মানুহ দিয়ক। মানৱীয় গুণেৰে পূৰ্ণ মানুহ।

পৰিয়ালতে হওক বা সমাজতে হওক পাৰস্পৰিক নিৰ্ভৰশীলতা সহযোগিতা, আস্থা, বিশ্বাস, মৰম-চেনেহ এই লাগতিয়াল উপাদানবোৰ নোহোৱা হৈ আহিছে। এই সকলো গুণৰ বাবে অতি প্ৰয়োজন আধ্যাত্মিকতাবোধ। আধ্যাত্মিকতাবোধৰ জ্ঞান থাকিলে ঘৰ-পৰিয়ালবোৰত হত্যাকাৰী, ধৰ্ষণকাৰী ওলাব নোৱাৰে। আমাৰ সমাজত শিক্ষা ব্যৱস্থাৰ লগত আধ্যাত্মিক জ্ঞানৰ শিক্ষাও দিয়ক, কেৱল নীতি-নিয়মৰ কথা নহয় পৰস্পৰৰ মাজত প্ৰেম আৰু সৌহাৰ্দ্য প্ৰদান কৰাৰ শিক্ষা দিয়ক, মনুষ্য জনম যে বহু জন্মৰ পুণ্য কৰ্মৰ ফলত হৈছে, সেই জীৱনত অসৎ কৰ্ম কৰিলে যে পুনৰ হিংস্ৰ জন্তুলৈ ৰূপান্তৰ হৈ জন্ম হ'ব সেই কথাবোৰ শিশু অৱস্থাতে মনত সুমুৱাই দিয়ক। এইবোৰ সাধুকথা নহয়। মানুহৰ যে কৰ্মফল আছ আছে এই কথা শিকাব লাগে। যুক্তি বিচাৰ কৰিবলৈ যাওতে আমাৰ আধ্যাত্মিকতা নোহোৱা হৈছে। ভয়, শংকাহীন হৈ উঠিছে মানুহৰ সমাজ। আৰু নিজৰ মনুষ্যত্ব পাহৰি পেলাইছে। পশুত্বলৈ ৰূপান্তৰ হোৱা বুলি ক'বলৈও আজি দ্বিধা হয় কাৰণ পশুৱেও নিজৰ প্ৰজাতিক প্ৰাণে নামাৰে, মানে একেবাৰে মাৰি নেপেলায়। শত্ৰুৰ পৰা ৰক্ষা কৰে। কিন্তু আজি মানুহ মানুহৰেই শত্ৰু হৈছে। যুঁজ- বাগৰ কৰিছে, মাৰিছে, তেনে মানুহক ৰক্ষা কৰিব কোনে? যোৰহাটৰ ঘটনাই আমাক অতিশয় বেদনা দিছে। হত্যা আৰু মৃত্যু দুয়োটা শব্দই আজি সকলোকে বোবা কৰিছে। হত্যাকাৰী পৰিয়ালৰ লোকে পুনৰ সমাজলৈ কেনে প্ৰজন্ম দিব, ই এক সংশয় হৈ পৰিছে।

সমাজৰ বাবে তেওঁলোকক উপযোগী মানুহৰূপে গঢ়িবলৈ আমি যদি তেওঁলোকৰ ওচৰলৈ যাওঁ শুনিবনে আমাৰ কথা। আহিবনে আগবাঢ়ি এজন হৃদয়বান মানুহৰূপে নিজক গঢ় দিবলৈ; ই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ ৰৈছে। এৰি দিম নেকি আমি হত্যাকাৰীৰ পুত্ৰক হত্যাকাৰী হ'বলৈ। গুণ্ডাৰ পুতেকক গুণ্ডা হ'বলৈ ? নিশ্চয় দিব নালাগে। কিন্তু তাৰ বাবে প্ৰথমে লাগিব অপৰাধীসকলৰ নিজৰ প্ৰচেষ্টা, নিজক শুধৰোৱাৰ বাবে প্ৰচেষ্টা নিজৰ পৰাই আৰম্ভ কৰিব লাগিব। গতিকে সমাজৰ সকলোৱে এই অপৰাধীসকলক মানৱীয় গুণেৰে মানুহ হোৱাত সহায় কৰিব লাগিব। ভগৱানৰ প্ৰতি ভয় আৰু ভক্তি জগাব লাগিব। বৰ ভাগ্যৰ বলত মানুহৰ জনম পাইছো, তাক যেন হিংসা, দ্বেষেৰে অথলে নিব নোৱাৰে এই চিন্তা জগাই তোলক।

*ফোন : ৯৯৫৭৫৬৬৮০৬*



# সেউজীয়া পৰিৱেশ আৰু আমি

**অভিমত**


**প্ৰকৃতিৰ** অপূৰ্ব সৃষ্টি গছ-লতা-ফুলে ভৰা ধুনীয়া ধৰণীক লৈ আমি অনেক গল্প, প্ৰবন্ধ, কবিতা আদি ৰচনা কৰিছো। নিৰ্মল সেউজীয়া পৰশে আমাৰ মন-প্ৰাণ উতলা কৰি পেলায়। চৌদিশৰ সুন্দৰ একোটা প্ৰাকৃতিক পৰিৱেশে আমাৰ কঠুৱা মনবোৰ কোমল কৰি পেলায়। প্ৰকৃতিৰ এনে বিনন্দীয়া সেউজীয়া পৰিৱেশ আমাৰ বাবে জীয়াই থাকিবলৈ অতি প্ৰয়োজনীয়। মানুহ প্ৰাকৃতিক পৰিৱেশতে জন্ম হৈ জীয়াই থাকে। মানুহ আৰু অন্য জীৱ-জন্তু সকলো প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ প্ৰাকৃতিক পৰিৱেশ যিমান সুন্দৰ আৰু বিশুদ্ধ হয় সিমানে আমাৰ স্বাস্থ্য আৰু অন্যান্য দিশত মংগল হয়। পৰিৱেশৰ স'তে আমাৰ সম্পৰ্ক এৰাই চলিব পৰাটো অসম্ভৱ। সেয়েহে সকলো সময়তে প্ৰাকৃতিক পৰিৱেশ সুৰক্ষাৰ প্ৰতি আমি সদা সচেতন হোৱা উচিত। পৰিৱেশ অবিহনে এই সুন্দৰ তথা বিনন্দীয়া পৃথিৱীত এটা পৰুৱা থকা অসম্ভৱ হৈ পৰিব। পৰিৱেশ হৈছে জীৱ-জগতৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। স্বচ্ছ, নিকা আৰু সুন্দৰ পৰিৱেশ সকলো জীৱৰে কাম্য। পৰিৱেশে আমাক তথা জীৱ-জন্তু সকলোকে ৰক্ষা কৰে। সুস্থ পৰিৱেশ-পৰিৱেশৰ সংৰক্ষণ জীৱ-জন্তু আৰু গছ-গছনিৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীতে সেউজীয়া গছ-লতিকাৰে পৰিপূৰ্ণ পৰ্বত-পাহাৰবোৰ, অৰণ্য, বনাঞ্চলবোৰ মানুহৰ কঠোৰ হাতৰ পৰশ লাগি নিঃশেষ হৈ যোৱাৰ ফলস্বৰূপে বায়ুমণ্ডল যথেষ্ট পৰিমাণে দূষিত হৈ পৰিছে। আজিৰ মানুহে একান্তই নিজৰ স্বাৰ্থসিদ্ধিৰ বাদে আন একো হিত-অহিত চিন্তা কৰিব নোখোজে। এচামে সেউজীয়া পৰিৱেশক ৰক্ষা কৰিবলৈ আৰু বন্যপ্ৰাণীসমূহক সুৰক্ষা দিবলৈ পাৰ্যমানে চেষ্টা কৰাৰ বিপৰীতে আন এচামে আকৌ নিজৰ স্বাৰ্থৰ বাবে সেউজীয়া গছ-গছনি কাটি নিজৰে ধ্বংসৰ পথত হাত উজান দিছে। আমাৰ চাৰিওফালে সেউজীয়া আৱৰণে বেৰি থকা এই গছ-গছনিবোৰ নহ'লে আমি কোনেও এই পৃথিৱীত জীয়াই থকাটো অসম্ভৱ হৈ পৰিব। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ সেউজীয়া অৰণ্যসমূহ ধ্বংস কৰি মানুহে নিত্য নতুন কল-কাৰখানা, উদ্যোগ স্থাপন তথা ঘৰ-বাৰী সাজি থাকিলে আমি অতি সোনকালে হেৰুৱাব লাগিব সেউজীয়া জীৱনবোৰ। গতিকে আমি সকলোৱে এজোপা গছ কাটিলে তাৰ ঠাইত চাৰিজোপা গছ ৰুই আমাৰ এই বিনন্দীয়া সেউজীয়া পৰিৱেশক ৰক্ষা কৰিবলৈ দৃঢ় পদক্ষেপ ল'ব লাগিব।

গছ বা উদ্ভিদ হৈছে মানুহ আৰু প্ৰাণীৰ প্ৰাণস্বৰূপ। গছ-গছনিয়ে মানুহ আৰু প্ৰাণীৰ অতিকৈ প্ৰয়োজনীয় অক্সিজেন গেছ এৰি দিয়ে। ই আমাৰ প্ৰাণ-বায়ু। গছ-গছনিয়ে বৰষুণ হোৱাত সহায় কৰে আৰু মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰে। গছে পৰিৱেশৰ শোভা বঢ়ায়। তদুপৰি গছেই বায়ুমণ্ডলত অক্সিজেন আৰু কাৰ্বন-ডাই-অক্সাইডৰ সমতা ৰক্ষা কৰে। গছ-গছনিয়ে বৰ্তমান জনবহুল পৃথিৱীত বায়ু আৰু শব্দ প্ৰদূষণকে ধৰি বিভিন্ন প্ৰদূষণ ৰোধ কৰে। পৰিৱেশ প্ৰদূষণ আজিৰ সমাজৰ এটা জ্বলন্ত সমস্যা। আচলতে এই সমস্যাৰ মূল কাৰণবোৰ হৈছে— জনসংখ্যা বৃদ্ধি, সেউজীয়া গছ-গছনিৰ পৰিমাণ হ্ৰাস আৰু ক্ৰমবৰ্ধমানত বাঢ়ি অহা উদ্যোগ প্ৰতিষ্ঠানসমূহৰ কাৰখানাৰ পেলনীয়া অংশ যিবোৰে পৰিৱেশ দূষিত কৰে। বৰ্তমান যুগ হৈছে যান্ত্ৰিকতাৰ যুগ। যান্ত্ৰিকতাৰ কৰাল গ্ৰাসত আজিৰ এই বিনন্দীয়া পৃথিৱীখন যেন অসুখী হৈ পৰিছে। নিৰ্মল আৰু স্বচ্ছ বাতাবৰণৰ অভাৱ ঘটিছে। মানৱ জাতিক সচেতন কৰাৰ উদ্দেশ্যেৰে প্ৰতি বছৰে নিয়মীয়াকৈ দেশত 'বিশ্ব পৰিৱেশ দিৱস' উলহ-মালহকৈ উদ্‌যাপিত হৈ আহিছে যদিও আমি পৰিৱেশ ৰক্ষাত সফল হৈছো বুলি ক'ব নোৱাৰো। অতিসম্প্ৰতি আমাৰ ৰাজ্য অসমত আমি গছে-বনে সুজলা-সুফলা সেউজীয়া বনাঞ্চল ধ্বংসৰ ভয়াৱহ ফল ইতিমধ্যে ভোগ কৰিছো। গতিকে আমি যিকোনো ত্যাগৰ বিনিময়ত গছ-গছনি বা অৰণ্যক ৰক্ষা কৰিবলৈ শিকিলেহে ধ্বংস হ'বলৈ ধৰা পৃথিৱীখন পুনৰ সেউজীয়া হৈ উঠিব। সেউজীয়া পৃথিৱীয়েহে আমাক এটা সুস্থ পৰিৱেশ দিব। সুস্থ পৰিৱেশতহে আমি উন্নত আৰু গুণগত জীৱন-যাপন কৰিম পাৰিম। তেতিয়া নিশ্চিতভাৱে এই মৰতেই জীৱৰ বাবে সৰগ হৈ উঠিব।

**কুলেন বৰ্মন**


*ফোন : ৯৪৩৫০৩৮৪১৯*

## দৈনিক সংক্ৰমণ সামান্য হ্ৰাস, ৫৬০ দিনৰ পাছত সৰ্বনিম্ন সক্ৰিয় ৰোগী



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ ডিচেম্বৰ ঃ** দেশত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা কিছু হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ৭,৭৭৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। সংক্ৰমণ হ্ৰাসৰ লগতে ক'ভিডত দৈনিক মৃতকৰ সংখ্যাও দেওবাৰে ৩০৬ জনলৈ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানে দেশত ৯২,২৮১ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা মাৰ্চৰ পাছত দেশত সৰ্বনিম্ন হ'ল সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা। সম্প্ৰতি দেশত ক'ভিড আক্ৰান্তৰ হাৰ হৈছে ০.৬৫ শতাংশ।

## এটাতকৈ অধিক সন্তান জন্ম দিয়ক হিন্দুৱে, অন্যথা ৫০ কোটিলৈ হ্ৰাস পাব সংখ্যা ঃ পৰামৰ্শ টোগড়িয়াৰ



**নিউজ ব্যুৰ', ফটেহপুৰ, ১২ ডিচেম্বৰ ঃ** বিশ্ব হিন্দু পৰিষদ (ভিএইচপি)ৰ প্ৰতিষ্ঠাপক প্ৰবীণ টোগাড়িয়াই কালি ফটেহপুৰত উপস্থিত হৈছিল। স্থানীয় টাম্বেশ্বৰ মন্দিৰত পূজা-অৰ্চনাৰ পাছত হিন্দু ৰক্ষা নিধি সমৰ্পণ অভিযানৰ অধীনত টোগড়িয়াই স্থানীয় লোকক সাক্ষাৎ কৰে আৰু হিন্দুসকলক এটাতকৈ অধিক সন্তান জন্ম দিবলৈ পৰামৰ্শ দিয়ে। টোগড়িয়াই ভাষণ প্ৰসংগত কয় যে দেশৰ জনসংখ্যা ১৪০ কোটি অটুট থাকিব যদিও পৰিৱৰ্তন এয়ে হ'ব যে এশ কোটি হিন্দুৰ সংখ্যা হ্ৰাস পাই ১০ বছৰৰ পাছত ৯৫ কোটি হ'বগৈ। ইয়াৰ পাছত হিন্দুৰ সংখ্যা ৮৫ কোটি হ্ৰাস পাব আৰু ৫০ বছৰৰ পাছত দেশত হিন্দুৰ সংখ্যা ৪৫ কোটিলৈ হ্ৰাস পাব বুলি টোগড়িয়াই মত প্ৰকাশ কৰে। '১৪০ কোটিৰ জনসংখ্যাত হিন্দুৰ সংখ্যা ৫০ কোটি হ'বগৈ। হিন্দুসকলে সেয়েহে এটাতকৈ অধিক সন্তান জন্ম দিয়া জৰুৰী।' টোগড়িয়াই এইদৰে কয়।

## হাড় কঁপোৱা শীত দিল্লীত, ৬.৪ ডিগ্ৰীলৈ অৱনমিত পাৰাস্তম্ভ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ ডিচেম্বৰ ঃ** হঠাতে অধিক শীতল হ'ল দেশৰ ৰাজধানী দিল্লী। দেওবাৰে পুৱা দিল্লীৰ ন্যূনতম তাপমাত্ৰা আছিল ৬.৪ ডিগ্ৰী চেলছিয়াছ। চলিত বৰ্ষত এয়ে প্ৰথমবাৰৰ বাবে দিল্লীৰ পাৰাস্তম্ভ ইমান তললৈ নামিল। কালি ৰাজধানীৰ ন্যূনতম তাপমাত্ৰা স্বাভাৱিকৰ তুলনাত এক ডিগ্ৰীৰ কম ৮.৩ ডিগ্ৰী চেলছিয়াছ আছিল। আগন্তুক কে'বাদিনলৈকে দেশৰ ৰাজধানী চহৰখনত শীতৰ প্ৰকোপ অধিক বৃদ্ধিৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমানত উল্লেখ কৰিছে।

## তহৰিক-এ-তালিবান পাকিস্তানে প্ৰত্যাহাৰ কৰিলে যুদ্ধবিৰতি



**নিউজ ব্যুৰ', ইছলামাবাদ, ১২ ডিচেম্বৰ ঃ** এমাহ পূৰ্বে ঘোষণা কৰা যুদ্ধবিৰতি প্ৰত্যাহাৰ কৰিলে তহৰিক-এ-তালিবান পাকিস্তানে। সংগঠনটোৱে ইমৰান খানৰ চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে এইখন চৰকাৰক আস্থাত ল'ব নোৱাৰি। তহৰিক-এ-তালিবান পাকিস্তানৰ এই সিদ্ধান্তৰ পাছত আকৌ এবাৰ পাকিস্তানত সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি পোৱাৰ শংকা প্ৰকট হৈছে। অৱশ্যে সংগঠনটোৰ যুদ্ধবিৰতি প্ৰত্যাহাৰৰ ঘোষণাৰ প্ৰতি ইমৰান চৰকাৰে এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। এমাহ পূৰ্বে সংগঠনটোৱে পাকিস্তান চৰকাৰৰ স'তে যুদ্ধবিৰতিৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। ইমৰান চৰকাৰ বিশ্বাসৰ যোগ্য নহয় বুলি মন্তব্য কৰি আজি তহৰিক-এ-তালিবান পাকিস্তানে এমহীয়া যুদ্ধবিৰতি প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে।

### অ'মিক্ৰনৰ তাণ্ডৱত আমেৰিকা-ইউৰোপত জটিল হৈছে ক'ভিড পৰিস্থিতি ঃ জাৰ্মানীত চতুৰ্থ পালি প্ৰতিষেধক প্ৰদানৰ পৰামৰ্শ

# আমেৰিকাত ভেণ্টিলেটৰৰ নাটনি, ছুইজাৰলেণ্ডত তলাবন্ধৰ সম্ভাৱনা

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১২ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ তাণ্ডৱত আমেৰিকা আৰু ইউৰোপৰ ক'ভিড পৰিস্থিতি ক্ৰমে জটিল হ'বলৈ ধৰিছে। আমেৰিকাৰ মিচিগান ৰাজ্যত কৰ'না সংক্ৰমণ বৃদ্ধিৰ ফলত চিকিৎসালয়ত ভেণ্টিলেটৰৰ নাটনি ঘটিছে। যোৱা ২৪ ঘণ্টাত মিচিগানত ১১,৭৮৩ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি মিচিগানত বিগত এদিনত ২৩৫ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইণ্ডিয়ানা ৰাজ্যত বিগত দুসপ্তাহত ক'ভিড আক্ৰান্ত সংখ্যা ৪৯ শতাংশ বৃদ্ধি পাইছে। এই পৰিস্থিতিত ৰাজ্যখনত চিকিৎসালয়সমূহত সৃষ্টি হ'ব পৰা অনাকাংক্ষিত ঘটনা প্ৰতিৰোধৰ বাবে ইতিমধ্যে নেচনেল গাৰ্ডক নিয়োগ কৰা হৈছে। এনে পৰিস্থিতিৰ মাজতে এতিয়ালৈকে আমেৰিকাত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত মুঠ ৪৩ জন ৰোগীক চিনাক্ত কৰা হৈছে। ইউৰোপতো ক'ভিড পৰিস্থিতি ক্ৰমে জটিল হ'বলৈ ধৰিছে। বিশেষজ্ঞসকলৰ মতে, শীতৰ প্ৰকোপ বৃদ্ধি আৰু বৰদিনৰ কাৰণত বজাৰত হোৱা ভিৰৰ



ফলত ইউৰোপত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাইছে। ইফালে, ছুইজাৰলেণ্ডত পুনৰ তলাবন্ধৰ সম্ভাৱনা প্ৰকত হৈছে। ব্ৰিটেইনতো দ্ৰুতগতিত ক'ভিড সংক্ৰমণ অব্যাহত আছে। জাৰ্মানীত চিকিৎসকৰ সংগঠনে চতুৰ্থ পালি ক'ভিড প্ৰতিষেধক নাগৰিকসকলক প্ৰদান কৰাৰ পৰামৰ্শ দিছে। বৰ্তমানলৈকে জাৰ্মানীত ১১ লাখ লোকে কৰ'নাৰ তৃতীয় পালি প্ৰতিষেধক গ্ৰহণ কৰিছে। কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ফ্ৰান্স, জাৰ্মানী, ইটালী, অষ্ট্ৰিয়া, বেলজিয়াম আৰু ছুইজাৰলেণ্ডে নাগৰিকসকলৰ বাবে প্ৰতিষেধক গ্ৰহণ কৰাটো বাধ্যতামূলক কৰিলে। তদুপৰি এইসমূহ দেশে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান অভিযানো আৰম্ভ কৰা হৈছে। অৱশ্যে একাংশ ব্যক্তি-সংগঠনে ইয়াৰ বিৰোধিতা কৰিছে। অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত কালি যথেষ্টসংখ্যক লোকে ৰাজপথত সমবেত হৈ প্ৰতিষেধক বাধ্যতামূলক ঘোষণাৰ বিৰোধিতা কৰে। ইটালীত নতুন আক্ৰান্তৰ সংখ্যা ৩১ শতাংশ বৃদ্ধি পাইছে। ফ্ৰান্সত এই সপ্তাহত দৈনিক ৪৪ হেজাৰ লোক কৰ'নাত সংক্ৰমিত হৈছিল আৰু দেশখনত ক'ভিডৰ সংক্ৰমণ ৩৬ শতাংশ বৃদ্ধি পালে। ৰাছিয়াত যোৱা ২৪ ঘণ্টাত ৩০,২৮৮ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। অষ্ট্ৰেলিয়াৰ নিউ ছাউথ ৱেলছত কৰ'নাৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু অঞ্চলটোত যোৱা ২৪ ঘণ্টাত ১৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## সেনা-সন্ত্ৰাসবাদীৰ গুলীয়াগুলিত নিহত জইছৰ এজন সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১২ ডিচেম্বৰ ঃ** সেনা-সন্ত্ৰাসবাদীৰ সংঘৰ্ষত পুনৰ ৰক্তাক্ত হ'ল কাশ্মীৰ। দেওবাৰে কাশ্মীৰৰ পুলৱামাত সেনাবাহিনীৰ স'তে হোৱা এক সংঘৰ্ষত ধৰাশায়ী হ'ল সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ এজন সদস্য। উক্ত অঞ্চলত সন্ত্ৰাসবাদীয়ে আত্মগোপন কৰাৰ বাতৰি লাভৰ পাছতে সেনা আৰু আৰক্ষীয়ে সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাইছিল। সেই সময়তে হঠাতে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰিছিল সন্ত্ৰাসবাদীয়ে। ফলত উভয় পক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে আৰু সেনা-আৰক্ষীৰ গুলিত সমীৰ আহমেদ নামৰ জইছৰ সদস্যজন নিহত হয়। যোৱা দুই নৱেম্বৰত সমীৰে সন্ত্ৰাসবাদী সংগঠনটোত যোগদান কৰিছিল।

## প্ৰতি বছৰে অনুষ্ঠিত হ'ব কৃষক মেলা, ঘোষণা টিকাইটৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ১২ ডিচেম্বৰ ঃ** ভাৰতীয় কিষাণ ইউনিয়নৰ নেতা ৰাকেশ টিকাইটে কয় যে মহাপঞ্চায়তৰ আয়োজন সময়ে সময়ে অব্যাহত ৰখা হ'ব। তিনিখন কৃষি আইনৰ বিৰুদ্ধে কৃষকৰ আন্দোলন সফলতাৰে পৰিচালনা কৰাৰ পাছত টিকাইটে আজি কয় যে প্ৰতি বছৰে ১০ দিনীয়া কৃষক আন্দোলন মেলাও অনুষ্ঠিত কৰা হ'ব। কৃষকৰ বিভিন্ন সমস্যাৰ কথা আলোচনা কৰিবলৈ সময়ে সময়ে দেশত মহাপঞ্চায়ত অনুষ্ঠিত কৰা হ'ব বুলি কৃষক নেতাজনে জানিবলৈ দিয়ে। টিকাইটে কৃষক আন্দোলনৰ সময়ত চৰকাৰক হেঁচা দিয়াৰ ক্ষেত্ৰত দেশৰ সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাকো প্ৰশংসা কৰে।

### বিশেষজ্ঞৰ সকীয়নি ঃ জানুৱাৰীত আগমন ঘটিব পাৰে কৰ'নাৰ ভয়ংকৰ ঢৌ


## ব্ৰিটেইনত আঢ়ৈদিনত দুগুণ বৃদ্ধি অ'মিক্ৰন আক্ৰান্ত

**নিউজ ব্যুৰ', লণ্ডন, ১২ ডিচেম্বৰ ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে ব্ৰিটেইনত। দেশখনত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু অ'মিক্ৰনৰ শংকাত প্ৰতিষেধক ল'বলৈ শেহতীয়াভাৱে যথেষ্টসংখ্যক লোকে ভিৰ কৰাত ক'ভিড প্ৰতিষেধক কেন্দ্ৰত দীঘলীয়া শাৰীৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিতে স্বাস্থ্য বিজ্ঞানীয়ে সকীয়নি দি ক'লে যে যদিহে জৰুৰী নিষেধাজ্ঞা আৰোপ কৰা নহয়, তেন্তে অহা জানুৱাৰীত ব্ৰিটেইনত অ'মিক্ৰনৰ সংক্ৰমণে এক ভয়াৱহ ঢৌৰ সৃষ্টি কৰিব পাৰে। বিজ্ঞানীসকলৰ মতে, ক'ভিডৰ এই নতুন প্ৰজাতিৰ ব্যাপক সংক্ৰমণ অব্যাহত থাকিলে অহা এপ্ৰিলৰ অন্তভাগলৈকে ব্ৰিটেইনত ২৫-৭৫ হেজাৰ লোকৰ প্ৰাণহানিৰ শংকাৰ আছে। অৱশ্যে গৱেষণাৰ স'তে জড়িত গৱেষকৰ মতে, অ'মিক্ৰনৰ ভয়াৱহতা এতিয়াও নিশ্চিত ৰূপত জানিব পৰা হোৱা নাই। ব্ৰিটেইনৰ এজন ক'ভিড গৱেষকৰ পূৰ্বানুমান অনুসৰি, অ'মিক্ৰনৰ সংক্ৰমণৰ ফলত ভয়াৱহ পৰিস্থিতি



সৃষ্টি হোৱাৰ সম্ভাৱনা নাই। অৱশ্যে এইসকল গৱেষকে বৰিছ জনছনৰ চৰকাৰক পৰামৰ্শ দি কৈছে যে ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণৰ সন্দৰ্ভত কোনো নিশ্চিতি দিব পৰা নাযায়। অ'মিক্ৰন প্ৰজাতিয়ে অতি কম সময়ৰ ভিতৰত ইয়াৰ স্বৰূপ আৰু আচৰণ সলনি কৰাৰ ফলত গৱেষণামূলক অধ্যয়নৰ জৰিয়তে ক'ভিডৰ এই প্ৰজাতিৰ ভয়াৱহতা নিৰ্ণয় কৰাটো কঠিন হৈছে বুলিও ব্ৰিটিছ গৱেষকে জানিবলৈ দিয়ে। সম্প্ৰতি লণ্ডন স্কুল অৱ হাইজিন এণ্ড ট্ৰ'পীকেল মেডিচিন (এল এছ এইচ টি এম)ৰ গৱেষকে অ'মিক্ৰন সন্দৰ্ভত অধ্যয়ন অব্যাহত ৰাখিছে। প্ৰতিষ্ঠানটোৰ গৱেষকে কয় যে অ'মিক্ৰনক নিয়ন্ত্ৰণ কৰিব পৰা যাব নে নাযাব সেই কথা প্ৰতিষেধকৰ কাৰ্যকৰিতাৰ জৰিয়তে নিৰ্ণয় কৰা সম্ভৱ হ'ব। প্ৰতিষেধক লোৱা ব্যক্তিৰ ক্ষেত্ৰত অ'মিক্ৰনে গুৰুতৰ পৰিস্থিতি সৃষ্টি কৰাৰ সম্ভাৱনা সীমিত বুলিও প্ৰতিষ্ঠানটোৰ গৱেষকে মন্তব্য কৰে। উল্লেখ্য যে ব্ৰিটেইনত কালি ৫৪,০৭৩ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। এইসকল আক্ৰান্ত লোকৰ মাজত ৬৩৩ জন অ'মিক্ৰন প্ৰজাতিত সংক্ৰমিত। এল এছ এইচ টি এমৰ গৱেষকৰ তথ্য অনুসৰি ব্ৰিটেইনত প্ৰতি আঢ়ৈদিনত দুগুণ হাৰত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা বৃদ্ধি অব্যাহত আছে। ব্যাপক টিকাকৰণৰ পাছতো দেশখনত ক'ভিডৰ নতুন প্ৰজাতিৰ এই ব্যাপক সংক্ৰমণে ব্ৰিটেইনৰ স্বাস্থ্য বিভাগক উদ্বিগ্ন কৰি তুলিছে।

## অন্ধ্ৰ প্ৰদেশ-চণ্ডীগড়তো বিয়পিল অ'মিক্ৰন, দেশত আক্ৰান্ত ৩৫ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ ডিচেম্বৰ ঃ** অন্ধ্ৰ প্ৰদেশ আৰু চণ্ডীগড়তো কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত দুজনকৈ ব্যক্তিক চিনাক্ত কৰা হ'ল। অ'মিক্ৰনত আক্ৰান্ত এই দুই ব্যক্তিয়ে বিদেশৰ পৰা ভাৰতলৈ উভতি আহিছিল। অন্ধ্ৰ প্ৰদেশত ৩৪ বছৰীয়া এজন লোকৰ শৰীৰত ক'ভিডৰ নতুন ভাইৰাছৰ উপস্থিতি নিশ্চিত কৰা হৈছে। এই ব্যক্তিজনে আয়াৰলেণ্ড ভ্ৰমণ কৰি ঘৰলৈ উভতি আহিছিল। আনহাতে, চণ্ডীগড়ত এজন ২০ বছৰীয়া যুৱকৰ শৰীৰত এই নতুন প্ৰজাতিৰ ক'ভিডৰ সংক্ৰমণ ধৰা পৰিলে। যুৱকজনে যোৱা ২২ নৱেম্বৰত ইটালীৰ পৰা চণ্ডীগড়লৈ উভতি আহি ঘৰতে নিভৃতবাসত আছিল। কালি দিল্লীতো এজন ব্যক্তিৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। এই ব্যক্তিজনে অলপতে জিম্বাব'ৱে ভ্ৰমণ কৰিছিল। বৰ্তমানলৈকে মহাৰাষ্ট্ৰত সৰ্বাধিকসংখ্যক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। ভাৰতত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৩৫ জনলৈ বৃদ্ধি পালে। মুম্বাইত ইতিমধ্যে ৰেলী, সমদল, জনসমাৱেশ আদিত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

## ছৌদি আৰৱত নিষিদ্ধ হ'ল তবলীগি জামাত



**নিউজ ব্যুৰ', ৰিয়াদ, ১২ ডিচেম্বৰ ঃ** ছৌদি আৰৱে ছুন্নী মুছলমানৰ সৰ্ববৃহৎ সংগঠন তবলীগি জামাতক নিষিদ্ধ ঘোষণা কৰিলে। ছৌদি আৰৱ চৰকাৰে জামাতক সমাজৰ বাবে এক বিপদ অভিহিত কৰাৰ লগতে এই সংগঠনটো সন্ত্ৰাসবাদৰ প্ৰৱেশদ্বাৰ বুলি অভিযোগ কৰে। ছৌদি ইছলামিক বিষয়ৰ মন্ত্ৰণালয়ে মছজিদত শুকুৰৰ বাবে জুমুৱাৰ নামাজৰ পাছত উপস্থিত লোকসকলক তবলীগি জামাতৰ স'তে জড়িত নহ'বলৈ সকীয়নি দিছে। এতিয়াৰে পৰা ছৌদি আৰৱৰ কোনো মছজিদত তবলীগি জামাতে সমাৱেশৰ আয়োজন কৰিব নোৱাৰিব। জামাতে ধৰ্ম প্ৰচাৰৰ নামত সন্ত্ৰাস সৃষ্টিৰ কাম-কাজত জড়িত হৈ আহিছে বুলিও ছৌদি চৰকাৰে সংগঠনটোৰ বিৰুদ্ধে অভিযোগ কৰে।

## টিটিপিৰে সম্পৰ্ক নাই আফগান তালিবানৰ



**নিউজ ব্যুৰ', কাবুল, ১২ ডিচেম্বৰ ঃ** আফগানিস্তানৰ শাসক তালিবানে ঘোষণা কৰা অনুসৰি পাকিস্তানত নিষিদ্ধ তহৰিক-এ-তালিবান পাকিস্তান (টিটিপি)ৰ স'তে আফগান তালিবানৰ কোনো সম্পৰ্ক নাই। উল্লেখ্য যে অলপতে টিটিপিৰ মুৰব্বী মুফটি নুৰ বলী মহছুদে কৈছিল যে তেওঁৰ সংগঠনটো ইছলামিক এমিৰাট অৱ আফগানিস্তান (আই ই এ)ৰ এটা শাখা। 'আৰৱ নিউজ'ৰ এক সাক্ষাৎকাৰত তালিবানৰ মুখপাত্ৰ জবিহুল্লা মুজাহিদে টিটিপিৰ এই দাবী অস্বীকাৰ কৰি কয় যে তহৰিক-এ-তালিবান পাকিস্তান আফগান তালিবানৰ কোনো শাখা সংগঠন নহয়। আফগান তালিবানৰ কোনো শাখা নাই বুলি স্পষ্ট কৰি দি মুজাহিদে টিটিপিৰ স'তে আই এ ইৰ সম্পৰ্ক থকাৰ কথাও অস্বীকাৰ কৰে। টিটিপি পাকিস্তানৰ এটা আভ্যন্তৰীণ বিষয় বুলিও আফগান তালিবানৰ মুখপাত্ৰজনে মন্তব্য কৰে।



## বলপূৰ্বক ধৰ্মান্তকৰণৰ বিৰুদ্ধে পাকিস্তানৰ একাধিক চহৰত সংখ্যালঘুৰ ব্যাপক প্ৰতিবাদ

**নিউজ ব্যুৰ', সিন্ধ, ১২ ডিচেম্বৰ ঃ** বিগত কে'বা বছৰ ধৰি পাকিস্তানত সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ কন্যা সন্তানক বলপূৰ্বক ধৰ্মান্তকৰণৰ ঘটনা সংঘটিত হৈ আহিছে। কালি আন্তৰ্জাতিক মানৱাধিকাৰ দিৱসৰ দিনা পাকিস্তানৰ সিন্ধ প্ৰদেশৰ বিভিন্ন চহৰত প্ৰতিবাদী সমদল উলিয়ালে দেশখনৰ বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে। বলপূৰ্বক ধৰ্মান্তকৰণৰ বিৰোধিতাৰে সৰৱ হ'ল সিন্ধ প্ৰদেশৰ এইসকল সংখ্যালঘু বাসিন্দা। সিন্ধ প্ৰদেশৰ হায়দৰাবাদৰ প্ৰেছ ক্লাবৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিলে খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকে। আনহাতে, জাকোবাবাদতো সংখ্যালঘু হিন্দুসকলে বলপূৰ্বক ধৰ্মান্তকৰণৰ বিৰোধিতাৰে বিক্ষোভ প্ৰদৰ্শন কৰে।

## পূৰ্বাঞ্চলৰ প্ৰভাৱশালী নেতা হৰিশংকৰ তিৱাৰী পৰিয়ালৰ সমাজবাদী পাৰ্টিত যোগদান

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১২ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিধায়ক বিনয় শংকৰসহ হৰিশংকৰ তিৱাৰী পৰিয়ালে সমাজবাদী পাৰ্টিত যোগদান কৰিলে। উল্লেখ্য যে তিৱাৰী পৰিয়াল ৰাজ্যখনৰ পূৰ্বাঞ্চলৰ অন্যতম প্ৰভাৱশালী ব্ৰাহ্মণ নেতা হিচাপে পৰিচিত। বিনয়ৰ লগতে তেওঁৰ আত্মীয় আৰু বিধান পৰিষদৰ প্ৰাক্তন সভাপতি গণেশ শংকৰ পাণ্ডেয় আৰু প্ৰাক্তন সাংসদ কুশল তিৱাৰীয়েও সমাজবাদী পাৰ্টিৰ সদস্যপদ গ্ৰহণ কৰিলে। আজি



অখিলেশ যাদৱৰ উপস্থিতিত লক্ষ্ণৌত সমাজবাদী পাৰ্টিৰ কাৰ্যালয়ত তিৱাৰী পৰিয়ালে দলত যোগদান কৰে। উল্লেখ্য

যে কিছুদিন পূৰ্বে বহুজন সমাজ পাৰ্টিৰ নেত্ৰী মায়াৱতীয়ে হৰিশংকৰক দলৰ পৰা বহিষ্কাৰ কৰিছিল। ১৯৮০ৰ দশকত হৰিশংকৰে অপৰাধ জগত ত্যাগ কৰি ৰাজনীতিত প্ৰৱেশ কৰিছিল। চিল্লুপাৰ সমষ্টিৰ পৰা হৰিশংকৰ ছবাৰকৈ বিধায়ক নিৰ্বাচিত হৈছিল। ৮৮ বছৰীয়া হৰিশংকৰ বৰ্তমানে ৰাজনৈতিকভাৱে সক্ৰিয় নহয়। হৰিশংকৰৰ ভাগিন গণেশ শংকৰে ২০০৭ত বহুজন সমাজ পাৰ্টিৰ চৰকাৰত বিধান পৰিষদৰ সভাপতি নিযুক্ত হৈছিল।

## উত্তৰ প্ৰদেশৰ সবাতোকৈ ধনাঢ্য সাংসদ মলুক নাগৰৰ সম্পত্তি জব্দ



**নিউজ ব্যুৰ', নয়ডা, ১২ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ বিজনৌৰ লোকসভাৰ বহুজন সমাজ পাৰ্টিৰ সাংসদ মলুক নাগৰ আৰু তেওঁৰ ভ্ৰাতৃৰ সম্পত্তি জব্দ কৰিলে বেংকে। এই সন্দৰ্ভত ভাৰতীয় ষ্টেট বেংকে বিজ্ঞাপন প্ৰকাশ কৰিছে। বেংকে এই বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি, নাগৰ ডেইৰী প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোক বেংকে ঋণ যোগান ধৰিছিল আৰু এই ঋণৰ 'গেৰাণ্টৰ' আছিল মলুক নাগৰ আৰু তেওঁৰ ভ্ৰাতৃ ৰাজবীৰ নাগৰ। ২০১৭ৰ ১২ জুনত বেংকে জাননী জাৰি কৰি ৬০ দিনৰ ভিতৰত ৫৩ কোটি ৬৫ লাখ সাত হেজাৰ ৮৬৬ টকা পৰিশোধ কৰিবলৈ সময় বান্ধি দিছিল। কিন্তু নাগৰ ভ্ৰাতৃদ্বয়ে ঋণ পৰিশোধ নকৰাত অনাদায় ঋণৰ পৰিমাণ অধিক বৃদ্ধি হয়। বেংকে নাগৰ ভ্ৰাতৃদ্বয়ৰ নামত থকা মেৰঠ আৰু হাপুৰ জিলাৰ ভূমি সম্পত্তি যোৱা ন ডিচেম্বৰত জব্দ কৰে। বহুজন সমাজ পাৰ্টিৰ সাংসদ মলুক নাগৰ এজন ব্যৱসায়ী আৰু নয়ডাত তেওঁৰ গৃহ নিৰ্মাণৰ বৃহৎ ব্যৱসায় আছে। উত্তৰ প্ৰদেশৰ সবাতোকৈ ধনাঢ্য সাংসদ হিচাপেও নাগৰ পৰিচিত।

## গোৱাত আকৌ এবাৰ ক্ষমতা দখল কৰিব পাৰে বিজেপিয়ে, সমীক্ষাৰ তথ্য



**নিউজ ব্যুৰ', পানাজি, ১২ ডিচেম্বৰ ঃ এবিপি-চি ভোটাৰৰ সমীক্ষাৰ তথ্য অনুসৰি, আকৌ এবাৰ গোৱাৰ ক্ষমতা দখল কৰিব পাৰে বিজেপিয়ে। প্ৰাক নিৰ্বাচনী সমীক্ষাৰ তথ্য অনুসৰি বিজেপিয়ে আসন্ন বিধানসভাৰ নিৰ্বাচনত গোৱাত ১৭-২১ আসনত জয়লাভ কৰাৰ সম্ভাৱনা আছে। আনহাতে কংগ্ৰেছে ৰাজ্যখনত চাৰি-আঠখন আসনত জয়লাভ কৰিব পাৰে। আম আদমী পাৰ্টিয়ে লাভ কৰিব পাঁচৰ পৰা নখন আসন। তৃণমূল কংগ্ৰেছসহ অন্য স্থানীয় দলে ছয়ৰ পৰা ১০ আসনত জয়লাভ কৰাৰ সম্ভাৱনা আছে। গোৱাত আগন্তুক বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে ৩০ শতাংশ আৰু কংগ্ৰেছে ২০ শতাংশ ভোট লাভ কৰিব পাৰে। আম আদমী পাৰ্টিয়ে লাভ কৰিব ২৪ শতাংশ ভোট। অৱশ্যে গোৱাত তৃণমূল কংগ্ৰেছৰ শক্তি ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে বুলি এই সমীক্ষাত প্ৰকাশ।**

## কংগ্ৰেছৰ পৰা পঞ্জাৱ কাঢ়িব আপে, উত্তৰাখণ্ডত তীব্ৰ প্ৰতিদ্বন্দ্বিতা ঃ সমীক্ষা

**নিউজ ব্যুৰ' চণ্ডীগড়, ১২ ডিচেম্বৰ ঃ** নিৰ্বাচনৰ কে'বামাহ পূৰ্বৰে পৰা পঞ্জাৱ কংগ্ৰেছত সংঘাত তীব্ৰ হৈ উঠিছে। কংগ্ৰেছৰ দীৰ্ঘদিনৰ সৈনিক কেপ্টেইন অমৰিন্দৰ সিঙে কংগ্ৰেছ ত্যাগ কৰি নিজা দল গঠন কৰাৰ পাছত পঞ্জাৱৰ ৰাজনৈতিক দৃশ্যপট ক্ৰমে সলনি হ'বলৈ ধৰিছে। এনে পৰিস্থিতিত আসন্ন বিধানসভাৰ নিৰ্বাচনত ৰাজ্যখনত লাভৱান হ'ব পাৰে আম আদমী পাৰ্টি (আপ)। চি ভোটাৰৰ সমীক্ষা অনুসৰি আসন্ন বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ হাতৰ পৰা পঞ্জাৱ কাঢ়ি আনিব পাৰে আপে। এই সমীক্ষাৰ ফলাফল অনুসৰি কংগ্ৰেছে ৰাজ্যখনত ৩৪ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে আপে ৩৮ শতাংশ ভোট লাভ কৰাৰ সম্ভাৱনা আছে। আকালি মৰ্চাই ২০ শতাংশ আৰু বিজেপিয়ে মাত্ৰ তিনি শতাংশ ভোট ৰাজ্যখনত লাভ কৰিব। কংগ্ৰেছে পঞ্জাৱত ৩৪-৩৯ আসনত জয়লাভ কৰাৰ সম্ভাৱনা আছে। আপে ৰাজ্যখনত ৫০-৫৬, আকালি দল মৰ্চাই ১৭-২৩ আৰু



বিজেপিয়ে ০-৩ সমষ্টিত জয়লাভ কৰিব পাৰে। আনহাতে, চি ভোটাৰৰ শেহতীয়া সমীক্ষা অনুসৰি, উত্তৰাখণ্ডত বিজেপি আৰু কংগ্ৰেছৰ মাজত বিধানসভাৰ নিৰ্বাচনত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। বিজেপিয়ে উত্তৰাখণ্ডত ৩৩-৩৯ আৰু কংগ্ৰেছে ২৯-৩৫ সমষ্টিত জয়লাভ কৰিব পাৰে। বিজেপিয়ে ৰাজ্যখনত ৪০ শতাংশ আৰু কংগ্ৰেছ ৩৬ শতাংশ ভোট লাভ কৰিব। আপে উত্তৰাখণ্ডত লাভ কৰিব পাৰে ১২ শতাংশ ভোট।

# চিৰাঙত ৰাষ্ট্ৰীয় লোক আদালতত এহেজাৰতকৈ অধিক গোচৰ নিষ্পত্তি

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১২ ডিচেম্বৰ ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে কালি চিৰাং জিলাতো অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় লোক আদালত। দীৰ্ঘদিন ধৰি নিষ্পত্তি নোহোৱা বেংকৰ ঋণ অনাদায় হৈ থকা বিদ্যুৎ বিভাগৰ বিল,পৰিবহণ বিভাগৰ লগতে অন্যান্য বিভাগৰ গোচৰসমূহ বুজাবুজিৰ মাধ্যমেৰে নিষ্পত্তি কৰাৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে চিৰাং জিলাৰ সদৰৰ কাজলগাঁৱস্থিত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ দুটাকৈ চৌহদত আৰু বিজনী চহৰৰ বিজনী মহকুমাৰ ন্যায়িক আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। চিৰাং জিলা আইন প্ৰাধিকৰণৰ উদ্যোগত জিলাখনত আজি এই আদালত সম্পন্ন কৰিবৰ বাবে সাতজনকৈ ন্যায়িক দণ্ডাধীশ নিয়োগ কৰে। মাহটোৰ দ্বিতীয়টো শনিবাৰ বন্ধবাৰ হোৱা সত্বেও ৰাইজৰ সুবিধাৰ বাবে অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় লোক আদালত। চিৰাং জিলাত অনুষ্ঠিত লোক আদালত সন্দৰ্ভত জিলা আইন প্ৰাধিকৰণৰ জ্যেষ্ঠ সহায়ক পাৰ্থ প্ৰতীম দাসে জানিবলৈ দিয়া মতে, চিৰাং জিলাত বেংকৰ ঋণ সম্পৰ্কীয় গোচৰ ৮৩৪টা, বিদ্যুৎ বিভাগৰ গোচৰ ২২৭টা পৰিবহণ বিভাগৰ নিষ্পত্তি নোহোৱা গোচৰ হৈছে ৪৩টা। মীমাংসা নোহোৱা গোচৰ সংখ্যা হৈছে ৫৯৫টা। জিলাখনত সৰ্বমুঠ ১৬৬০ গোচৰ নিষ্পত্তিৰ দিশে আগুৱাইছে। লোক আদালতত কে'বাটাও বেংকৰ অনাদায় ঋণ বিদ্যুৎ বিল সম্পৰ্কীয় ওজৰ-আপত্তিসমূহো নিষ্পত্তিৰ প্ৰচেষ্টা চলোৱা হয়। ক'ভিড বিধি অৱলম্বনেৰে এই লোক আদালত অনুষ্ঠিত হৈছে।

# প্ৰধান শিক্ষক পৰেশ বৰুৱাক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ১২ ডিচেম্বৰ ঃ** দৰং জিলাৰ দেওমৰনৈ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ অন্তৰ্গত কৃষক প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক পৰেশ বৰুৱাক আজি বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। কৈকৰা গাঁৱত ১৯৮৫তে স্থাপন কৰা কৃষক প্ৰাথমিক বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে বৰুৱাই যোগদান কৰি বেচৰকাৰী বিদ্যালয়খনত শিক্ষকতা কৰি ২০১৩ত পদ প্ৰাদেশিকীকৰণ হয়। সুদীৰ্ঘ ৩৫ বছৰ কাল সুকলমে শিক্ষকতা কৰাৰ অন্তত যোৱা ৩১ মাৰ্চত চৰকাৰী নীতি-অনুসৰি তেওঁ অৱসৰ গ্ৰহণ কৰে। আজি দেওমৰনৈ প্ৰাথমিক শিক্ষক কেন্দ্ৰই পাতিদৰং নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এখন সভাত তেওঁক বিদায় সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰৰ সভাপতি গোবিন্দ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাষণ আগবঢ়োৱাৰ লগতে সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, শৰাই, গ্ৰন্থ, ফুলাম জাপি আদিৰে সম্বোধিত কৰি শিক্ষকসকলে বিদায়ী শিক্ষকজনক কৈকৰাস্থিত বাসগৃহত থৈ আহে। তেওঁৰ বাসগৃহতো এক চমু সভাত জ্যেষ্ঠ ব্যক্তি হৰেন বৰুৱা, শিক্ষক গণেশ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক শচীন চহৰীয়া, দেওমৰনৈ মহাবিদ্যালয়ৰ প্ৰবক্তা ভূপেন ৰাজবংশী, পঞ্চায়ত সচিব শচীন বৰুৱা, জ্যেষ্ঠ শিক্ষক উপেন্দ্ৰজিৎ কলিতা আদিয়ে চমু ভাষণ আগবঢ়ায়।

# সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত সজাগতামূলক বাটৰ নাট-সমদল

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১২ ডিচেম্বৰ ঃ** হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ত যোৱা আঠ ডিচেম্বৰত নাৰী নিৰ্যাতন আৰু বাল্য বিবাহৰ বিৰুদ্ধে এখন সজাগতামূলক বাটৰ নাট আৰু সমদল কাৰ্যসূচী সম্পন্ন কৰা হয়। ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত পাখামেলাত আজি এখন সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে পাখামেলা, ভৰালীটোলা, মালীটোলা হৈ এটি সমদল উলিয়াই অংগনৱাড়ী কৰ্মীসকলে জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰে। সমদলৰ শেষত এখন সজাগতামূলক সভাও অনুষ্ঠিত কৰা হয়। বিশেষকৈ ৰাজ্যত সংঘটিত হৈ থকা নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, ডাইনী হত্যা, বাল্য বিবাহ আদি বন্ধ কৰি নাৰী সুৰক্ষাৰ স্বাৰ্থত এই কাৰ্যসূচী ৰূপায়ণ কৰে হাজো শিশু উন্নয়ন প্ৰকল্পৰ কৰ্মীসকলে। লগতে কিছু মনোৰঞ্জনৰ বাবে অংগনৱাড়ী কৰ্মী, সহায়িকা, কৰ্মচাৰীসকলে নৃত্য-গীত পৰিবেশন কৰিও দৰ্শকক আপ্লুত কৰা দেখা গৈছে। কাৰ্যসূচীত সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰায় সংখ্যক মুখ্য সেৱিকা, বিষয়া কৰ্মচাৰী, এ এন এম, আশাকৰ্মীৰ লগতে অংগনৱাড়ী কৰ্মী সহায়িকাসকলে অংশগ্ৰহণ কৰে।

# ওদালগুৰি শতদল সাহিত্য সভাৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১২ ডিচেম্বৰ ঃ** ওদালগুৰি সাহিত্য সভাৰ উদ্যোগত আৰু ড° ভূপেন হাজৰিকা প্ৰতিমূৰ্তি অৱৰক্ষণ সমিতিৰ সহযোগত অহা ছয়ৰ পৰা ১০ জানুৱাৰীলৈ ওদালগুৰি সাহিত্য সভাৰ বাকৰিত আয়োজন কৰা হৈছে। এই উপলক্ষে ছয় ডিচেম্বৰত ওদালগুৰি সাহিত্য সভাৰ সভাপতি কমলাকান্ত শৰ্মাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সম্পাদক অজয় কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই গ্ৰন্থমেলা অনুষ্ঠিত কৰা সন্দৰ্ভত বক্তব্য আগবঢ়াই নাগৰিক নৰেশ্বৰ ডেকা, উপ-সভাপতি বিষ্ণু শৰ্মা নেওপানে, সাহিত্যক বিদ্যাপতি দাহাল, গৌতমজ্যোতি তালুকদাৰ, অখিল কলিতা, নৃপেন্দ্ৰ শৰ্মা, হিৰন্ময়ী গোস্বামী আদিয়ে কয় 'বহু বছৰ ধৰি ওদালগুৰিত গ্ৰন্থমেলা অনুষ্ঠিত হোৱা নাই। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক কিতাপ পঢ়াৰ পৰিৱেশ সৃষ্টিয়ে ওদালগুৰি সাহিত্য সভা আৰু ড° ভূপেন হাজৰিকা প্ৰতিমূৰ্তি অৱৰক্ষণ সমিতিয়ে গ্ৰহণ কৰা কাৰ্য সময়োপযোগী হৈছে বুলি উল্লেখ কৰি বিভিন্ন দিশত পৰামৰ্শ আগবঢ়ায়। পৰামৰ্শ গ্ৰহণ কৰি সভাই সিদ্ধান্ত গ্ৰহণ কৰি পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, আকস্মিক বক্তৃতা, কুইজ, আবৃত্তি, থিতাতে ৰচনা লিখা, সাধুকথা কোৱা, কিতাপ পঢ়া প্ৰতিযোগিতাৰ লগতে আলোচনা চক্ৰ, কবি সন্মিলন আদি অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ উপৰি ১০ জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, উপ-সভাপতি মৃণালিনী দেৱী, সম্পাদক প্ৰধান যাদৱ শৰ্মা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তকে ধৰি কে'বাগৰাকী বিশিষ্ট লোকক আমন্ত্ৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত চিআৰপিএফৰ অভিৰোচনমূলক বক্তৃতানুষ্ঠান

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১২ ডিচেম্বৰ ঃ** চিআৰপিএফৰ হাউলীৰ দশম বেটেলিয়নৰ উদ্যোগত আৰু ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগত যোৱা ১০ ডিচেম্বৰত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৱাকৈ অভিৰোচনমূলক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপক ৰাজু কুমাৰ দাসে আঁত ধৰা তথা পৰিচালনা কৰা বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই। আদৰণি ভাষণত ড° শৰ্মাই সামৰিক-অৰ্ধসামৰিক বাহিনীয়ে আজিৰ সময়ৰ ছাত্ৰ-ছাত্ৰী তথা মানৱ সম্পদক আগুৱাই নিয়াৰ উদ্দেশ্যে বিশেষ বিশেষ আঁচনি ৰূপায়ণ কৰাটো আদৰণীয় বুলি উল্লেখ কৰে। বক্তৃতানুষ্ঠানত চিআৰপিএফৰ বঙাইগাঁও শিবিৰৰ ডিআইজি (অপাৰেছন) জয়দেৱ কেছৰীয়ে সমল ব্যক্তিৰূপে বক্তৃতা প্ৰদান কৰে। ডিআইজি কেছৰীয়ে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ নিৰাপত্তা বা সুৰক্ষা, সামৰিক, অৰ্ধসামৰিক ক্ষেত্ৰত যোগদানৰ বাবে প্ৰস্তুতি, ব্যক্তিত্বৰ উন্নয়ন, আত্মনিৰ্ভৰশীলতাৰ ওপৰত বহল ব্যাখ্যাৰে বক্তৃতা প্ৰদান কৰে। তদুপৰি অনুষ্ঠানত অস্ত্ৰ-সমৰকলাও প্ৰদৰ্শন কৰা হয়।

## শংকৰদেৱ শিশু বিদ্যা নিকেতন ৰামদিয়াৰ বাৰ্ষিক ক্ৰীড়া কলা মহোৎসৱৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১২ ডিচেম্বৰ ঃ** 'এই পৃথিৱী এক ক্ৰীড়াংগন ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগণ। এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে এটি সুস্থ দেহৰ মনৰ অধিকাৰী হ'বলৈ হ'লে খেল-ধেমালি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজন।' এই নীতি সাৰোগত কৰি সত্ৰনগৰী ৰামদিয়াস্থিত ৰূপালী জয়ন্তীবৰ্ষ গৰকা ব্যক্তিগত মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু বিদ্যা নিকেতন ৰামদিয়াত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা বাৰ্ষিক ক্ৰীড়া মহোৎসৱৰ যোৱা ১১ ডিচেম্বৰত সামৰণি পৰে। অৱশ্যে ক্ৰীড়া মহোৎসৱত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাও পৰিলক্ষিত হৈছে। লগতে ক্ৰীড়া মহোৎসৱৰ অন্তত বিজেতা শিক্ষাৰ্থীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়।

## মঙলদৈত বিশ্ব মানৱ অধিকাৰ দিৱস পালন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১২ ডিচেম্বৰ ঃ** বিভিন্ন প্ৰান্তৰ লগতে বিশ্ব মানৱ অধিকাৰ দিৱস উপলক্ষে মঙলদৈত যোৱা ১০ ডিচেম্বৰত পশ্চিম মঙলদৈ কৃষ্টি সংঘৰ বাকৰিত ৰাজ্যিকভাৱে উদ্‌যাপন কৰা হয় বিশ্ব মানৱ অদিকাৰ দিৱস। ৰাজ্য তথা জিলাখনৰ বহুকেইগৰাকী মানৱ অধিকাৰ কৰ্মীৰ উপস্থিতিত তামিলনাড়ুৰ কুন্নত সংঘটিত হোৱা সামৰিক বাহিনীৰ হেলিকপ্টাৰ দুৰ্ঘটনাত প্ৰাণ আহুতি দিয়া বিপিন ৰাৱটক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে ৰাজ্যখনত বিভিন্ন ধৰণৰ মানৱ অধিকাৰ খৰ্ব হোৱা বিষয়ৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মঙলদৈ চপাইস্থিত ভাৰতীয় সামৰিক বাহিনীৰ হাবিলদাৰ সুখবীৰ সিং, মানৱ অধিকাৰ সমিতিৰ ৰাজ্যিক সভাপতি কিশোৰ ডেকা, সম্পাদক অনুপম ডেকা, জিলা কাৰ্যকৰী সভাপতি মহেন্দ্ৰ বৰুৱা, অধিবক্তা মাধৱ ৰাজবংশী, বিশিষ্ট সাহিত্যিক ড° নগেন শৰ্মাকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে।

## বনভাগ ঘোহকুছি হাইস্কুলত বিশেষ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বনভাগ ঘোহকুছি হাইস্কুলত যোৱা ১০ ডিচেম্বৰত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কাৰ্তিক চৌধুৰীৰ সভাপতিত্বত এখন বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সভাত ২০১৯ত অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰী ক্ৰমে কস্তুৰী চৌধুৰী, সমীৰণ শৰ্মা, কৃষ্ণামণি বৰ্মন, ধৃতিস্মিতা কলিতা লগতে ২০২০ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৮.১৬ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা প্ৰিয়াংশী কাশ্যপক বিদ্যালয়ৰ তৰফৰ পৰা আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজাববীয়াকৈ ফুলাম গামোচ, কিতাপৰ টোপোলা, কলম আৰু নগদ ধনেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক গোবিন্দ কলিতাকে ধৰি সকলো শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে। প্ৰিয়াংশী কলিতাই বিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰীক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি সাৰগৰ্ভ ভাষণ আগবঢ়াই বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক প্ৰফুল্ল চন্দ্ৰ দাসৰ লগতে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সদস্য কংসধৰ দাসে।

# সৰ্বদিশতে অৱহেলিত ঘগ্ৰাপাৰ ষ্টেচন

## নীৰৱ-নিৰ্বিকাৰ ৰেল বিভাগ




**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰেল ষ্টেচন দেশ স্বাধীনতাৰ সময়তে স্থাপিত হৈছিল যদিও স্বাধীনতাৰ ৭৫ বছৰ পাছতো সৰ্বদিশতে ষ্টেচনটো ৰেল বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষ তথা ৰেলমন্ত্ৰীৰ গুৰুত্বহীনতাৰ বাবে আজিও অৱহেলিত হৈ অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ৰেল ষ্টেচনটোত কে'বা দশক পূৰ্বে নিৰ্মিত এটি সাধাৰণ যাত্ৰী জিৰণি চ'ৰা ষ্টেচনটোৰ টিকট ঘৰটো সংলগ্নকৈ প্লেটফৰ্ম আছে যদিও বিপৰীত দিশত প্লেটফৰ্ম স্থাপন নহ'ল। তদুপৰি যাত্ৰী অনুযায়ী শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ, বেঞ্চৰ অভাৱৰ উপৰি নিশা বিজুলী সংযোগত ব্যাঘাত জন্মিলে যাত্ৰীসকলে নিৰাপত্তাহীনতাত ভুগিব লগা হয়। বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ প্ৰায় অৰ্ধশতাধিক গাঁৱৰ ৰেল যাত্ৰীয়ে নিতো ষ্টেচনত উপস্থিত হৈ বিভিন্ন ঠাইলৈ ৰেলৰে যাত্ৰা কৰে যদিও ষ্টেচনটো বিশুদ্ধ খোৱা পানী এটুপিও প্ৰয়োজনত নাপায়। প্ৰণিধানযোগ্য যে ষ্টেচনটোত ইতিমধ্যে সৰু-বৰ কাজিয়া-মাৰপিটকে ধৰি একাংশ অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছে যদিও ৰেল বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষ তথা ৰেল বিভাগৰ মন্ত্ৰীয়ে বৰ্তমানলৈ ষ্টেচনটোত চি চি টিভি কেমেৰা সংযোগ কৰিবলৈ সক্ষম নহ'ল বুলি অভিযোগ উঠিছে। আনহাতে, ষ্টেচনটো ৰেলপথ পাৰ হ'ব পৰাকৈ এখন উৰণীয়া সেতু আছে যদিও যাত্ৰী অহা-যোৱা কৰা প্ৰধান প্ৰৱেশ দ্বাৰৰ পৰা সেতুখন বহু আঁতৰত অৱস্থিত আনকি উৰণীয়া সেতুত উঠিব পৰা চিৰি দুটাও ওলোটা দিশে নিৰ্মাণ কৰাত কোনো যাত্ৰী বা আন লোক তাত নুঠে। ৰেলপথৰ ওপৰেদি সকলো যাত্ৰী পাৰাপাৰ হয়। ফলত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে বিগত বছৰসমূহত কে'বাগৰাকী সাংসদ-মন্ত্ৰী ঘগ্ৰাপাৰত উপস্থিত হৈ ৰেলপথ (পদপথ)টো পৰিদৰ্শন কৰি 'লেভেল ক্ৰছিং স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছিল কিন্তু এইসকলৰ প্ৰতিশ্ৰুতি আজিও পূৰণ নহ'ল। সম্প্ৰতি ষ্টেচনটোৰ পুৰণি আৱাস গৃহসমূহ জহি-খহি যোৱাৰো উপক্ৰম ঘটিছে। একাংশ পৰিত্যক্ত আৱাস গৃহ বহুদিন ধৰি মেৰামতি আৰু ব্যৱহাৰ নকৰাত হাবি-জংঘলে আৱৰি ধৰিছে।

## তুলা কাৰখানা বন্ধৰ দাবীত বিধায়ক-ৰাজহ চক্ৰ বিষয়াক অভিযোগ

### জনস্বাস্থ্যলৈ চৰম ভাবুকি

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১২ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ এক নম্বৰ মেধিচুবুৰি গাঁৱত নতুনকৈ স্থাপন হোৱা তুলা কাৰখানা স্থাপনৰ তীব্ৰ বিৰোধিতাৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ঢেকিয়াজুলি শাখা, শোণিতপুৰ জিলা চাহ জনজাতি জলহা যুৱ ছাত্ৰ পৰিষদকে ধৰি অঞ্চলটোৰ একাংশ ৰাইজে স্থানীয় বৰছলাৰ বিধায়ক গণেশ লিম্বু আৰু ঢেকিয়াজুলি ৰাজহ চক্ৰ বিষয়াক যোৱা পাঁচ ডিচেম্বৰত স্মাৰকপত্ৰ প্ৰদান কৰে। তুলা উদ্যোগটোৰে জনস্বাস্থ্যলৈ চৰম ভাবুকি কঢ়িওৱাৰ আশংকাত অঞ্চলটোৰ ৰাইজৰ লগতে ঢেকিয়াজুলি শাখা আটছা, চাহ জনজাতি জলহা যুৱ ছাত্ৰ পৰিষদে গাঁওখনৰ মাজত আৱাসিক অঞ্চলৰ আশে-পাশে তুলা কাৰখানা স্থাপনৰ কেনেকৈ অনুমতি লাভ কৰিলে বুলি প্ৰশ্ন কৰি শীঘ্ৰে ইয়াৰ অনুমতি বাতিল কৰাৰ দাবী জনাই এই অভিযোগ দাখিল কৰিছে। উদ্যোগটোৰে জনস্বাস্থ্যলৈ চৰম ভাবুকিৰ আশংকা কৰাৰ লগতে উক্ত উদ্যোগত সঘনাই জুই লাগে বুলি অভিযোগ কৰি শীঘ্ৰে গাঁওখনত উদ্যোগটো স্থাপনৰ অনুমতি বাতিলৰ দাবী জনাই ঢেকিয়াজুলি শাখা আটছা আৰু শোণিতপুৰ জিলা চাহ জনজাতি জলহা যুৱ ছাত্ৰ পৰিষদে। সংগঠন দুটাই এই ক্ষেত্ৰত স্থানীয় বিধায়ক লিম্বুৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষলৈয়ো অভিযোগ দাখিল কৰিছে। উদ্যোগটো বন্ধ কৰাৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি হুংকাৰ দিছে সংগঠন দুটাই।

## নতুন বৰলা ভ্ৰাতৃ সংঘৰ উদ্যোগত তৃতীয় বাৰ্ষিক শ্ৰীশ্ৰীমনসা পূজা উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১২ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত নতুন বৰলাত ভ্ৰাতৃ সংঘৰ উদ্যোগত আৰু গাঁওবাসীৰ সহযোগত যোৱা সাত ডিচেম্বৰৰ পৰা ন ডিচেম্বৰলৈ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয় তৃতীয় বাৰ্ষিক শ্ৰীশ্ৰী মনসা পূজা সামৰণি প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত স্বচ্ছ অভিযান মুকলি কৰে লোহিত দাসে। ধৰ্মধ্বজা উত্তোলন, স্মৃতি, তৰ্পণ, সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বৃক্ষৰোপণ আৰু পূজামণ্ডপ উদ্বোধন কৰে ক্ৰমে ঘনশ্যাম দাস, জিতেন কাকতি, মনোজ শৰ্মা, মৃণ্ময় তালুকদাৰ আৰু দীনেশ শৰ্মাই। সন্ধিয়া পূজাৰ বেদীত মাঁ মনসাৰ প্ৰতিমূৰ্তি স্থাপন কৰি

### ■ স্মৃতিগ্ৰন্থ মানসী উন্মোচন

পুৰোহিতৰ দ্বাৰা পূজা কল্প আৰম্ভ কৰাৰ লগতে ওজাপালিৰ মনসা বন্দনা কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত জল আৰোহণ, হোমযজ্ঞ আৰু মহাভোগ বিতৰণ কৰা হয়। বিয়লি ভাগত শিক্ষক কংকন কাকতিৰ সম্পাদনাত প্ৰকাশিত 'মানসী' স্মৃতিগ্ৰন্থ মুকলি কৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি অমিয় কুমাৰ শৰ্মাই। অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে উপস্থিত থাকে সাহিত্য সাধনা মঞ্চ অসমৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক আৰু পত্ৰিকা সম্পাদক ক্ৰমে নৱজিৎ দাস আৰু গুণোজিৎ দাস। শেষৰ দিনা কাৰ্যসূচীত মাঁ মনসা দেৱীৰ প্ৰতিমূৰ্তি বিসৰ্জন দিয়াৰ লগতে আয়তীৰ দ্বাৰা নাম-প্ৰসংগ কৰা হয়।

## সমাজৰ অভিজ্ঞতা বৰ্ণিত হয় নাটক

### ■ মৰিগাঁৱত 'অসমীয়া নাট্য সাহিত্যত সাম্প্ৰতিক কালৰ ৰেহৰূপ' শীৰ্ষক আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১২ ডিচেম্বৰ ঃ** 'নাটক হৈছে কঠিন সাহিত্য। জীৱনৰ, সমাজৰ অভিজ্ঞতা বৰ্ণিত হয় নাটকত। ই সহজ কাম নহয়। মানুহৰ অনুভৱক বাংময় ৰূপ দিয়া নাটক, সেই বাবেই সাহিত্যৰ শক্তিশালী উপাদান।' মৰিগাঁৱত আজি এই মন্তব্য আগবঢ়াই জনপ্ৰিয় অভিনেতা, নাট্যকাৰ, পৰিচালক মৃদুল চুতীয়াই। মৰিগাঁও চহৰৰ মাজমজিয়াস্থিত পবিতৰা হাট প্ৰেক্ষাগৃহত মৰিগাঁও জিলা সাহিত্য সভাৰ নাট্য সন্মিলন উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত 'অসমীয়া নাট্য সাহিত্যত সাম্প্ৰতিক কালৰ ৰেহৰূপ' শীৰ্ষক আলোচনাচক্ৰত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি চুতীয়াই কয় যে সমাজত ঘটি থকা বাস্তৱ ঘটনা-পৰিঘটনাসমূহ সজাই-পৰাই সুন্দৰভাৱে উপস্থাপন কৰি নাটকৰ মাজেৰে সমাজলৈ আগবঢ়াব লাগে। ভাল নাটকবোৰ ছপা কৰি পঢ়ুৱৈ সমাজৰ বাবে উলিয়াই দিয়াতো অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰিছে। ভাল নাটক পঢ়িলেহে ভাল নাটকৰ সৃষ্টি হয়। নৱ প্ৰজন্মই ভাল নাটক পঢ়া-শুনা কৰিবলৈ নাটকসমূহ পুথিভঁৰালত উপলব্ধ হ'ব লাগিব, তেতিয়াহে ভাল নাটকৰ মাজেৰে সমাজলৈ ভাল বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হ'ব। নাটকত আজিকালি যিবোৰ চৰিত্ৰ ৰূপায়ণ কৰা হয়, সেয়া কিন্তু বাস্তৱত মিলা চৰিত্ৰ নহয়, এয়া আমাৰ বাবে অশুভ লক্ষণ। অসমত চলি থকা আজিকালি নাটকত চৰিত্ৰবোৰ হিন্দী ছবিৰ পৰা অনুকৰণ কৰিছে। অসমৰ নাটকত আমাৰ সমাজৰ বাস্তৱ ঘটনাসমূহ প্ৰতিফলিত হ'ব লাগে বুলি বিশিষ্ট নাট্যকাৰ চুতীয়াই উল্লেখ কৰে। নাট্য সন্মিলন উপ-সমিতিৰ সভাপতি লক্ষিত চন্দ্ৰ ডেকাই সঞ্চালনা কৰা আলোচনাচক্ৰ উদ্বোধন কৰি মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই উদ্বোধনীত কয় যে নাটক পৰিৱেশ-কলা। নাটকে সমাজ পৰিৱৰ্তনত অনুঘটকৰ কাম কৰে। নাটকৰ কাহিনী, সংলাপৰ মাজত সোমাই আছে সাহিত্যৰ ৰসময় ধাৰা। সমসাময়িক সমস্যাৰ ওপৰত ৰচিত নাটকসমূহে মনোৰঞ্জনৰ উপৰি সাহিত্যৰ এক স্থায়ীৰূপ সৃষ্টি কৰে বুলি জিলা সভাপতিজনে মন্তব্য আগবঢ়োৱাৰ উপৰি কয় যে নাট্য সাহিত্য সবল কৰাৰ বাবে মৰিগাঁও জিলা সাহিত্য সভা, নাট্য সন্মিলন উপ-সমিতিয়ে একাংকিকা নাট প্ৰতিযোগিতা আয়োজন কৰিছে। প্ৰথম তিনিখন নাটক পুৰস্কৃত কৰা হ'ব আৰু প্ৰথম ১০ খন নাটক কিতাপ আকাৰে ছপা কৰা হ'ব। ই এক আদৰণীয় পদক্ষেপ। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, গল্পকাৰ, সমালোচক শিৱানন্দ কাকতিয়ে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি কয় যে নাটকে সমাজ পৰিৱৰ্তনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজৰ উত্থান-পতনকে ধৰি সকলো দিশ সামৰি কেৱল নাটকেই নহয়, নাট্য সাহিত্যও সৃষ্টি হৈছে। নাট্য সাহিত্যৰ বিশ্বজোৰা ঐতিহ্য আছে, অসমৰ নাট্য সাহিত্যও অতি পুৰণি। জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত আৰু নাট্য সন্মিলনৰ উপ-সমিতিৰ সম্পাদক মিলন ডেকাই আঁত ধৰা আলোচনাচক্ৰত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট নাট্যকাৰ, পৰিচালক দীপক বৰা আৰু মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰীয়ে অংশগ্ৰহণ কৰে। বন্তি প্ৰজ্বলন কৰি বিশিষ্ট শিল্পী অশোক ডেকাই কাৰ্যসূচী মুকলি মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ ডেৰ শতাধিক সাহিত্যিক আৰু নাট্যকৰ্মীয়ে যোগদান কৰে।

## নতুন প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ দিব লাগিব

### ■ মঙলদৈ গ্ৰন্থমেলাৰ নতুন সমিতি গঠন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১২ ডিচেম্বৰ ঃ** 'নতুন প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ দিব লাগিব। তাৰ বাবে মাক-দেউতাকে দায়িত্ব ল'ব লাগিব। মাক-দেউতাক আহিলে ল'ৰা-ছোৱালী গ্ৰন্থমেলালৈ আহিবই।' এই ভাষ্য সাহিত্যিক ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱৰ। যোৱা আঠ ডিচেম্বৰ জিলা পুথিভঁৰাল প্ৰাংগণত মঙলদৈ গ্ৰন্থমেলা আয়োজন সম্পৰ্কে অনুষ্ঠিত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি সাহিত্যিকজনে ম'বাইল গ্ৰন্থ আৰু কাকত-আলোচনী নোহোৱা কৰিব নোৱাৰে বুলি কয়। গ্ৰন্থৰ গভীৰতা যিসকলে উপলব্ধি কৰে তেওঁলোকে গ্ৰন্থ ক্ৰয় আৰু অধ্যয়ন দুয়োটাই কৰে বুলিও কয়। মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষীনন্দন কলিতাই আঁত ধৰা আৰু সভাপতি মদন চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাখনত দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি তথা সাহিত্যিক বৰদা শইকীয়াই বিগত বছৰত মঙলদৈ গ্ৰন্থমেলাৰ সফলতাৰ পাছত এইবেলিও সফল আৰু সৰ্বাংগ সুন্দৰ হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত শিক্ষাবিদ ড° বুধিন চন্দ্ৰ হাজৰিকা, গীতিকাৰ, সাহিত্যিক চহিৰ ভূঞা, সাংস্কৃতিক সংগঠক ড° মৃণ্ময় নাথ, দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী, প্ৰাক্তন সম্পাদক মুকুট হাজৰিকা, কবি, সাহিত্যিক বিন্দু কলিতা ৰাজবংশী, যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা ভৰেশ কাকতি, সমাজসেৱী সংগীতা দেৱী, বিজেপিৰ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী গীতিমা দাস, সাংবাদিক হৰেন কলিতা আদিয়ে বক্তব্য আগবঢ়ায়। সভাত মঙলদৈ গ্ৰন্থমেলা, ২০২২ আয়োজনৰ বাবে সাংসদ দিলীপ শইকীয়াক সভাপতি, সাহিত্যিক ৰানা আলম, বৰদা শইকীয়াক উপ-সভাপতি, ৰাজীৱ কুমাৰ ডেকাক সাধাৰণ সম্পাদক আৰু মুকুট ৰাজ শৰ্মাক সমন্বয়ক হিচাপে লৈ এখন ৫৬ জনীয়া সমিতি গঠন কৰা হয়। সভাই অহা মাৰ্চত উত্তৰ-পূব পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

## নগাঁৱত আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ দিৱস উপলক্ষে আলোচনাচক্ৰ সম্পন্ন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ ডিচেম্বৰ ঃ** আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ দিৱসৰ স'তে সংগতি ৰাখি যোৱা ১০ ডিচেম্বৰত নিগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত নেচনেল হিউমেন ৰাইটছ্ এণ্ড ক্ৰাইম চেন্টেল ব্যুৰ'ৰ নগাঁও মহিলা শাখাৰ উদ্যোগত অনুষ্ঠিত হয় এখন আলোচনাচক্ৰ। উক্ত আলোচনাচক্ৰখনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° নয়নমনি শইকীয়া, মানৱাধিকাৰ সংগঠনৰ সভাপতি দিপমনি গায়ন, স্বেচ্ছাসেৱী অনুষ্ঠান ইলেইছন, সদৌ অসম প্ৰগতিশীল নাৰী সমাজৰ লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰখনত মুখ্য বিষয়ৰূপে 'গণ নিগ্ৰহ গুৰুতৰ মানৱাধিকাৰ উলংঘন, এই এক সামাজিক ব্যাধি প্ৰতিৰোধৰ ক্ষেত্ৰত, চৰকাৰ, ন্যায়পালিকা তথা মানৱাধিকাৰ কৰ্মী প্ৰমুখ্যে ৰাইজৰ দায়িত্ব কৰ্তব্য' শীৰ্ষক বিষয়ত বক্তব্য আগবঢ়াই উপস্থিত বিশিষ্ট অতিথিসকলে। উক্ত সভাত আদৰণি ভাষণ আগবঢ়াই অধ্যাপিকা ড° কৰবী কোচে। ইয়াৰ উপৰি আলোচনাচক্ৰখনত নেচনেল হিউমেন ৰাইটছ এণ্ড ক্ৰাইম চেন্টেল ব্যুৰ' সম্পৰ্কত বিষদভাৱে বিবৰণ দাঙি ধৰে সংস্থাটোৰ নগাঁও শাখাৰ সাধাৰণ সম্পাদিকা তথা অধিবক্তা শ্বাহনাজ চুলতানাই। সংগঠনটোৰ নগাঁও শাখাৰ সভানেত্ৰী অনিতা চাবুয়ে সংগঠনটোৱে নগাঁও জিলাত সৰ্বসাধাৰণ ৰাইজৰ মাজত আজিৰে পৰা সোমাই যাব পাৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শ্ৰীমন্তশংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা তথা নেচনেল হিউমেন ৰাইটছ্ এণ্ড ক্ৰাইম চেন্টেল ব্যুৰ'ৰ যুটীয়া সম্পাদিকা ড° ত্ৰিবেণী শইকীয়াই।

## বৰপেটাত ৰাজ্যিক ভিত্তিত কুইজ প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১২ ডিচেম্বৰ ঃ** অসমৰ এখন প্ৰাচীনতম শিক্ষানুষ্ঠান চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে গৌৰৱোজ্জ্বল ১৫০টা বছৰ অতিক্ৰম কৰিলে। ১৮৭১ত স্থাপিত বিদ্যালয়খনৰ ১৫০ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপনৰ সিদ্ধান্ত লোৱা হৈছে। অহা বৰ্ষৰ ফেব্ৰুৱাৰীত সামৰণি অনুষ্ঠানৰ মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে অহা ২৫ ডিচেম্বৰত এখন ৰাজ্যিক ভিত্তিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সিদিনাখন দিনৰ ১০ বজাৰ পৰা বিদ্যালয় প্ৰাংগণত অনুষ্ঠিতব্য কুইজ প্ৰতিযোগিতাত সৰ্বমুঠ ৩৫ হেজাৰ টকাৰ নগদ ধনৰ পুৰস্কাৰ ধাৰ্য কৰা হৈছে। প্ৰাথমিক ৰাউণ্ডৰ পৰা দুজনীয়া ছটা দল নিৰ্বাচন কৰা হ'ব। কে'বাটাও ৰাউণ্ডেৰে হ'বলগীয়া মূল প্ৰতিযোগিতাৰ দুটা ৰাউণ্ডত থাকিব বৰপেটাৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ বিষয়ত প্ৰশ্ন। প্ৰথম পুৰস্কাৰ হিচাপে থাকিব ১৫,০০০ নগদ ধন, দ্বিতীয় পুৰস্কাৰ- ১০,০০০, তৃতীয় পুৰস্কাৰ- ৫,০০০, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ পুৰস্কাৰ ১,০০০ কৈ দিয়া হ'ব। দৰ্শকসকলৰ বাবেও আকৰ্ষণীয় পুৰস্কাৰ থাকিব। ছাত্ৰ-ছাত্ৰীকে ধৰি সকলো ধৰণৰ লোকেই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। কুইজ প্ৰতিযোগিতাক সমগ্ৰ অসমত জনপ্ৰিয় কৰাৰ অৰ্থে প্ৰতিযোগিতাখন পাতিবলৈ মনস্থ কৰা হৈছে। ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিয়ে সকলো শ্ৰেণীৰ লোকক এই অনুষ্ঠানলৈ আহি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াবলৈ অনুৰোধ জনাইছে। লগতে ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়ে যে এই মাহৰ শেষাৰ্ধত এখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ বিষয়বস্তু হ'ল ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আলোচনাচক্ৰৰ এজন সমল ব্যক্তিৰূপে উপস্থিত থাকিব। লগতে শিক্ষা বিভাগৰ লগত জড়িত কে'বাজনো বিশিষ্ট শিক্ষাবিদে ভাষণ প্ৰদান কৰিব। এই আলোচনাচক্ৰই ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বাস্তৱিক ৰূপায়ণত যথেষ্ট সহায় কৰিব বুলি আশা কৰা হৈছে। শিক্ষাৰ লগত জড়িত স্কুল, মহাবিদ্যালয়ৰ সকলো শিক্ষকক এই আলোচনাচক্ৰত উপস্থিত থাকিবলৈ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিয়ে অনুৰোধ জনাইছে।

## কয়লাৰ অভাৱত বন্ধ হোৱাৰ উপক্ৰম

### ভাটাতে নষ্ট হৈছে বনাই থোৱা ইটা

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী ১২ ডিচেম্বৰ ঃ** কয়লাৰ অভাৱত ইটা উদ্যোগ বন্ধ হোৱাৰ উপক্ৰম ঘটিছে পশ্চিম দৰং আৰু পূব কামৰূপ অঞ্চলত। বছৰি অতি কমেও ৩/৫ লাখ টকাকৈ চৰকাৰক ৰাজহ দি থকা ভাটাসমূহৰ এনে দুৰৱস্থাই এক অশনি সংকেত বহন কৰিছে। বিশেষকৈ উদ্যোগসমূহৰ লগত জড়িত যান-বাহনৰ গৰাকী, চালক, বনুৱা, যোগনিয়াৰসকলৰ জীৱিকাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি হৈছে। বৰ্তমান সময়ত কয়লাৰ নাটনিৰ সুযোগ লৈ প্ৰতি টন কয়লাত ১৫ ৰ পৰা ২০ হেজাৰ টকালৈ বৃদ্ধি কৰিছে কয়লাৰ ব্যৱসায়ীসকলে। একাংশ ভাটাৰ মালিকে অধিক দামত কয়লা ক্ৰয় কৰি দুই এটা ইটা ভাটাত জুই দিছে যদিও বহু উদ্যোগৰ স্বত্বাধিকাৰীয়ে এতিয়াও ভাটাত জুই দিবলৈ সক্ষম হোৱা নাই। যাৰ ফলত লক্ষ লক্ষ টকা খৰচ কৰি বনাই থোৱা লাখ লাখ ইটা নোপোৱাকৈয়ে নষ্ট হোৱাৰ উপক্ৰম ঘটিছে। পশ্চিম দৰঙৰ বাঁহগড়াস্থ আৰডিআই ইটাভাটাৰ স্বত্বাধিকাৰী ধীৰাজ ডেকাই অৱগত কৰা মতে, ইটা তৈয়াৰ কৰা এটা নিৰ্দিষ্ট সময় থাকে। সচৰাচৰ নৱেম্বৰৰ পৰা ফেব্ৰুৱাৰীলৈ ইটা নিৰ্মাণৰ কাম চলে। কয়লাৰ অভাৱৰ বাবে সেই সময় লাহেকৈ উকলি গ'লে ভাটাৰ একাংশ ঋণগ্ৰস্ত স্বত্বাধিকাৰীৰ পানীত হাঁহ নচৰা অৱস্থা হোৱাটো খাটাং। ঋণ লৈ ভাটাৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা বহু ভাটাৰ মালিকে কয়লাৰ নাটনিৰ বাবে ত্ৰাহি মধুসূদন সুঁৱৰিবলগা হৈছে। আনহাতে, বাঁহগড়াৰ ভাটাৰ কৰ্মচাৰী গৌতম ডেকা আৰু পৰাগ চৌধুৰীয়ে জানিব দিয়া মতে, কয়লাৰ নাটনিৰ বাবে ভাটাত সৃষ্টি হোৱা অনাটনে তেওঁলোকৰ দৰে ভাটাৰ শ শ কৰ্মচাৰীৰ জীৱিকাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। সেয়ে ৰাজ্য চৰকাৰক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাতৰ আহ্বান জনাইছে ভাটাত কৰ্মৰত শ শ কৰ্মচাৰীয়ে।






## দক্ষিণ আফ্রিকা ভ্রমণত খেলিব তিনিখনীয়া শৃংখলা

# বিজয় হাজাৰে ট্ৰফীৰ সামৰণিত ঘোষণা কৰা হ'ব টীম ইণ্ডিয়াৰ এদিনীয়া দল

**মুম্বাই, ১২ ডিচেম্বৰ ঃ** চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে ঘোষণা কৰা হ'ব দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় এদিনীয়া দলটো। আজি বি চি চি আইৰ সূত্ৰত এই কথা প্ৰকাশ। উল্লেখ্য যে বি চি চি আইৰ নিৰ্বাচকে ভাৰতীয় দলৰ এদিনীয়াৰ নেতৃত্বৰ পৰা বিৰাট কোহলিক আঁতৰাই নতুন অধিনায়কৰূপে ৰোহিত শৰ্মাৰ নাম ইতিমধ্যে ঘোষণা কৰিছে। সেয়ে ৰোহিত আৰু প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ৰ সহমতত বি চি চি আইৰ নিৰ্বাচকে ভাৰতৰ এদিনীয়াৰ দলটো নিৰ্বাচন কৰিব চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ পাছত। স্মৰ্তব্য যে চলিত মাহতে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব ভাৰতীয় টেষ্ট দল। দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছে পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। ইফালে, আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান নাপালে ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে। ঘোষিত দলটো হ'ল ঃ বিৰাট কোহলি, ৰোহিত শৰ্মা, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26–30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11–15 জানুৱাৰীত অনুষ্ঠিত হ'ব। টেষ্ট শৃংখলা সামৰণি পৰাৰ পাছতে জানুৱাৰীত হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এদিনীয়া শৃংখলা।




## আজিৰে পৰা আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১২ ডিচেম্বৰ ঃ** অসম ভাৰোত্তোলন সন্থাৰ সহযোগত কাইলৈৰ পৰা বিশ্বনাথ চাৰিআলিত আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতা আয়োজন কৰিছে বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই। ইয়াৰে ভূপেন হাজৰিকা কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব ৰাজ্যিক ভাৰোত্তোলন প্ৰতিযোগিতাখন। উল্লেখ্য আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে ইতিমধ্যে বিশ্বনাথ চাৰিআলিত উপস্থিত হৈছে অসম ভাৰোত্তোলন সন্থাৰ স্বীকৃতি লাভ কৰা জিলাৰ পুৰুষ-মহিলা দল। এই প্ৰতোগিতাৰ পাছতে অসমৰ দল নিৰ্বাচন কৰা হ'ব বুলি কৈছে অসম ভাৰোত্তোলন সন্থাই।




ই পি এলত ইউনাইটেডৰ হৈ গ'ল কৰাৰ পাছত চি আৰ চেভেন।

## বিজয় হাজাৰে ট্ৰফীত অসমৰ ব্যৰ্থতা অব্যাহত

# চতুৰ্থ মেচত ৰাজস্থানৰ বিৰুদ্ধে পৰাস্ত

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাত অসমৰ ব্যৰ্থতা অব্যাহত আছে। উল্লেখ্য যে ক্ৰমাগত চতুৰ্থ মেচত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছে অসম ক্ৰিকেট দল। গোৱা, ছাৰ্ভেচেজ আৰু পঞ্জাৱৰ বিৰুদ্ধে প্ৰথম তিনিখন মেচত পৰাস্ত হোৱা অসম ক্ৰিকেট দলে আজি চতুৰ্থখন মেচত মুখামুখি হয় ৰাজস্থানৰ। মেচখনত অসমক 142 ৰাণত পৰাস্ত কৰে ৰাজস্থানে। পোনতে বেটিং কৰা ৰাজস্থানে 50 অভাৰত তিনি উইকেট হেৰুৱাই সংগ্ৰহ কৰে 335 ৰাণ। দলৰ হৈ দুজন বেটাৰে শতক অৰ্জন কৰে। মনিন্দৰ সিঙে 132 টা বলত 11 টা বাউণ্ডেৰী আৰু আঠটা ছিক্সাৰসহ 166 ৰাণ কৰাৰ বিপৰীতে মহিপাল ল'মাৰে 101 ৰাণ কৰে। উভয় বেটাৰৰ মাজত 208 ৰাণৰ যুটি হয়। প্ৰত্যুত্তৰত, অসমে বেটিং কৰি 39.1 অভাৰত 193 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। অসমৰ হৈ ৰিয়ান পৰাগে 51, কুনাল শইকীয়াই 45 আৰু শিৱশংকৰ ৰয় তথা স্বৰূপম পুৰকায়স্থই 29 ৰাণকৈ কৰে। ৰাজস্থানৰ হৈ ৰবি বিষ্ণয়ে চাৰিটা আৰু কমলেছ নাগাৰ্কতিয়ে তিনিটা উইকেট পায়। উল্লেখ্য যে চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম মেচত গোৱাই পাঁচ উইকেটত পৰাস্ত কৰিছিল অসমক। পোনতে বেটিং কৰি অসমে 50 অভাৰত ন উইকেট হেৰুৱাই 215 ৰাণ কৰে। প্ৰত্যুত্তৰত, গোৱাই 48.3 অভাৰত পাঁচ উইকেট হেৰুৱাই 219 ৰাণ কৰি জয় অৰ্জন কৰে। অসমে দ্বিতীয় মেচ খেলিছিল ছাৰ্ভিচেজৰ বিৰুদ্ধে। চাৰি উইকেটত অসমক পৰাস্ত কৰে ছাৰ্ভিচেজে। পোনতে বেটিং কৰি অসমে 49.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 206 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ছাৰ্ভিছেজে 45.3 অভাৰত ছটা উইকেট হেৰুৱাই 210 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। তৃতীয় মেচখনত অসমক 10 উইকেটত পৰাস্ত কৰে পঞ্জাৱে। পোনতে বেটিং কৰা অসমে 34.5 অভাৰতে ইনিংছ সামৰে মাত্ৰ 125 ৰাণত। প্ৰত্যুত্তৰত, 15.2 অভাৰতে কোনো কোনো উইকেট নেহেৰুৱাকৈ 130 ৰাণ কৰি 10 উইকেটত জয়লাভ কৰে পঞ্জাৱে।



মনিয়নিত সফলতা লাভ কৰা খেলুৱৈক প্ৰমানপ্ৰত্ৰ প্ৰদান।

**আৰ জি বৰুৱা ক্ৰিকেট**

## গোৱালপাৰা-ধেমাজি জিলাৰ জয়লাভ

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এলিট গ্ৰুপৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত হাইলাকান্দি দলক 40 ৰাণত পৰাস্ত কৰে গোৱালপাৰা দলে। পোনতে বেটিং কৰি গোৱালপাৰা দলে 127–10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, হাইলাকান্দি জিলা দলে 87–10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত ধেমাজি দলে 31 ৰাণত পৰাস্ত কৰে শিৱসাগৰ জিলা দলক। পোনতে বেটিং কৰি ধেমাজি দলে 180–10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, শিৱসাগৰ জিলাই 149–9 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। প্লেট গ্ৰুপৰ পৰা দুটা দল যোগ্যতা অৰ্জন কৰিছে এলিট গ্ৰুপলৈ।

## আজিৰে পৰা পাকিস্তান-ৱেষ্টইণ্ডিজৰ টি-২০ শৃংখলা

# কেৰিবিয়ান দলৰ তিনি ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত



**লাহোৰ, ১২ ডিচেম্বৰ ঃ** পাকিস্তান ভ্ৰমণলৈ অহা ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ তিনিজন সদস্যৰ শৰীৰত কৰ'না ভাইৰাছ ধৰা পৰিছে। ক্ৰিকেটাৰ তিনিগৰাকী হ'ল কিল মায়েৰ্ছ, ছেলডন ক'ৰ্টেল আৰু ৰ'ষ্টন চেছ। সম্প্ৰতি তিনিওজনে আছুতীয়াকৈ ৰখা হৈছে হোটেলৰ কোঠাত। আসন্ন তিনিখনীয়া টি-20 শৃংখলাত এই তিনি ক্ৰিকেটাৰে নেখেলে। উল্লেখ্য যে পাকিস্তান আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাটো কাইলৈৰ পৰা আৰম্ভ হ'ব। শ্ৰীলংকাৰ পৰা পাকিস্তানলৈ যোৱা ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ যোৱা ন ডিচেম্বৰত কৰ'না পৰীক্ষা হৈছিল। উল্লেখ্য যে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্টতো পৰাস্ত হৈ ৱেষ্ট ইণ্ডিজে 2–0 ত শৃংখলা হেৰুৱায়। দ্বিতীয় টেষ্টত শ্ৰীলংকাই দিয়া 297 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ৱেষ্ট ইণ্ডিজে 132 ৰাণত ইনিংছ সামৰে আৰু ঘৰুৱা দলে 164 ৰাণত জয় অৰ্জন কৰে। টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও শ্ৰীলংকাই দ্বিতীয় ইনিংছত 345–9 ৰাণ কৰে। উল্লেখ্য যে শ্ৰীলংকাই 204 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 253 ৰাণ কৰি 43 ৰাণৰ অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত 187 ৰাণত জয়ী হৈছিল।

## এ পি আৰ অ' দলৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ১২ ডিচেম্বৰ ঃ** ভি আই পি আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। আজিৰ উদ্বোধনী মেচত এ পি আৰ অ' দলে 2–0 গ'লত পৰাস্ত কৰে গড়চুক ফুটবল দলক।



মনিপুৰত প্ৰৰ্যবেক্ষকৰূপে ভাৰতীয় বক্সিঙৰ সম্পাদক হেমন্ত কলিতা।

**১৬ বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট**

# গুৱাহাটী জিলা-এ চি এৰ সভাপতি একাদশৰ জয়

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত গুৱাহাটী দলে 85 ৰাণত পৰাস্ত কৰে এ চি এৰ সভাপতি একাদশ দলক। পোনতে বেটিং কৰি গুৱাহাটী দলে 210–8 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, এ চি এৰ সভাপতি একাদশ দলে 125–7 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা মেচখনত কৰিমগঞ্জ জিলাই 45 ৰাণত পৰাস্ত কৰে তিনিচুকীয়া জিলা দলক। পোনতে বেটিং কৰি কৰিমগঞ্জ জিলা দলে 124–9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, তিনিচুকীয়া জিলা দলে 89–10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।



এছিয়ান ৰ'য়িঙত পদক জয়ী ভাৰতীয় খেলুৱৈ।



টাইকোৱান-ড'ত বেল্ট লাভ কৰা বৰভাগৰ খেলুৱৈ।

## সিন্ধুবাৰী চাহ বাগিচা চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, মেলামাটি, ১২ ডিচেম্বৰ ঃ** অমৃত বৰুৱা সোঁৱৰণি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে সিন্ধুবাৰী চাহ বাগিচা দল। আজি অনুষ্ঠিত হোৱা ফাইনেল মেচত সিন্ধুবাৰী চাহ বাগিচা দলে 3–1 গ'লত পৰাস্ত কৰে বাদুলপাৰা চাহ বাগিচা দলক। চেম্পিয়ন সিন্ধুবাৰী চাহ বাগিচা দলে 20 হেজাৰ টকা আৰুবাদুলপাৰা চাহ বাগিচা দলে 10 হেজাৰ টকা লাভ কৰে।

## বিদ্যুৎ পৰিষদৰ বিৰুদ্ধে মাওলাই এফ চিৰ জয়লাভ

**মুকালমুৱা, ১২ ডিচেম্বৰ ঃ** চলিত বড়ৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ মুকালমুৱাত অনুষ্ঠিত হোৱা অন্তিমখন জয়লাভ কৰিছে ছিলঙৰ মাওলাই এফ চি। আজি মুকালমুৱাৰ দেশভক্ত ময়দানত অনুষ্ঠিত হোৱা মেচত ছিলঙৰ মাওলাই এফ চি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দলৰ। একপক্ষীয় মেচখনত ছিলঙৰ মাওলাই এফ চি দলে 4–1 গ'লত পৰাস্ত কৰে বিদ্যুৎ পৰিষদ দলক। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ছিলঙৰ মাওলাই এফ চিৰ নেলচনে। উল্লেখ্য যে এইবাৰ বদৌচা কাপ ফুটবল প্ৰতিযোগিতা অসমৰ মুঠ 16 টা স্থানত অনুষ্ঠিত হৈছে।



## শিৱসাগৰ একাদশ দলৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি-নাজিৰা, ১২ ডিচেম্বৰ ঃ** গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে ৰাষ্ট্ৰীয় খেলুৱৈ পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। আজিৰ উদ্বোধনী মেচত শিৱসাগৰ একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰে নাজিৰা ইডানি একাদশক। উল্লেখ্য যে পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে মন্ত্ৰী যোগেন মহনে।

## জাষ্টিন লাক্ৰা সোঁৱৰণী ফুটবল সমাপ্ত

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ১২ ডিচেম্বৰ ঃ** জাষ্টিন লাক্ৰা সোঁৱৰণি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে কবিৰালী এফ চি দল। আজি অনুষ্ঠিত হোৱা ফাইনেল মেচত কবিৰালী এফ চি দলে 1–0 গ'লত পৰাস্ত কৰে আটাৰীখাট এফ চি দলক। চেম্পিয়ন কিবিৰালী এফ চি দলে 30 হেজাৰ টকাৰ লগতে ট্ৰফী লাভ কৰে।

# প্ৰশিক্ষক ৰাট্ৰাক দায়িত্বৰ পৰা অব্যাহতি দিব লাগে

**ৰাজেশ বৰা**
**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** যোৱা তিনি বছৰ ধৰি অসম দলৰ প্ৰশিক্ষক হিচাপে আছে অজয় ৰাট্ৰা। কিন্তু অসম ক্ৰিকেট দলৰ ধাৰাবাহিক ব্যৰ্থতাই এয়া প্ৰতিফলিত কৰিছে যে প্ৰশিক্ষক হিচাপে ৰাট্ৰা ব্যৰ্থ হৈছে। গতিকে তেওঁক বিদায় দিব লাগে। কাৰণ তিনি বছৰ তেওঁ যিহেতু অসমৰ ক্ৰিকেটাৰৰ দূৰ্বলতা বিচাৰি উলিয়াই সেয়া সমাধান কৰাত সফল নহ'ল গতিকে প্ৰশিক্ষকৰ দায়িত্বত ৰাট্ৰাক ৰখাৰ কোনো যুক্তি নাই। চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাত ক্ৰমাগত চতুৰ্থ মেচত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছে অসম ক্ৰিকেট দল। অসমৰ বেটছমেনে 30–40 ৰাণ কৰি আউট হৈছে। সুন্দৰ আৰম্ভণি পোৱাৰ পাছতো অসমৰ বেটছমেনে কি কাৰণত ডাঙৰ ইনিংছ খেলিব পৰা নাই সেয়া প্ৰশিক্ষকে জানিব লাগে লগতে তাৰ সমাধানো কৰিব লাগে। গোৱা, ছাৰ্ভেচেজ আৰু পঞ্জাৱৰ বিৰুদ্ধে প্ৰথম তিনিখন মেচত পৰাস্ত হোৱা অসম ক্ৰিকেট দলক চতুৰ্থখন মেচত 142 ৰাণত পৰাস্ত কৰিছে ৰাজস্থানে। ৰাজস্থানৰ 335 ৰাণৰ প্ৰত্যুত্তৰত, অসমে বেটিং কৰি 39.1 অভাৰত 193 ৰাণত ইনিংছ সামৰিছে। ৰিয়ান পৰাগে 51, কুনাল শইকীয়াই 45 আৰু শিৱশংকৰ ৰয় তথা স্বৰূপম পুৰকায়স্থই 29 ৰাণকৈ কৰিছে। ইয়াৰে দুজনে নিজৰ ইনিংছ আগুৱাই নিলেও অসমে সফলতা লাভ কৰিলেহেতেন। গতিকে সমস্যাটো দলৰ প্ৰশিক্ষকে বুজিব লাগিব। ইয়াৰপূৰ্বে তৃতীয়খন মেচত অসম মুখামুখি হৈছিল পঞ্জাৱৰ। মেচখনত অসমক 10 উইকেটত পৰাস্ত কৰে পঞ্জাৱে। পোনতে বেটিং কৰা অসমে 34.5 অভাৰতে ইনিংছ সামৰে মাত্ৰ 125 ৰাণত। স্বৰূপম পুৰকায়স্থই 36, শিৱশংকৰ ৰয়ে 28 আৰু ছাহিল জৈনে 24 ৰাণ কৰিছিল। একেই সমস্যা। উল্লেখ্য যে অসমে দ্বিতীয় মেচ খেলিছিল ছাৰ্ভিচেজৰ বিৰুদ্ধে। চাৰি উইকেটত অসমক পৰাস্ত কৰে ছাৰ্ভিচেজে। পোনতে বেটিং কৰি অসমে 49.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 206 ৰাণত ইনিংছ সামৰে। দলৰ হৈ ৰিয়ান পৰাগে 58, কুনাল শইকীয়াই 40 আৰু স্বৰূপম পুৰকায়স্থই 34 ৰাণ কৰিছিল। সুন্দৰ আৰম্ভণি পোৱাৰ পাছতো অসমৰ বেটছমেনে ডাঙৰ ইনিংছ খেলিব নোৱাৰিলে। ব্যৰ্থতাৰ কাৰণ এয়াই। ইয়াৰপূৰ্বে প্ৰথম মেচতে গোৱাই পাঁচ উইকেটত পৰাস্ত কৰিছিল অসমক। পোনতে বেটিং কৰি অসমে 50 অভাৰত ন উইকেট হেৰুৱাই 215 ৰাণ কৰে। দলৰ হৈ স্বৰূপম পুৰকায়স্থই 45, ৰিয়ান পৰাগে 40, ছাহিল জৈনে 34, মুখতাৰ হুছেইনে 29 আৰু ডেনিছ দাসে 27 ৰাণ কৰিছিল। চাৰিওখন মেচতে অসমৰ পৰাজয়ৰ কাৰণ এটা। কিন্তু প্ৰশিক্ষকৰ ওচৰত ইয়াৰ সমাধান সূত্ৰ নাই। যোৱা তিনি বছৰ এই ছবিখনে অসম দলত দেখা গৈছে। কিন্তু এই সমস্যা সমাধান কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ প্ৰশিক্ষক ৰাট্ৰা।






অসম অলিম্পিকৰ কাৰ্যালয়ত প্ৰত্ৰিকা উন্মোচন।

## বিলাসনন্দন চ'ৰা



# ইউ পি বনাম অ'মিক্ৰন

**বহুতে** সুধি থাকে যে ক'ভিডৰ যে বিভিন্ন ভাইৰাছ, সেইবোৰৰ নামকৰণ কোনে কৰে? আমাৰ পলিটিকেল ভাইৰাছবোৰৰো নতুন নতুন নামকৰণ কৰা হয়। জিকি অহাৰ পাছতেই এই পলিটিকেল ভাইৰাছবোৰৰ নামকৰণ আৰম্ভ হৈ যায়। নামকৰণ কৰিবলৈ বহু পাৰ্টিয়ে আগৰে পৰা লাইনত খাড়া হৈ থাকে। ত্যাগবীৰ, কৰ্মবীৰ, অৱতাৰী পুৰুষ, সপোন কোঁৱৰ, স্বৰ্গদেউ, দানবীৰ কত যে কিমান নাম? কিন্তু এই ক'ভিড ভাইৰাছবোৰক নাম দিবলৈ বাহিৰৰ বিজ্ঞানীবোৰে বৰ বেছি কষ্ট কৰা নাই যেন পাইছো। সেইকাৰণে গ্ৰীক বৰ্ণমালাৰ পৰাই শব্দবোৰ তুলি আনি আনি নামবোৰ দি লৈছে—আলফা, বিটা, গামা, ডেল্টা ইত্যাদি। এইবাৰ আহিছে আকৌ অ'মিক্ৰন। বাকীকেইটাতকৈ এই নামটো অলপ টান হৈছে, সহজে মনত নাথাকে। সেইকাৰণে ৰাতি হ'লেই জ্ঞান তথা পাণ্ডিত্য সমানে জাহিৰ কৰিবলৈ আৰু লগতে খাদ্য নলীডাল ভালকৈ চাফা কৰাৰ লক্ষ্যৰে হাফ বটল-ফুল বটল লৈ বহাসকলে এই অ'মিক্ৰনক লৈ ৰাতি পুৰাই দিবলৈ অলপ দিকদাৰি পাইছে। দুঢোকমান গিলাৰ পাছতেই তেওঁলোকে ক'বলৈ ধৰে—'অ'মিক্ৰন বৰ ডেঞ্জেৰাছ বুজিছ! বাকী ভাইৰাছতকৈ এই ভাইৰাছটোৰ খং অলপ বেছি। একেবাৰে এংৰী য়ং মেন।'

টেবুলত বহা বাকী ফ্ৰেইণ্ডবোৰে জোৰকৈ গিলাছটো থৈ সোধে—'তই কেনেকৈ গম পালি এই ভাইৰাছটো এংৰী য়ং মেন বুলি?'

ঃ নামটোৰ পৰা।

ঃ নামটোত কি আছে?

ঃ আৰে আমাৰ এংৰী য়ং মেন কোন হয়?

ঃ অমিতাভ। অমিতাভ বচ্চন!

ঃ এই অমিতাভৰ ভায়েকেই হ'ল অ'মিক্ৰন বুজিছ। অমিতাভৰ ভায়েক যেতিয়া খংটোতো বেছি হ'বই। একেবাৰতে বহুতকে মাৰি দিয়ে বোলে!

ৰাতি যিমানেই বেছি হয়, সিমানেই জ্ঞানৰ গভীৰতাও বাঢ়ি যায়। বেছি গভীৰ হৈ যোৱাৰ পাছত এজনে খালী বটলটো নচুৱাই নচুৱাই কয়—'ধ্যুৰ! তহঁতে এনেয়ে ভয় খাই থাক অ'! এই অ'মিক্ৰন আচলতে কিয় হয় জান?'

ঃ কিয় হয়?'

ঃ এই অ'মিক্ৰন পপকৰ্নৰ পৰা হয়। পপকৰ্ন কমকৈ খাবি, অ'মিক্ৰন নহয় গেৰাণ্টি আছে।

ঃ কোনে কৈছে?



ঃ মোৰ ডাক্তৰ খুলশালিয়ে কৈছে।

ঃ কি ডাক্তৰ হয় সি? এম বি বি এছ নে এম ডি?

ঃ নহয়। পি ডি!

ঃ সেইটো আকৌ কি ডিগ্ৰী।

ঃ পতঞ্জলিৰ দোকানী।

এই অ'মিক্ৰনক লৈ ৰাতিৰ আড্ডাৰ টেবুলকেইখন বাদ দি বাকী সৱ মানুহৰ মনতেই অলপ অলপ ভয় সোমাইছে। সেইকাৰণে বহুতে গৈ গৈ দিল্লীৰ বাদশ্বাহৰ ওচৰত ৰিপ'ৰ্ট কৰি আছে—'জাহাপনা! ডেল্টাতকৈ অ'মিক্ৰন বোলে বেছি সংক্ৰামক!' বাদশ্বাহে খঙতে চিঞৰি উঠে—'মই কি কৰিব লাগে। নাজানা নেকি মই এতিয়া ইউ পিত আছো।'

সৱেই জানে যে ইউ পিত ইলেকছন আছে। বৰ এটা ভাল কণ্ডিছনত বাদশ্বাহহঁত নাই। বহুতেতো বাগৰিব বুলিও কয়। ইউ পিখন হাতত নাথাকিলে দিল্লীখনো হাতৰ পৰা যাওঁ যাওঁ যেন হয়। বেংগলত দিদি আছিল। ইউ পিত বাৰু দিদি নাই। এটা ভাইটি আছে। মুলায়মৰ মুলায়েম মুলায়েম লেকচাৰে কাম নিদিব বুলি ভাবি খিল্‌খিলিয়া হাঁহিৰে মুখৰিত অখিলেশে দায়িত্ব কান্ধ পাতি লৈছে। তাতেই মূৰ গৰম হৈ আছে বাদশ্বাহৰ। দিদিৰ হাতত মুখ থেকেচা খাইছে। এতিয়া যদি ভাইটিয়েও থেকেচাই দিয়ে, বৰ লাজৰ কথা হ'ব। তাতে আকৌ ২০২৪ আহি আছে। ডাঙৰ ডাঙৰ ষ্টেটবোৰে যদি থেকেচাই দিয়ে, ২০২৪ত দেখোন আফাল মাৰি দিব। এইবোৰ চিন্তা কৰি থকাৰ মাজতে বিভিন্নজনে আহি অ'মিক্ৰনৰ খবৰবোৰ দিয়েহি। বাদশ্বাহৰ এটাই উত্তৰ— 'অ'মিক্ৰনৰ কথা মই নাজানো । বৰ্তমান মই ইউ পিত আছো!' আছে দিল্লীত। কিন্তু কৈছে ইউ পিত থকা বুলি। এইটো আকৌ কেনেকুৱা কথা! বাদশ্বাহৰ এই ইউ পিত থকাৰ মানেটো কোনেও বুজি নাপালে। সেই সময়তে এজনে আহি ক'লে—'জাহাপনা! অ'মিক্ৰন আমাৰ দেছ আহি পালে।' বাদশ্বাহে পুনৰ খেংখেঙাই উঠিল—'মই একো নাজানো এইবোৰ। বৰ্তমান মই ইউ পিত আছো।' সিজনে লগে লগে উভতি ধৰিলে—'কিন্তু জাহাপনা, আপুনিতো বৰ্তমান ইউ পিত নাই, দিল্লীতহে আছে।'

বাদশ্বাহে গৰজি উঠি ক'লে—'সৱ কথা ডিটেইলছত কিয় ক'ব লাগে? বুজি নোপোৱা নেকি ইউ পি মানে, আড্ডাৰ প্ৰেছাৰ।' বৰ্তমান মই আণ্ডাৰ প্ৰেছাৰত আছো।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# পদপথত বিৰিয়ানি বিক্ৰীৰে ভাত মোকলাইছে ভৰেশে



**গুৱাহাটী** মহানগৰীৰ জু-ৰোড তিনিআলিৰ ব্যস্ত এটি পদপথ। পদপথৰ সন্মুখত প্ৰকাণ্ড হাণ্ডি এটা লৈ গ্ৰাহকৰ অপেক্ষাত ব্যস্ত যুৱকজন। ভিতৰত থোৱা গৰম গৰম বিৰিয়ানিৰ মলমলীয়া গোন্ধ। বহুতে খাবলৈ ইচ্ছা নকৰিলেও বিৰিয়ানিৰ গোন্ধত সেয়া খাবলৈ বাধ্য হয়। নাম তেওঁৰ ভৰেশ কুমাৰ শৰ্মা (৪২)। বহুতে আহি ভিৰ কৰে তেওঁৰ বিৰিয়ানি খাবলৈ। আন বহুতে পেকেট কৰি লৈ যায়। প্ৰতি প্লেটত ৬০ টকা দৰত বিৰিয়ানি বিক্ৰী কৰা ভৰেশে আজি এবছৰ ধৰি এইদৰে বিৰিয়ানি বিক্ৰী কৰি পৰিয়াল পোহপাল দি আহিছে। নলবাৰীৰ বালিতাৰাৰ বাসিন্দা ভৰেশে কৰ্মৰ সন্ধানত প্ৰায় ২৭ বছৰ পূৰ্বে গুৱাহাটী মহানগৰীলৈ আহিছিল। গাঁৱৰে গণেশ নামৰ যুৱকজনৰ পদপথৰ চাহ-দোকানত কৰ্মজীৱন আৰম্ভ কৰা ভৰেশে এদিন হোটেলখনৰ দক্ষ কাৰিকৰৰূপে জনাজাত হয়। গণেশৰ ব্যৱসায়িক কৌশল আৰু ভৰেশৰ কাৰিকৰী দক্ষতাৰ বাবে এদিন পদপথৰ চাহ দোকানখন বিখ্যাত পৰঠাৰ দোকানলৈ ৰূপান্তৰ হয়। নিচেই পুৱাতে প্ৰাতঃভ্ৰমণৰ বাবে অহা লোকসকলে পদপথৰ চাহ দোকানখনত ভৰেশৰ তেলত পোৱা গৰম গৰম পৰঠা আৰু আলু-মটৰৰ ভাজিখন দেখি লোভ সামৰিব নোৱাৰি খাবলৈ বাধ্য হয়। বহুতে শৰীৰৰ কছৰৎ কৰিবলৈ আহি খাদ্যৰসিকহে হৈ পৰে। এইদৰে পদপথত গণেশৰ দোকানত ২৫ বছৰ কাম কৰাৰ পাছত নিজাববীয়াকৈ এখন সৰু চাহ দোকান আৰম্ভ কৰে ভৰেশে। কিন্তু দুৰ্ভাগ্যজনকভাৱে মহামাৰী কৰ'নাই আন বহুতৰে দৰে ভৰেশৰ চাহ দোকানখনো বিধ্বস্ত কৰি থৈ গ'ল। তলাবন্ধৰ বাবে বন্ধ হৈ পৰা দোকানখন এৰি গাঁৱৰ ঘৰলৈ গুচি যায় ভৰেশ। কোনোমতে স্থিৰতা ঘূৰি অহাৰ পাছত গুৱাহাটী মহানগৰীলৈ আহি তেওঁ এইবাৰ বিকল্প চিন্তা কৰিবলগীয়া হয়। কাৰণ তলাবন্ধৰ পাছত বহুতে হোটেলত খাবলৈ সংকোচ কৰা হোৱাত চাহ দোকান এৰি তেওঁ বিকল্প চিন্তা কৰি থাকোতে সমীপৰে এগৰাকী মহিলাই প্ৰস্তাৱ দিয়ে বিৰিয়ানি বিক্ৰীৰ ব্যৱসায়ৰ। সাদৰী মহিলাগৰাকীৰ সহযোগত তেওঁ পদপথত আৰম্ভ কৰে বিৰিয়ানি বিক্ৰীৰ ব্যৱসায়। অৱশ্যে বিৰিয়ানি তেওঁ পদপথত বিক্ৰী কৰে যদিও এই ব্যৱসায় নিজৰ নহয়।মহিলাগৰাকীৰ তত্বাৱধানতহে তেওঁ এইদৰে বিৰিয়ানি বিক্ৰী কৰি আহিছে। নিতৌ চাৰি কিলো চাউলৰ বিৰিয়ানি বিক্ৰী কৰি অহা ভৰেশক ইয়াৰ বাবে চাৰিৰ পৰা পাঁচশ টকা হাজিৰা দিয়া হয়।

ভৰেশে সদৰী কৰা মতে, এতিয়া বস্তুৰ মূল্য যথেষ্ট বৃদ্ধি হোৱাত বিৰিয়ানিত পূৰ্বৰ দৰে লাভ নাই। কাৰণ ৮৬ টকাৰ বাচমতী চাউল এতিয়া ৯৬ টকাত ক্ৰয় কৰাৰ বিপৰীতে ৰিফাইন কিনিব লাগে দুশ টকাত। তদুপৰি মুৰ্গি-ব্ৰয়লাৰৰ দামো বৃদ্ধি পাইছে। তথাপি বিৰিয়ানিৰ দাম বৃদ্ধি কৰা হোৱা নাই। নিতৌ চাৰি কিলো বাচমতী চাউল, তিনি কিলো মুৰ্গি, ডেৰ কিলো আলুৰে বিৰিয়ানি প্ৰস্তুত কৰা ভৰেশে ইয়াৰে ৪০ পেকেট বিৰিয়ানি হয় বুলি প্ৰকাশ কৰিছে। দুই সন্তানৰ পিতৃ ভৰেশৰ জীৱন সংগ্ৰাম যথেষ্ট কষ্টকৰ বুলি উল্লেখ কৰি কয় যে সৰুতে পিতৃ নৃপেন শৰ্মাই আনৰ ঘৰত দিন-হাজিৰা কৰিছিল। দুই ভ্ৰাতৃ আৰু একমাত্ৰ ভগ্নীক ডাঙৰ-দীঘল কৰিবলৈ যথেষ্ট কষ্ট কৰিছিল যদিও সেয়া যথেষ্ট নাছিল। যাৰ বাবে শিক্ষা জীৱন আধৰুৱাকৈ এৰি এদিন গুৱাহাটী মহানগৰীলৈ ওলাই অহা তেওঁ এইদৰে জীৱন সংগ্ৰামত লিপ্ত হৈ আহিছে। ২০০৬ত বিবাহপাশত আৱদ্ধ হোৱা ভৰেশৰ দুই পুত্ৰই ক্ৰমে অষ্টম আৰু দশম শ্ৰেণীত অধ্যয়ন কৰি আহিছে। যথেষ্ট কষ্টৰ মাজতে গুৱাহাটীত থকা ভৰেশৰ পৰিয়াল থাকে গাঁৱত। তেওঁ কয়, 'মোৰ আকালো নাই ভঁৰালো নাই। কাম কৰিলে হাজিৰাটো পাওঁ, নকৰিলে নাপাওঁ। গাঁৱৰ ঘৰলৈ গ'লে হাজিৰা বন্ধ। গাঁৱৰ পৰা আহিলে কামত ধৰিলে হাজিৰা পাওঁ। এনেদৰে চলি আছে আমাৰ জীৱন সংগ্ৰাম। অৱশ্যে যুৱচাম এতিয়া বিৰিয়ানিৰ প্ৰেমত পৰাত মহানগৰীত বিৰিয়ানিৰ এক বৃহৎ ব্যৱসায় গঢ়ি উঠিছে। যিটো বহুতৰ কাৰণে জীৱিকাৰ পথ হৈ পৰিছে। ময়ো এই বিৰিয়ানিৰ ব্যৱসায়েৰে এতিয়া জীৱন সংগ্ৰাম চলাই আছো।'

■ চাহাবুদ্দিন আহমেদ



খাদ্যৰ পৰিমাণো বৃদ্ধি কৰিলে, যাতে গৰুজনীৰ মলত্যাগৰ পৰিমাণো বৃদ্ধি পায়। হেগ্‌ড়ে পৰিয়ালে অতি উৎকণ্ঠাৰে গৰুজনীৰ গোবৰ নিতৌ পৰীক্ষা কৰে। অথচ এদিন, দুদিন, তিনিদিন... এইদৰে এসপ্তাহ, দুসপ্তাহ কৰি অৱশেষত যেতিয়া এমাহ অতিক্ৰম কৰিলে; তেতিয়া আৰু হেগ্‌ড়েৰ ধৈৰ্যৰ সীমা চেৰাই গ'ল।

# ৮০ হেজাৰৰ সোণৰ হাৰ গিলি দুই গ্ৰাম হজম কৰিলে গৰুৱে

## মংগল কামনাৰে পূজা কৰা গো-মাতাকেই অস্ত্ৰোপচাৰ কৰাবলগীয়া হ'ল গৃহস্থই

■ নিউজ ব্যুৰ'

**বাংগালুৰু, ১২ ডিচেম্বৰ ঃ** পৰিয়ালৰ মংগল কামনাৰে গৃহপালিত গো-মাতাক পূজা কৰি ডিঙিত সোণৰ হাৰ পিন্ধাইছিল গৃহস্থই। অথচ খাদ্য বুলি ভাবি সেই গো-মাতাই সোণৰ হাৰডালকে গিলি থোৱাত অৱশেষত অস্ত্ৰোপচাৰ কৰি উলিয়াবলগীয়া হ'ল। বহুমূলীয়া সোণৰ হাৰডাল উদ্ধাৰ হ'লেও আশ্চৰ্যজনকভাৱে দুই গ্ৰাম ওজনৰ সোণ হজম কৰিলে সেই গৰুৰ পাকস্থলীয়ে। অৱশ্যে মংগল কামনা কৰি আয়োজন কৰা এই গো-মাতাৰ পূজাৰ বাবে গৃহস্থৰ পৰিয়ালে সম্পূৰ্ণ এমাহ ধৰি মানসিক অস্থিৰতাত ভুগিবলগীয়া হ'ল। এই ঘটনা সংঘটিত হৈছে কৰ্ণাটকৰ উত্তৰ কন্নড় জিলাৰ হেপানাহাল্লিত।

স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰই জনোৱা মতে, হেপানাহাল্লিৰ বাসিন্দা শ্ৰীকান্ত হেগ্‌ড়েয়ে বিগত দীপাৱলীৰ দিনা নিজগৃহতে পৰিয়ালৰ মংগল কামনা কৰি গো-পূজাৰ আয়োজন কৰিছিল। নিজৰে এজনী পোহনীয়া গাইৰ ডিঙিত ফুলৰ মালা আৰু ২০ গ্ৰাম ওজনৰ সোণৰ হাৰ পিন্ধাই হেগ্‌ড়েৰ পৰিয়ালৰ সদস্যসকলে পূজা-আৰাধনা কৰে। পূজা শেষ হোৱাৰ পাছত পৰিয়ালটোৱে ফুলৰ মালা আৰু সোণৰ হাৰডাল গো-মাতাৰ কাষতে এৰি খোৱা-বোৱা, আনন্দ-স্ফূৰ্তি আদিত ব্যস্ত হৈ পৰে। সকলোৰে ব্যস্ততাৰ মাজতেই গৰুজনীয়ে কাষতে থকা ফুলৰ মালাৰ লগতে সোণৰ হাৰডালো খাই পেলালে। ইপিনে, বহু সময়লৈ তেওঁলোকে হাৰডালৰ কথা পাহৰি আছিল। পৰৱৰ্তী সময়ত হাৰডালৰ কথা মনত পৰাত হেগ্‌ড়েয়ে গৰুৰ কাষত উপস্থিত হৈ দেখে যে উক্ত স্থানৰ পৰা ইতিমধ্যে হাৰডাল অন্তৰ্ধান হৈছে। লগে লগে পৰিয়ালৰ মাজত হাহাকাৰ লাগে। সকলোৱে সমগ্ৰ বাসগৃহটো তন্নতন্নকৈ চলাথ কৰিও হাৰডালৰ সন্ধান উলিয়াব নোৱৰাত অৱশেষত গৰুজনীৰ ওপৰতে সকলোৰে সন্দেহ হয়। পৰীক্ষা কৰি চোৱাত তেওঁলোকৰ পোহনীয়া গৰুজনীয়েই যে ফুলৰ মালাৰ লগতে সোণৰ হাৰডাল ভক্ষণ কৰিলে, সেই বিষয়ত একপ্ৰকাৰ নিশ্চিত হ'ল পৰিয়ালটো। প্ৰায় ৮০ হেজাৰ টকা মূল্যৰ হাৰডাল গৰুজনীয়ে খাই পেলোৱাত পৰিয়ালটোৱে মূৰে-কপালে হাত দিলেও কৰিবলগীয়া একো নাছিল। গতিকে হেগ্‌ড়েৰ পৰিয়ালৰ এটাই আশা আছিল আৰু সেয়া হৈছে গৰুৰ গোবৰ।

তেওঁলোকে ধাৰণা কৰিলে যে সোণ যিহেতু হজম হোৱা বস্তু নহয়, গতিকে গোবৰৰ স'তে বাহিৰ ওলাই আহিব। গতিকে গোবৰলৈ অপেক্ষা কৰাৰ বাদে উপায় নাছিল। অৱশ্যে ইয়াৰ ফলত হেগ্‌ড়েৰ পৰিয়ালত আন এক তৎপৰতাও আৰম্ভ হ'ল। মুহূৰ্তৰ অসতৰ্কতাৰ বাবে গৰুৰ পেটলৈ যোৱা হাৰডাল ঘূৰাই পোৱাৰ বাবে তেওঁলোকে অতিৰিক্ত সতৰ্কতা অৱলম্বন কৰিবলগীয়া হ'ল। পোহনীয়া গৰুজনীয়ে যাতে কোনোপধ্যে ঘৰৰ বাহিৰলৈ যাব নোৱাৰে, তাৰ ব্যৱস্থা কৰা হ'ল। যাতে গৰুজনীয়ে বাহিৰত গৈ মলত্যাগ কৰিব নোৱাৰে। ইয়াৰ বাবে ঘৰতে গৰুজনীৰ পৰ্যাপ্ত খোৱা-বোৱাৰ যোগানৰ ব্যৱস্থা কৰা হ'ল। খাদ্যৰ পৰিমাণো বৃদ্ধি কৰিলে, যাতে গৰুজনীৰ মলত্যাগৰ পৰিমাণো বৃদ্ধি পায়। হেগ্‌ড়ে পৰিয়ালে অতি উৎকণ্ঠাৰে গৰুজনীৰ গোবৰ নিতৌ পৰীক্ষা কৰে। অথচ এদিন, দুদিন, তিনিদিন... এইদৰে এসপ্তাহ, দুসপ্তাহ কৰি অৱশেষত যেতিয়া এমাহ অতিক্ৰম কৰিলে; তেতিয়া আৰু হেগ্‌ড়েৰ ধৈৰ্যৰ সীমা চেৰাই গ'ল। অৱশেষত তেওঁ পশু চিকিৎসকৰ শৰণাপন্ন হ'ল। চিকিৎসকে গৰুজনীৰ পেটত স্কেন কৰি হাৰডালৰ অৱস্থান চিহ্নিত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত গৰুজনীৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰি সেই হাৰ উলিয়াই আনে চিকিৎসকে। আচৰিত কথা যে গৰুজনীৰ পাকস্থলীত এমাহ থকাৰ ফলত হাৰডালৰ দুই গ্ৰাম ওজনৰ অংশ ক্ষয় যায়। অৰ্থাৎ ২০ গ্ৰাম ওজনৰ হাৰডালৰ ১৮ গ্ৰামহে উদ্ধাৰ হয়।

# ন-খোৱা পৰম্পৰাই গাঁৱৰ সম্প্ৰীতিৰ মণিবন্ধন সুদৃঢ় কৰিছে...

## লখিমপুৰৰ গাঁৱত ব্যাপক আয়োজন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১২ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ গাঁওবোৰৰ প্ৰতিঘৰতে এতিয়া অসমীয়াৰ অতি হেঁপাহৰ ন-খোৱা পৰম্পৰা পূৰ্ণোদ্যমে অব্যাহত আছে। খেতিয়কৰ হেঁপাহৰ ন-চাউল মুঠি সকলোৱে মিলিজুলি, লগে-ভাগে এসাঁজ খাবৰ বাবে প্ৰতিজন গাঁওবাসী এতিয়া ব্যস্ত। আঘোণৰ সোণোৱালী পথাৰৰ পৰা নতুনকৈ চপোৱা সুৱাগমণি, হ'ল পোনা, আমপাখি, ৰঙা জহা, বকুল বৰা ধানৰ ন-চাউলৰ সম্ভাৰেৰে আজি ইঘৰত, কাইলৈ সিঘৰত ন-খোৱা পতাৰ এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এই ন-খোৱা বতৰতে উত্তৰ লখিমপুৰ নকাড়ী মৌজাৰ অন্তৰ্গত লীলাবাৰী নপাম গাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নকাড়ী আঞ্চলিকৰ ন-পাম মণিকাঞ্চন প্ৰাথমিক শাখাৰ নামঘৰত আজি সমজুৱাভাৱে ক'ভিড বিধি মানি ন-খোৱা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত গাঁওবাসীৰ লগতে নিমন্ত্ৰিত আলহী-অতিথিও উপস্থিত থাকে। অনুষ্ঠানটোত জিলা পৰিষদৰ সদস্য চন্দ্ৰমা শইকীয়াই কয় যে ন-খোৱা পৰম্পৰাই অসমীয়া জাতিক একত্ৰিত কৰি ৰখাত বৰঙণি যোগায়। ন-খোৱা অনুষ্ঠানটোত বিবিধ ন-চাউলৰ আমোলমোল গোন্ধৰ ভাত, পিঠা-পনা আৰু গাঁৱৰ প্ৰত্যেকৰ ঘৰৰ বাৰীত লহপহকৈ বঢ়া লাই, লফা, পালেং, শাক, ওলকবি, ফুলকবি, ৰঙালাও আদি পাচলিৰ ব্যঞ্জনেৰে গাঁওবাসীৰ লগতে নিমন্ত্ৰিত আলহীক আপ্যায়ন কৰা হয়। 'ন-খোৱা পৰম্পৰাত গাঁওবাসীয়ে উদৰ পূৰাই মিলিজুলি এসাঁজ খাইছে, ৰং-ধেমালি কৰি মৰম আন্তৰিকতাৰে বান্ধ খাইছে। এইদৰে কয় গাঁৱৰ এজন বয়সীয়াই। কোনে কি ধানৰ খেতি চপালে সেই কথাও গাঁওবাসীৰ তথা আলহী-অতিথিৰ মাজত আলোচনা হয়। ন-চাউলৰ ভাত এমুঠি খোৱাৰ আনন্দত বৃদ্ধ-বনিতাৰ পৰা শিশুলৈ সকলোৰে মুখত হাঁহি বিৰিঙি উঠে। তদুপৰি লখিমপুৰ নগৰৰ অন্তৰ্গত গাঁওসমূহ ৰংপুৰীয়া, উজ্জ্বলপুৰ, চুতীয়াকাৰী, মৈদমীয়া, কোঁৱৰ গাঁও, মাহসৰা, নকাড়ী, বগলীজান, আহু চাউল গাঁও, চৌখাম, প্ৰমুখ্যে গাঁওসমূহতো সম্প্ৰতি ঘৰে ঘৰে তথা সমজুৱাভাৱে ন-খোৱা উৎসৱ চলি আছে। উল্লেখ্য যে ক'ভিডসৃষ্ট পৰিৱেশতো অসমীয়াৰ প্ৰাণত হাড়ে-হিমজুৱে শিপাই থকা ন-খোৱা পৰম্পৰা যেন ম্লান হ'ব নোখোজে।

## কৃত্ৰিম উপায়েৰে সৌন্দৰ্য বৃদ্ধি কৰাই হ'ল অপৰাধ

# সুন্দৰী প্ৰতিযোগিতাৰ পৰা বাতিল ৪৩টা উট




**নিউজ ব্যুৰ'**

**ৰিয়াধ, ১২ ডিচেম্বৰ ঃ** আড়ম্বৰপূৰ্ণ আয়োজন। উপস্থিত দেশ-বিদেশৰ বহু প্ৰতিযোগী। সকলো প্ৰতিযোগীকেই এই সৌন্দৰ্য প্ৰতিযোগিতাত জয়ী হোৱাৰ বাবে সজাই-পৰাই তোলা হৈছে। ছৌদি আৰবৰ ৰাজধানী ৰিয়াধৰ সমীপতে এই সৌন্দৰ্য প্ৰতিযোগিতাৰ আয়োজন। যি প্ৰতিযোগিতাৰ মুঠ পুৰস্কাৰমূল্য ৬.৬ কোটি ডলাৰ। অৱশ্যে এই প্ৰতিযোগিতাৰ প্ৰতিযোগীক্সকল মানুহ নহয়, বৰঞ্চ উটহে। যদিও এই প্ৰতিযোগিতা উটৰ, তথাপি এক ইঞ্চিও ভূমি এৰিবলৈ প্ৰস্তুত নহয় উটৰ গৰাকীসকল। প্ৰতিযোগিতাত জয়ৰ বাবে উদ্বাউল হৈ পৰা গৰাকীসকলে নিজৰ উটবোৰক ধুনীয়া কৰি তুলিবলৈ চেষ্টাত ত্ৰুটি ৰখা নাছিল। আনকি ইয়াৰ বাবে ব'টক্স ইঞ্জেকচন তথা অন্যান্য কৃত্ৰিম কাৰুকাৰ্যৰ আশ্ৰয় লৈছিল ৪৩টা উটৰ গৰাকীয়ে। তথাপি শেষ ৰক্ষা নহ'ল। অবৈধভাৱে কৃত্ৰিম কৌশলৰ আশ্ৰয় লোৱাৰ অভিযোগত প্ৰতিযোগিতাৰ পৰা বাতিল হ'ল সেই ৪৩টা উট। মহোৎসৱৰ বিচাৰকসকলে জনাইছে যে এই বছৰ এনে ধৰণৰ জালিয়াতি ধৰা পেলাবলৈ অত্যাধুনিক প্ৰযুক্তিৰ আশ্ৰয় লোৱা হৈছিল। তাতেই ধৰা পৰিল উটৰ গৰাকীসকলৰ কৌশল।

ডিচেম্বৰৰ প্ৰথম সপ্তাহৰ পৰাই আৰম্ভ হৈছে উটৰ এই সৌন্দৰ্য প্ৰতিযোগিতা। মুঠ ৪০ দিন ধৰি চলিব ।ষষ্ঠবাৰলৈ আয়োজন কৰা এই প্ৰতিযোগিতাত আছে ১৯টা বিভাগ। আৰব দেশসমূহৰ উপৰি আমেৰিকা, ৰাছিয়া, ফ্ৰান্স আদিৰ পৰাও বহু উটৰ গৰাকীয়ে এই প্ৰতিযোগিতাত অংশ লৈছে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰই জনাইছে যে বাতিল হোৱা ৪৩টা উটৰ ক্ষেত্ৰত ব'টক্স ইঞ্জেকচনৰ সমান্তৰালকৈ অন্যান্য কছমেটিক সলনিও ঘটোৱা হৈছিল, যাতে উটসমূহক আকৰ্ষণীয় কৰি তুলিব পৰা যায়। প্ৰধানকৈ উটৰ মূৰ, ডিঙি, কুঁজ, পোছাক, খোজকঢ়াৰ ধৰণৰ ওপৰত ভিত্তি কৰি বিচাৰকসকলে বিজয়ী নিৰ্ধাৰণ কৰে। এই বছৰ বিচাৰকসকলে লক্ষ্য কৰে যে বহু উটৰ ক্ষেত্ৰতে কৃত্ৰিম পদ্ধতিৰ সহায় লোৱা হৈছে। জালিয়াতি ধৰা পেলোৱাৰ বাবে এক্স ৰে', থ্ৰী ডি আলট্ৰাছাউণ্ড মেচিনো ব্যৱহাৰ কৰা হয়। আয়োজকৰ তৰফৰ পৰা স্পষ্ট কৰি দিছে যে কেৱল বাতিলেই নহয়, বাতিল হোৱা উটসমূহৰ গৰাকীসকলৰ বিৰুদ্ধে ক্ষতিপূৰণ আৰু কঠোৰ পদক্ষেপো গ্ৰহণ কৰা হ'ব। ব'টক্স বা হৰম'ন পৰিৱৰ্তনৰ ইঞ্জেকচন ব্যৱহাৰৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ অংক হৈছে প্ৰতিটো উটৰ বাবদ ২৭ হেজাৰ ডলাৰ।

# শুভ্ৰ এণ্টাৰ্কটিকাই ক্ৰমাৎ ধাৰণ কৰিছে শ্যামলী বৰণ

## বৰফৰ মহাসাম্ৰাজ্যত শাক-পাচলিৰ খেতিৰে হৈছে সেউজ বিপ্লৱ



**নিউজ ব্যুৰ'**

**কলকাতা, ১২ ডিচেম্বৰ ঃ** এণ্টাৰ্কটিকা বুলি ক'লে সকলোৰে মানসপটত ভাহি উঠে দূৰ-দিগন্তলৈ শুভ্ৰ বৰফৰ ডাঠ চাদৰেৰে আবৰা এক অঞ্চল। য'ত দেখা পোৱা নাযায় ভূমি বা পানী, দেখা যায় কেৱল বৰফ। অথচ সেই এণ্টাৰ্কটিকাই যেন এতিয়া ক্ৰমাৎ শ্যামলী বৰণ ল'বলৈ ধৰিছে। নানান ফচলৰ ৰঙে এতিয়া বৰফৰ মহাসাম্ৰাজ্যকো ক্ৰমাৎ সেউজীয়া কৰি তুলিবলৈ আৰম্ভ কৰিছে। ডাঠ বৰফৰ চাদৰেৰে আবৰা এণ্টাৰ্কটিকাৰ এই হিম-সাম্ৰাজ্য এতিয়া উপচি পৰিছে জলকীয়া, বিলাহী, বিট, তিঁয়হ, ব্ৰক'লি, ফুলকবি, বিশেষ ধৰণৰ বন্ধাকবি, নানা ধৰমৰ লেটুছ পাত, মছলাৰ গছেৰে। যেন দক্ষিণ মেৰুৰ বৰফৰ সাম্ৰাজ্যত ফচলৰহে বন্যাৰ সৃষ্টি হৈছে।

এয়া কোনো কল্প-বিজ্ঞানৰ কাহিনী বা হলিউদৰ কল্প-বিজ্ঞানৰ ছবি নহয়। প্ৰকৃতাৰ্থতে এতিয়া শাক-পাচলিৰে ভৰি পৰিছে এণ্টাৰ্কটিকাৰ এক কৃত্ৰিম খেতিপথাৰ। এই খেতিপথাৰ বা 'গ্ৰীণহাউছ' নিৰ্মাণ কৰিছে জাৰ্মান এৰ'স্পেচ চেণ্টাৰ (ডিএলআৰ)-এ। বৰফৰ সাম্ৰাজ্যত সৃষ্টি কৰা ফচলৰ এই কৃত্ৰিম খেতিপথাৰৰ নাম হৈছে 'ইডেন আইএছএছ'। ফচলৰ এই কৃত্ৰিম খেতিপথাৰ তৈয়াৰ কৰা হৈছে পূব এণ্টাৰ্কটিকাৰ ডাঠ বৰফৰ চাঙৰ 'এক্সট্ৰম আইচ ছেল্ফ'ৰ ওপৰত জাৰ্মানীৰ গৱেষণা শিবিৰৰ নৌমেয়াৰ থ্ৰী ষ্টেচনৰ সমীপতে।

পূব এণ্টাৰ্কটিকাৰ ফচলৰ এই কৃত্ৰিম খেতিত সূৰ্যৰ পোহৰৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ। উল্লেখ্য যে এণ্টাৰ্কটিকাত একেৰাহে ছমাহলৈ সূৰ্যৰ পোহৰ নপৰে। তাৰ পাছত যেতিয়া এণ্টাৰ্কটিকাৰ আকাশত সূৰ্যটো দৃশ্যমান হয়, তেতিয়াও যাতে ৰ'দৰ পোহৰ প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে এই কৃত্ৰিম ফচলৰ খেতিত সকলো ধৰণৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সূৰ্যালোকৰ পৰিৱৰ্তে এই বিশেষ খেতিপথাৰত বিভিন্ন ধৰণৰ ফচল উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয় ৰঙা, নীলা, হালধীয়া, সেইজীয়া আদি নানা ৰঙৰ কৃত্ৰিম পোহৰ। যি ফচলৰ বাবে যি ৰঙৰ প্ৰয়োজন, সেই পোহৰৰে ব্যৱস্থা কৰা হৈছে। লক্ষ্যণীয়ভাৱে পূব এণ্টাৰ্কটিকাত ফচলৰ কৃত্ৰিম খেতিত পাচলি উৎপাদনৰ বাবে মাটিৰো প্ৰয়োজন নাই। আচলতে বৰফৰ সাম্ৰাজ্যত মাটিনো ক'ত পোৱা যাব? আনকি মহাকাশত সেয়া লাগিলে চন্দ্ৰই হওক বা মঙলেই হওক অথবা পৃথিৱীৰ বহু ওপৰৰ কক্ষপথত প্ৰদক্ষিণ কৰি থকা আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই হওক, ফচল উৎপাদন কৰিবলৈ ক'তো মাটি পোৱা নাযাব। তৎসত্ত্বেও সেইবোৰ স্থানত ফচল উৎপাদন কৰিব পাৰি, যাতে তাত থকা মহাকাশচাৰীসকলে পেটৰ ক্ষুধা নিবাৰণ কৰিব পাৰে। সেইবোৰ স্থানত যাতে মহাকাশচাৰীসকলে নিজৰ প্ৰয়োজন অনুসাৰে ফচল উৎপাদন কৰি ল'ব পাৰে, তাৰেই পৰীক্ষা-নিৰীক্ষা কৰাৰ বাবে 'ডিএলআৰ'ৰ তৰফৰ পৰা এইদৰে এণ্টাৰ্কটিকাত কৃত্ৰিম ফচলৰ খেতিপথাৰ তৈয়াৰ কৰিছে। এই কৃত্ৰিম খেতিপথাৰত এক অভিনৱ পদ্ধতিৰে শাক-পাচলি গজোৱা হৈছে। বিজ্ঞানৰ ভাষাত এই পদ্ধতিক কোৱা হয় 'এৰ'প'নিক্স'। এই পদ্ধতিত নানা ধৰণৰ পুষ্টিকৰ খাদ্য উপাদান (নিউট্ৰিয়েণ্ট্‌ছ)ৰ দ্ৰৱণ স্প্ৰে' কৰি প্ৰৱেশ কৰোৱা হয় বিভিন্ন ধৰণৰ শস্য, ফচলৰ গছৰ মূলত। যিবোৰ গছ মাটিত গজাৰ পৰিৱৰ্তে কৃত্ৰিম খেতিত ওপৰৰ পৰা উলমি থাকে।

উল্লেখ্য যে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত ইতিমধ্যেই মহাকাশচাৰীসকলে দুখনকৈ ফচলৰ কৃত্ৰিম খেতিপথাৰ তৈয়াৰ কৰিছে। এখনৰ নাম 'ভেজি' আৰু আনখনৰ নাম হৈছে 'এডভান্সড্ প্লেণ্ট হেবিটাট'। ইতিমধ্যেই উক্ত কৃত্ৰিম খেতিত উৎপাদন কৰা জলকীয়া মহাকাশচাৰীয়ে খোৱাৰ বাতৰি অলপতে প্ৰকাশ পাইছিল। 'ইডেন আইএছএছ' প্ৰকল্পৰ মুৰব্বী ডেনিয়েল শ্বুবাৰ্টে জাৰ্মান এৰ'স্পেচ চেণ্টাৰৰ তৰফৰ পৰা দিয়া এক বিবৃতিত কয়, 'এণ্টাৰ্কটিকাৰ এই কৃত্ৰিম খেতিত ইয়াৰ পূৰ্বে ইমান প্ৰকাৰৰ ফচল ইমান পৰিমাণে উৎপাদন কৰাটো সম্ভৱ হোৱা নাছিল। আগন্তুক দিনত আমাৰ চন্দ্ৰ বা মঙললৈ যোৱা মহাকাশচাৰীসকলে যাতে এইবোৰ প্ৰয়োজনীয় ফচল অনায়াসে গজাব পাৰে, সেই বিষয়ত আমাক অতি বেছি আত্মবিশ্বাসী কৰি তুলিলে এণ্টাৰ্কটিকাৰ কৃত্ৰিম খেতিপথাৰৰ এই পৰীক্ষা-নিৰীক্ষাই।'

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com